● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

মহৎ কাৰ্য সাধন কৰিবলৈ হ'লে আপুনি কাম কৰিলেই নহ'ব, সপোনো দেখিব লাগিব; পৰিকল্পনা কৰিলেই নহ'ব তাক বিশ্বাসো কৰিব লাগিব।

এনাট'ল ফ্ৰন্স
*ফৰাচী কবি*



www.dainikagradoot.in

৭ ইজৰাইলৰ স'তে সংঘৰ্ষবিৰতিক জয় আখ্যা হামাছৰ
১৩ বাৰ্চিলোনাৰ হৈ অন্তিম মেচ খেলিলে মেছিয়ে?
৪ নিজেই সোঁত সৃষ্টি কৰা মহীৰূহ গৰাকী

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ২২১তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ৭ জেঠ ১৪২৮ ভাস্কৰাব্দ ২২ মে' ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 22 May 2021 মূল্য ঃ ৭.০০ টকা

## কৰ'না সংক্ৰমণৰ বিশ্ব তালিকাত চীনৰ স্থান ৯৮ত



■ ক'ভিড-১৯ ভাইৰাছৰ জন্মদাতা দেশত মৃতকৰ সংখ্যা ৪,৬৩৬জন

■ নিউজ ব্যুৰ'
**বেইজিং, ২১ মে' ঃ** ২০১৯ৰ ডিচেম্বৰত চীনৰ উহান চহৰত প্ৰথমবাৰৰ বাবে কৰ'না সংক্ৰমণৰ বাতৰি লাভ কৰা হৈছিল। এই ঘটনাৰ ডেৰ বছৰ পাছত বিশ্বজুৰি এই মাৰাত্মক ভাইৰাছত আক্ৰান্ত হ'ল ১৬ কোটি লোক। এতিয়ালৈকে ক'ভিডত প্ৰাণ হেৰুৱালে ৩৪ লাখৰো অধিক লোকে। সংক্ৰমণৰ ক্ষেত্ৰত বিশ্বৰ ভিতৰতে শীৰ্ষত আছে আমেৰিকা। এইখন দেশতে কৰ'নাত মৃত্যু হৈছে ছয় লাখৰো অধিক লোকৰ। একেদৰে বিগত ডেৰ বছৰত ক'ভিডত সৰ্বাধিক ক্ষতিগ্ৰস্ত হয় ইটালী, ব্ৰাজিল, ভাৰতসহ বিভিন্ন দেশ; কিন্তু ক'ভিডৰ শিৰোনামত নাই এই ভাইৰাছৰ উৎস চিনাক্ত হোৱা চীনৰ। আন্তৰ্জাতিক পৰ্যবেক্ষক সংস্থা ৱৰ্ল্ড'মিটাৰ্ছৰ পৰিসংখ্যা অনুসৰি, ক'ভিডৰ বিশ্ব সংক্ৰমণৰ তালিকাত চীনৰ স্থান বহু পাছত। এই তালিকাত ৯৮ সংখ্যক স্থানতহে আছে ক'ভিডৰ প্ৰথম *১০ পৃষ্ঠাত চাওক*

চিকিৎসাধীন অৱস্থাত ৯৪ৰ বছৰত দেহাৱসান বিশিষ্ট পৰিৱেশবিদৰ

## 'চিপ্‌কো' আন্দোলনৰ গুৰি ধৰোঁতা সুন্দৰলাল বহুগুণাৰ কৰ'নাত বিয়োগ



■ নিউজ ব্যুৰ'
**ঋষিকেশ, ২১ মে' ঃ** দেশৰ অগ্ৰণী পৰিৱেশবিদ তথা 'চিপ্‌কো' আন্দোলনৰ গুৰি ধৰোঁতা সুন্দৰলাল বহুগুণা আৰু নাই। ঋষিকেশৰ এইমছত চিকিৎসাধীন অৱস্থাত আজি দুপৰীয়া ১২ বজাত বিশিষ্ট পৰিৱেশকৰ্মীজনে শেষ নিশ্বাস ত্যাগ কৰে। দীৰ্ঘদিন ধৰি মধুমেহত আক্ৰান্ত হৈ অহা বহুগুণা অলপতে ক'ভিডত আক্ৰান্ত হৈছিল আৰু চিকিৎসালয়ত নিউম'নিয়াৰ চিকিৎসা গ্ৰহণৰ অৱস্থাতে ৯৪ বছৰ *১০ পৃষ্ঠাত চাওক*

■ ভাওনাৰ সূত্ৰধাৰৰ পোছাক পৰিধান কৰি আগমন ■ মুখ্যমন্ত্ৰীৰ পাছত শপত ল'লে প্ৰাক্তন মুখ্যমন্ত্ৰীয়ে ■ সাতটাকৈ ভাষাত ১২২জন নৱ-নিৰ্বাচিত বিধায়কৰ শপতগ্ৰহণ

# পঞ্চদশ বিধানসভাৰ আকৰ্ষণীয় আৰম্ভণি





ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২১ মে' ঃ** বিধায়কৰ পদ মৰ্যাদা আৰু দেশৰ অখণ্ডতা ৰক্ষাৰ শপত গ্ৰহণেৰে আজিৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে অসম বিধানসভাৰ পঞ্চদশ অধিবেশন। কে'বাটাও ব্যতিক্ৰমী সিদ্ধান্ত, সাজ-পোছাকেৰে একাংশ বিধায়কৰ চমক আদি আছিল আজিৰ দিনটোৰ লক্ষ্যণীয় দিশ। এইবোৰৰ মাজতে কাৰাবন্দিত্বৰ পৰা বিধায়ক নিৰ্বাচিত নিৰ্দলীয় তথা ৰাইজৰ দলৰ অখিল গগৈৰ আগমন আন এক চৰ্চিত বিষয় হৈ ৰয় *১০ পৃষ্ঠাত চাওক*

শাসক-বিৰোধীৰে শুভেচ্ছা বিনিময় ঃ পৰৱৰ্তী দুটা দিনৰ বাবে অনুমতি বিচাৰিলে

## প্ৰথম দিনাই বিধায়কৰ মৰ্যাদা মষিমূৰ কৰাৰ অভিযোগত সৰৱ অখিল



ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২১ মে' ঃ** পঞ্চদশ অসম বিধানসভাৰ আজিৰ পৰা আৰম্ভ হোৱা প্ৰথমখন অধিবেশনৰ অন্যতম চৰ্চাৰ বিষয় হৈ পৰে অখিল গগৈৰ উপস্থিতি। কাৰাবন্দী হৈ থকা অৱস্থাতে শিৱসাগৰৰ পৰা বিধায়ক নিৰ্বাচিত হোৱা গগৈয়ে কি *১০ পৃষ্ঠাত চাওক*

## বিধানসভাৰ অধ্যক্ষৰ আসনত বহিল বিশ্বজিৎ দৈমাৰী

বড়ো জনগোষ্ঠীৰ বাবে ইতিহাস ৰচনা হ'ল ঃ ব্ৰহ্ম

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২১ মে' ঃ** পঞ্চদশ অসম বিধানসভাৰ অধ্যক্ষৰূপে আজি বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈ কাৰ্যভাৰ গ্ৰহণ কৰে পানেৰীৰ বিজেপিৰ বিধায়ক তথা ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ বিশ্বজিৎ দৈমাৰীয়ে। প্ৰ'টেম অধ্যক্ষ ফণীভূষণ চৌধুৰীয়ে আজি বিধানসভাৰ প্ৰথম দিনটোত বিধায়কসকলৰ *১০ পৃষ্ঠাত চাওক*

## ক'ভিডত মৃত্যু কঠিয়াতলীৰ জ্যেষ্ঠ সাংবাদিক হোমেশ্বৰ হীৰাৰ

'অগ্ৰদূত' পৰিয়াল, মন্ত্ৰী হাজৰিকা-মহন্তৰ লগতে বিভিন্নজনৰ শোকপ্ৰকাশ



**বিশেষ সংবাদদাতা/ অগ্ৰদূত বাৰ্তা নগাঁও/কামপুৰ/ যমুনামুখ, ২১ মে' ঃ** নগাঁও জিলাৰ কঠিয়াতলীৰ জ্যেষ্ঠ সাংবাদিক, সদৌ অসম সাংবাদিক সন্থা (আজু)ৰ উপদেষ্টা তথা অসম চৰকাৰৰ সাংবাদিক পেঞ্চনাৰ হোমেশ্বৰ হীৰাৰ আজি পুৱা মৃত্যু হয়। *১০ পৃষ্ঠাত চাওক*

### সদনৰ পাৰ্শ্বজ্যোতি

*সংস্কৃতত আল্লা*

**বিধানসভাত** আজি নগৰাকী বিধায়ক-বিধায়িকাই সংস্কৃতত শপতবাক্য পাঠ কৰে। তেওঁলোকৰ ভিতৰত অন্যতম আছিল সোণাই সমষ্টিৰ এআইইউডিএফৰ বিধায়ক কৰিমউদ্দিন বৰভূঞা। ইছলামধৰ্মী বিধায়কজনে সংস্কৃতত শপতবাক্য পাঠ কৰাত শাসক-বিৰোধী সদস্যসকলে মেজত চপৰিয়াই তেওঁক অভিনন্দন জনায়। অৱশ্যে শপতবাক্যত থকা ঈশ্বৰ শব্দটোৰ পৰিৱৰ্তে তেওঁ আল্লা বুলি উচ্চাৰণ কৰে। আনহাতে, ৰাজেদ আলী চৌধুৰীয়ে ঈশ্বৰ উচ্চাৰণ কৰিয়ে শপতবাক্য পাঠ কৰে। *আঠ পৃষ্ঠাত চাওক*

## নিজৰ বিভাগৰ বিষয়ৰ উত্তৰ নিজেই দিব মুখ্যমন্ত্ৰীয়ে

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২১ মে' ঃ** বিধানসভাত সাধাৰণতে মুখ্যমন্ত্ৰীসকল তুলনামূলকভাৱে যথেষ্ট কম সময় উপস্থিত থাকে। নিৰ্ধাৰিত কেতবোৰ কাৰ্যসূচীতহে মুখ্যমন্ত্ৰী সাধাৰণতে উপস্থিত থাকে। বহুসময়ত মুখ্যমন্ত্ৰীৰ অধীনত থকা বিভাগবোৰৰো *১০ পৃষ্ঠাত চাওক*

প্ৰায় পাঁচ হেজাৰ সুস্থ হ'লেও সক্ৰিয় কৰ'না ৰোগীৰ সংখ্যা বৃদ্ধি

## ৰাজ্যত পুনৰ একেদিনাই মৃত্যু হ'ল ৮১জনৰ, সংক্ৰমণৰ হাৰ নিম্নমুখী



ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২১ মে' ঃ** দৈনিক আক্ৰান্ত আৰু সংক্ৰমণৰ হাৰ কিছু পৰিমাণে নিম্নমুখী হ'লেও ৰাজ্যৰ ক'ভিড পৰিস্থিতিৰ কলীয়া ডাৱৰ এতিয়াও আঁতৰি যোৱাৰ সম্ভাৱনাৰ সৃষ্টি হোৱা নাই। বিগত কিছুদিনত আক্ৰান্ত আৰু সংক্ৰমণৰ হাৰৰ লগতে দৈনিক ক'ভিড ৰোগীৰ মৃত্যুৰ তালিকাতো উত্থান-পতন ঘটি আছে। আজি পুনৰ ৰাজ্যত ক'ভিডত মৃত্যুৰ সংখ্যা উদ্বেগজনকভাৱে বৃদ্ধি পায়। আজিৰ দিনটোত ৮১ জন লোকে ক'ভিডত প্ৰাণ হেৰুৱাইছে বুলি টুইটযোগে সদৰী কৰিছে *আঠ পৃষ্ঠাত চাওক*

■ কৰ'না পৰিস্থিতিত হেজাৰ হেজাৰ পৰিয়ালৰ উপাৰ্জনৰ পথ ৰুদ্ধ

## উপাৰ্জনৰ মাধ্যম চাহ দোকানৰ গেছৰ চিলিণ্ডাৰ বিক্ৰী কৰিলে গীতিকাই

মহানগৰীৰ পদপথৰ ব্যৱসায়ীক খাদ্য-সামগ্ৰী যোগান ধৰিবলৈ মুখ্যমন্ত্ৰীক কাতৰ অনুৰোধ







ভিক্ষা মাগি থকা দৃশ্যই যিদৰে যান-বাহন আৰক্ষীৰ চকু

■ ৰণ্টু নেওগ
**গুৱাহাটী, ২১ মে' ঃ** অবৰ্ণনীয়! বিগত তলাবন্ধৰ সময়ত খুদকণৰ তাড়নাত এজনী কণমানিয়ে মহানগৰীত *১০ পৃষ্ঠাত চাওক*

তলাবন্ধৰ মাধমাৰত সৰ্বস্বান্ত হ'ল বহুজন ■ যোৱা বছৰ দাম পাইছিল কিলোত ১৬ টকাকৈ

## কৃষকৰ ক্ৰন্দন! ৮০ পইচাত বেচিছে তৰমুজ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২১ মে' ঃ** ৰাজ্যৰ জিলাই জিলাই কৃষকৰ ক্ৰন্দন। চকুৰ আগতে ৰ'দে-বৰষুণে নষ্ট হৈছে লক্ষ লক্ষ টকাৰ তজবজীয়া ফল তৰমুজ। কিনোতা নাই, খাওতাও নাই। যোৱা বছৰ প্ৰতি কিলোগ্ৰাম ১৬ টকাত বিক্ৰী হোৱা তৰমুজ এইবাৰ যদি কোনোবা দালালে কিনিবলৈ আহিছেও, তেন্তে খেতিয়কক দিছে মাত্ৰ ৮০ পইচা। লোকচানৰ ভৰ সহিব নোৱাৰি মূৰে-কপালে হাত দিছে খেতিয়কে। কৰ'না *আঠ পৃষ্ঠাত চাওক*

এইবাৰ ৩০ লাখ টকা পৰ্যন্ত লোকচান ভৰিব লাগিব একাংশ কৃষকে



## অৰুণাচলৰ ব্ৰহ্মপুত্ৰ-গিৰিখাদৰ মাজত ঘাইপথ নিৰ্মাণ চীনৰ

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২১ মে' ঃ** ভাৰতৰ অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী তিব্বতত ব্ৰহ্মপুত্ৰ-গিৰিখাদৰ মাজেৰে এটি *১০ পৃষ্ঠাত চাওক*

■ চিৰাঙৰ আৰক্ষী অধীক্ষক পদত নিযুক্তি গৌৰৱ উপাধ্যায়ক

## নাবালিকাক যৌন নিৰ্যাতনৰ ঘটনাত অভিযুক্ত আৰক্ষী বিষয়াক পুৰস্কাৰ!

গৃহ বিভাগৰ দৰদ কিয় ঃ আঁৰত কোন ঃ অসম আৰক্ষীতে তীব্ৰ প্ৰতিক্ৰিয়া

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ২১ মে' ঃ** সহকৰ্মী বিষয়াৰ নাবালিকা কন্যাক যৌন নিৰ্যাতন চলোৱা আৰক্ষী বিষয়া গৌৰৱ উপাধ্যায়ক চিৰাং জিলাৰ আৰক্ষী অধীক্ষকৰূপে নিযুক্তি প্ৰদানক লৈ আৰক্ষী মহলতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অসম আৰক্ষীৰ গাত কলংকৰ চেকা লগোৱা উপাধ্যায়ৰ বিৰুদ্ধে নাবালিকা কন্যাক যৌন নিৰ্যাতন চলোৱাৰ অভিযোগত ভাৰতীয় দণ্ড বিধিৰ ধাৰা ৩৫৩/৩৫৪ (ক) আৰু শিশু সুৰক্ষাৰ বাবে *১০ পৃষ্ঠাত চাওক*

অসম চৰকাৰ

### কৃতজ্ঞতা

ক'ভিড-১৯ৰ টীকাকৰণ অভিযানক জনআন্দোলনলৈ ৰূপান্তৰ কৰাৰ বাবে অসম চৰকাৰে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আৰ্থিক বৰঙণি আগবঢ়োৱা নিম্নোক্ত ব্যক্তি / অনুষ্ঠানৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

| ব্যক্তি/ অনুষ্ঠানৰ নাম | বৰঙণিৰ পৰিমাণ |
|---|---|
| শ্ৰী ৰঞ্জিত দত্ত, বিধায়ক, বিহালী | ১,০০,০০০ টকা |
| শ্ৰী শ্যামন্ত ভট্টাচাৰ্য | ১,০০,০০০ টকা |
| সমীৰণ টি ইণ্ডাষ্ট্ৰী, বিহালী | ১,৫১,০০০ টকা |
| লক্ষ্মী এণ্টাৰপ্ৰাইজ, বুঢ়ীগাং | ৫১,০০০ টকা |
| সমীৰণ ইনফ্ৰাষ্ট্ৰাক্‌চাৰ প্ৰাইভেট লিমিটেড, বিহালী | ২,৫১,০০০ টকা |
| বিহালী টি কোম্পানী | ৩১,০০০ টকা |
| গাংমৌ চেল্ফ হেল্প গ্ৰ'ৱাৰছ এণ্ড টি ইণ্ডাষ্ট্ৰি কোঃ অঃ ছ'চাইটী | ২,০০,০০০ টকা |
| নামেৰী কনষ্ট্ৰাকছন এণ্ড ছাপ্লায়াৰ্ছ | ২,০০,০০০ টকা |
| শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী, বিধায়ক, যোৰহাট | ১,২৫,০০০ টকা |

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ একাউণ্ট নম্বৰ ঃ
35969660230 (SBI) IFSC Code: SBIN0010755
PAN: AAAPC4667K

জনসংযোগ/ডি/৪৬৪/২১

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত   Follow Us /@diprassam   https://dipr.assam.gov.in/

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২২ মে’, ২০২১ শনিবাৰ পৃষ্ঠা তিনি

## নলবাৰীত শ্ৰমিকৰ অভাৱত চপাব পৰা নাই ইৰিধানৰ খেতি ঃ সমস্যাত বহু কৃষক

অগ্ৰদূত বাৰ্তা
**চামতা, ২১ মে’ ঃ** নলবাৰী জিলাৰ ইৰিধান খেতিৰ কৃষকসকলে সম্প্ৰতি পকা ধান চপাবলৈ শ্ৰমিকৰ অভাৱত সমস্যাৰ সন্মুখীন হৈছে। এইবেলি সময়োপযোগী ইৰিধানৰ খেতিয়ে কৃষকসকললৈ আশাৰ বতৰা কঢ়িয়াই আনিছে। সময়ে সময়ে বৰষুণৰ ফলত বহু কৃষকে টিউবৱেলৰ জৰিয়তে খেতিপথাৰত পানীৰ ব্যৱস্থা কৰাৰ পৰাও সকাহ লাভ কৰিছিল। কিন্তু শেহতীয়াকৈ অঞ্চলৰ বহু কৃষকে ইৰিধানৰ খেতি কিছু আগতীয়াকৈ কৰাত ধান পকিবলৈ লৈছে। ইপিনে, পকাধান কৃষকে চপোৱাৰ সময়তে ক’ভিড মহামাৰীৰ দ্বিতীয় বলয়ে একপ্ৰকাৰ ছয় পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে



## ব্যৱসায় বন্ধ ঃ দ’মে দ’মে জমা হৈছে বাঁহৰ সামগ্ৰী





### ক’ভিডৰ বাবে গোৱালপাৰাৰ নয়াপাৰা-তেলিপাৰাৰ শতাধিক পৰিয়ালৰ জীৱন জীৱিকা স্থবিৰ

**আলোপতি, ২১ মে’ ঃ** গোৱালপাৰা জিলাত ক’ভিড পৰিস্থিতি অধিক অৱনতি হোৱাত জিলা প্ৰশাসনে কে’বাটাও অঞ্চল কণ্টেইনমেণ্ট জ’ন ঘোষণা কৰাৰ লগতে ক’ভিড বিধি উলংঘাকাৰীৰ বিৰুদ্ধেও কঠোৰ হোৱা পৰিলক্ষিত হৈছে। অৰ্ধ তলাবন্ধৰ উপৰি সাপ্তাহিক বজাৰ বন্ধ দীঘলীয়া হোৱাৰ পৰিপ্ৰেক্ষিতত জিলাখনৰ ভিন্ন প্ৰান্তৰ লগতে জিলাখনৰ কামাৰপতাৰ নয়াপাৰা আৰু তেলিপাৰাৰ ডেৰ শতাধিক পৰিয়ালে বংশানুক্ৰমিকভাৱে বাঁহ শিল্পৰ জৰিয়তে জীৱিকা চলাই ছয় পৃষ্ঠাত চাওক

## মাদ্ৰাছাত সংস্কৃতক বাধ্যতামূলক বিষয় হিচাপে পালন কৰক ঃ মুছলিম লীগ

ষ্টাফ ৰিপ’ৰ্টাৰ
**গুৱাহাটী, ২১ মে’ ঃ** যি সময় বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ নৱ নিৰ্বাচিত অসম চৰকাৰখনে পৰ্যায়ক্ৰমে ৰাজ্যৰ মাদ্ৰাছাসমূহ বন্ধ কৰি দিয়াৰ কথা ঘোষণা কৰিছে, ইণ্ডিয়ান ইউনিয়ন মুছলিম লীগৰ অসম ৰাজ্যিক সমিতিয়ে গ্ৰহণ কৰিছে এক বিপৰীতমুখী স্থিতি। মুছলিম লীগৰ অসম ৰাজ্যিক সমিতিৰ সাধাৰণ সম্পাদক পৌছিব আহমেদে আজি কয়, ‘ধৰ্ম নিৰপেক্ষ আৰু জাতি-জনগোষ্ঠীৰ বৈচিত্ৰতাৰে ভৰা অসমৰ দৰে এখন ৰাজ্যত দুয়োটা ধৰ্মাৱলম্বীৰ জনগণৰ মাজত সমন্বয় স্থাপন কৰিবলৈ হ’লে সভ্যতাৰ বাহক ধৰ্ম পুথিৰ সঠিক অধ্যয়ন আৰু গৱেষণা নিতান্তই প্ৰয়োজন। সেয়েহে আমি চৰকাৰক ক্ষিপ্ৰতাৰে আহ্বান জনাইছো, বন্ধ কৰাৰ বিপৰীতে, মাদ্ৰাছাসমূহত বৰঞ্চ সংস্কৃতক বাধ্যতামূলক বিষয় হিচাপে প্ৰৱৰ্তন কৰক।’ কোনো এখন দেশেই দমন ছয় পৃষ্ঠাত চাওক

## বিধায়ক হিচাপে শপত লৈয়ে মুকলিকৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতি পদ দাবী ৰূপজ্যোতিৰ



ষ্টাফ ৰিপ’ৰ্টাৰ
**গুৱাহাটী, ২১ মে’ ঃ** মৰিয়নি সমষ্টিৰ পৰা অসম বিধানসভালৈ নিৰ্বাচিত হৈ আজি একেৰাহে চতুৰ্থবাৰৰ বাবে বিধায়কৰূপে শপত গ্ৰহণৰ পাছতে ৰূপজ্যোতি কুৰ্মীয়ে প্ৰদেশ কংগ্ৰেছৰ সভাপতি পদৰ বাবে আবেদন জনোৱা বুলি প্ৰকাশ কৰিছে। শপতগ্ৰহণ কৰিয়েই ছয় পৃষ্ঠাত চাওক

## নিশা ধন লুণ্ঠনৰ গোপন যন্ত্ৰ (হেণ্ড হোল) জব্দ চিৰাং আৰক্ষীৰ

# দহলাপাৰা টোলগেটত ৰাজহ ফাকিৰে লুণ্ঠন



অগ্ৰদূত ব্যুৰ’
**বঙাইগাঁও, ২১ মে’ ঃ** অসমৰ ঘাইপথত স্থাপন কৰা টোলপ্লাজাত চলিছে বৃহৎ ছিণ্ডিকেটৰাজ। টোলপ্লাজাৰ স্বত্বাধিকাৰী একাংশ দালাল আৰু ছিণ্ডিকেট বাহিনীয়ে লুণ্ঠন অব্যাহত ৰাখিছে টোলপ্লাজাত। ৰাজ্যখনত এম এছ বি এম কন্ট্ৰাকছন নামৰ এটা কোম্পানীয়ে চলাইছে এই লুণ্ঠন। চৰকাৰক ৰাজহ ফাকি দি স্বত্বাধিকাৰীয়ে অতি কৌশলেৰে চলাই আহিছে টোলপ্লাজাত ধন সংগ্ৰহ। চিৰাং জিলাৰ দহলাপাৰাত স্থাপন কৰা টোলপ্লাজাত প্ৰতিদিনে লাখ লাখ টকা এনেদৰে অবৈধভাৱে বিভিন্ন যানবাহনৰ পৰা সংগ্ৰহ কৰি আহিছে ছিণ্ডিকেট বাহিনীটোৱে। উত্থাপিত অভিযোগ মতে, দীৰ্ঘদিনৰে পৰা ফাষ্টটেগ নথকা বাহনৰ পৰা অবৈধভাৱে বালাজী যন্ত্ৰৰে (হেণ্ড হোল যন্ত্ৰ) অধিক ধন সংগ্ৰহ কৰি আহিছে টোলগেটৰ কৰ্মচাৰী তথা ছিণ্ডিকেট বাহিনীয়ে। ইপিনে, টোলগেটত দীৰ্ঘদিন ধৰি এনেদৰে অবৈধভাৱে ধন সংগ্ৰহ কৰি থকাৰ পাছতো ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকাৰীৰ প্ৰকল্প সঞ্চালকজনে নিশ্চুপ হৈ বহি থকা কাৰ্য ৰহস্যজনক হিচাপে চিহ্নিত হৈছে। কালি এক অভিযোগৰ ভিত্তিত বঙাইগাঁৱৰ এটা সাংবাদিকৰ দলে টোলপ্লাজাত ষ্টীং অপাৰেচন চলায় আৰু সাংবাদিকৰ অনুসন্ধানত পোহৰলৈ আহিছে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক অন্ধকাৰত ৰাখি বৃহৎ ৰাজহ ফাকিৰ গোপন তথ্য। যোৱা নিশা এক খবৰৰ ভিত্তিত অনুসন্ধান চলোৱাৰ বাবে চিৰাং জিলাৰ দহলাপাৰাস্থিত টোল গেটত টাটা ডি আই বাহনত সাংবাদিকৰ দল উঠি আহে আৰু টোলগেটত অবৈধভাৱে ধন সংগ্ৰহ কৰা দৃশ্য ছয় পৃষ্ঠাত চাওক

## গভীৰ উৎকণ্ঠাৰে পদূলিলৈ বাট চাই ৰৈছে বৃদ্ধ পিতৃ-মাতৃ-কোলাত চাৰিমহীয়া কেঁচুৱা লৈ পত্নী

## অপহৃত ৰিতুল শইকীয়াৰ মুক্তিক লৈ উৎকণ্ঠ পৰিয়াল



বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা
**নগাবাট/বৰহোলা, ২১ মে’ ঃ** আলফা (স্বাঃ)ৰ মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাই কালি সংবাদ মাধ্যমৰ যোগেদি এশ ঘণ্টাৰ ভিতৰত অ’ এন জি চিৰ অপহৃত কৰ্মচাৰী ৰিতুল শইকীয়া ঘৰলৈ ঘূৰি আহিব বুলি প্ৰকাশ পোৱাৰ পাছতে উৎকণ্ঠিত হৈ পৰিছে পৰিয়ালবৰ্গই। অপহৃত ৰিতুলৰ মুখ চোৱাৰ হেঁপাহত এতিয়া অধিক আগ্ৰহেৰে বাট চাই ৰৈছে বৃদ্ধ পিতৃ-মাতৃ, কোলাত কণমানি কেঁচুৱা লৈ পত্নীসহ ছয় পৃষ্ঠাত চাওক

## ঠিকাদাৰ মিলি ভিচিডিচিৰ সভাপতিয়ে লুটিলে ধন

# বৰবৰীত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ব্যাপক অনিয়ম



অগ্ৰদূত বাৰ্তা
**মুছলপুৰ, ২১ মে’ ঃ** বাগ্‌সা জিলাৰ বৰবৰীত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ নামত ব্যাপক কেলেংকাৰি সংঘটিত হোৱাৰ অভিযোগ উঠিছে। অভিযোগ মতে, ধন আৱণ্টনৰ আঢ়ৈ-তিনি বছৰ পিছতো সম্পূৰ্ণ নহ’ল আৱাস যোজনাৰ গৃহ। জিলাখনৰ বৰবৰী থানাৰ অন্তৰ্গত পাখামাৰা ভিচিডিচিত সংঘটিত হৈছে এই কেলেংকাৰি। জিলাখনৰ ধমধমা উন্নয়ন খণ্ডৰ অন্তৰ্গত উত্তৰ বৰবৰী গাঁৱৰ বীৰেন ৰামচিয়াৰী নামৰ ব্যক্তিজনে আজিৰ পৰা প্ৰায় আঢ়ৈ-তিনি বছৰ পূৰ্বে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ নামত এটি চৰকাৰী আৱাস গৃহ লাভ কৰিছিল। গৃহটো নিৰ্মাণৰ দায়িত্ব লৈছিল পাখামাৰা ভিচিডিচিৰ সভাপতি যামিনী পাটগিৰিয়ে। পাটগিৰিয়ে ঠিকাদাৰক দায়িত্ব দিছিল। ঠিকাদাৰে সামান্য কাম কৰিয়ে সমুদায় টকা আত্মসাৎ কৰে বুলি অভিযোগ উত্থাপিত হৈছে। কিন্তু আজি আঢ়ৈ বছৰ পাৰ হোৱাৰ পাছতো গৃহটো নিৰ্মাণ হোৱাৰ বিপৰীতে ঘৰত ভেটিত হাবি-জংঘলে আবৰি ধৰিছে। ইফালে, বীৰেন ৰামচিয়াৰীয়ে ছয় পৃষ্ঠাত চাওক

## মাণিকপুৰত চুৰিৰ সন্দেহত হাত-ভৰি বান্ধি যুৱকক নিৰ্মমভাৱে প্ৰহাৰ



অগ্ৰদূত ব্যুৰ’
**বঙাইগাঁও, ২১ মে’ ঃ** বঙাইগাঁও জিলাৰ মাণিকপুৰৰ গেৰুকাবাৰীত মৰেল পুলিচগিৰীৰে একাংশ পুৰুষ-মহিলাই এজন যুৱকক অতি নিৰ্মমভাৱে প্ৰহাৰ কৰাৰ ঘটনাই তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছে। আনহাতে, এই সমগ্ৰ ঘটনাৰ ভিডিঅ’ ছচিয়েল মিডিয়াত ভাইৰেল হৈ পৰা উত্তেজনাই বিৰাজ কৰিছে বঙাইগাঁও আৰু চিৰাং জিলাত। তথ্য মতে, গেৰুকাবাৰী আৰক্ষী থানাৰ অন্তৰ্গত গৰাইমাৰীত কালি বিয়লি এজন যুৱকক চুৰিৰ সন্দেহত অমানৱীয় অত্যাচাৰ চলায় একাংশ লোকে। অভিযোগ মতে, চিৰাং জিলাৰ বিজনী চহৰৰ নিকটৱৰ্তী কাউয়াটিকাৰ আবেদ আলী নামৰ যুৱকজনে গৰাইমাৰীৰ পৰা ঘৰলৈ গৈ থকাৰ পথত পূৰ্বৰে পৰা খাপ পিটি থকা একাংশ লোকে যুৱকজনক চুৰি কৰা বুলি সন্দেহ কৰি ধৰি বান্ধি লৈ নিৰ্মমভাৱে প্ৰহাৰ কৰে। হাত-ভৰি বান্ধি লৈ মৰেল পুলিচগিৰী কৰা ছয় পৃষ্ঠাত চাওক

## শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন প্ৰচাৰ সম্পাদক কেশৱ মোহন কলিতাৰ মৃত্যু



অগ্ৰদূত বাৰ্তা
**বৰভাগ/নলবাৰী, ২১ মে’ ঃ** নলবাৰী জিলাৰ বৰভাগৰ কমাৰকুছি গাঁৱত ১৯৫০ত জন্মগ্ৰহণ কৰা কেশৱ মোহন কলিতা(৭১)ৰ আজি পুৱাৰ ভাগত গুৱাহাটীৰ এখন ব্যক্তিগত হাস্পতালত ক’ভিড আক্ৰান্ত হৈ মৃত্যু হয়। সমাজকৰ্মী, তথা শংকৰদেৱ সংঘৰ একান্ত সেৱক কলিতাই ১৯৭২ত স্থানীয় কমাৰকুছি উচ্চ মাধ্যমিক বিদ্যালয়ত উচ্চ বৰ্গৰ সহায়ক হিচাপে চাকৰি জীৱন আৰম্ভ কৰি একান্ত নিষ্ঠাৰে কাৰ্য সম্পাদন কৰি ২০১০ৰ ডিচেম্বৰত তাৰ পৰা অৱসৰ গ্ৰহণ কৰে। সম্প্ৰতি নলবাৰীৰ মালিকুছিত স্থায়ীভাৱে থাকিবলৈ লোৱা কলিতাই মৃত্যুৰ সময়লৈকে সামাজিকভাৱে বিভিন্ন ক্ষেত্ৰত সেৱা আগবঢ়াই গৈছিল। উল্লেখ্য যে ছয় পৃষ্ঠাত চাওক

# হোজাইত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ আটক ছয়



অগ্ৰদূত বাৰ্তা
**হোজাই/যমুনামুখ, ২১ মে’ ঃ** দুদিন পূৰ্বে হোজাই নখুটিত গাঞ্জাসহ এজনক আটক কৰাৰ পাছত আজি হোজাইত ব্ৰাউন ছুগাৰ আৰু নিচাযুক্ত টেবলেটসহ দুই ড্ৰাগছ ব্যৱসায়িক আটক কৰে হোজাই আৰক্ষীয়ে। হোজাইৰ উপ-আৰক্ষী অধীক্ষক দীপ্তি মালী আৰু ভাৰপ্ৰাপ্ত বিষয়া গৌতম কুমাৰৰ নেতৃত্বত জিলা আৰক্ষীৰ চাইবাৰ কোষৰ সহযোগত আজি দিনৰ প্ৰায় ১১ বজাত হোজাই হাম হাস্পতালৰ সন্মুখৰ পৰা প্ৰায় দুই লাখ টকা মূল্যৰ ব্ৰাউন ছুগাৰসহ এজন লোকক আটক কৰে। হোজাই আৰক্ষীয়ে এখন বিলাসী গাড়ীৰ স’তে আটক কৰা ড্ৰাগছ ব্যৱসায়ীজন হ’ল হোজাইৰ নামডবকা গাঁৱৰ আচাৰ উদ্দিনৰ পুত্ৰ চাহাব উদ্দিন। হোজাই আৰক্ষীয়ে চাহাব উদ্দিনে চলাই অহা এ এছ-০৩ জেদ-৪১৪৪ নম্বৰৰ বিলাসী গাড়ী এখন জব্দ কৰিছে। ধৃত চাহাব উদ্দিনৰ পৰা আৰক্ষীয়ে প্ৰায় ২৮ গ্ৰাম ব্ৰাউন ছুগাৰ জব্দ কৰে। ইফালে আৰক্ষীয়ে আটক কৰা লোকজনৰ স্বীকাৰোক্তিৰ ভিত্তিত হোজাই গোবিন্দপল্লীৰ সমীৰ সৰকাৰৰ পুত্ৰ মিথুন সৰকাৰ নামৰ আন এজন ছয় পৃষ্ঠাত চাওক

## ধনশিৰিত পুৰোহিত হত্যাত অভিযুক্ত দুই যুৱকক গ্ৰেপ্তাৰ



বিশেষ সংবাদদাতা
**ডিফু, ২১ মে’ ঃ** যোৱা ১৯ মে’ত ধনশিৰিত এগৰাকী পুৰোহিতক সন্দেহযুক্ত ডিএনএলএ উগ্ৰপন্থীয়ে গুলীয়াই হত্যা কৰিছিল। অঞ্চলটোত বিগত কিছু বছৰ ধৰি ডিমাচা উগ্ৰপন্থী সংগঠনটোৱে ব্যাপক হাৰত ধনদাবীৰ লগতে কে’বাটাও চাঞ্চল্যকৰ হত্যাকাণ্ড সংঘটিত কৰিছিল। আৰক্ষীয়ে বিগত কিছু দিন ধৰি উগ্ৰপন্থী সংগঠনটোৰ বিৰুদ্ধে তীব্ৰ অভিযান চলাই আছে। এই সংক্ৰান্তত আৰক্ষীয়ে হাফজানৰ পৰা দুজন সন্দেহযুক্তক আটক কৰিবলৈ সক্ষম হৈছে। আটক কৰা যুৱক দুজন ধনশিৰিৰ শিৱ নগৰৰ বীৰে থাউছেনৰ পুত্ৰ নৱজিৎ থাউছেন আৰু ৰিংছা লাংথাছাৰ পুত্ৰ পলিছ লাংথাছা বুলি জানিব পৰা গৈছে। জিলাখনৰ শীৰ্ষ আৰক্ষী সূত্ৰে জানিব পৰা মতে, আৰক্ষীয়ে অঞ্চলটোত অভিযান অব্যাহত ৰাখিছে।

## মানজাত পথ দুৰ্ঘটনাত মহিলাৰ মৃত্যু

বিশেষ সংবাদদাতা
**ডিফু/বকলীয়াঘাট, ২১ মে’ ঃ** ডিফু-মানজা পথত নিশা সংঘটিত এক স্কুটী দুৰ্ঘটনাত মন্দিৰা হাঞ্চেপী নামৰ এগৰাকী মহিলাৰ মৃত্যু হয়। আৰক্ষীৰ ভাষ্য অনুসৰি, এএছ-০৯-০১৩১ নম্বৰৰ স্কুটীখনে নিয়ন্ত্ৰণ হেৰুৱাই ডিফু-মানজা পথৰ বৌদ্ধ মন্দিৰৰ ওচৰত দুৰ্ঘটনা পতিত হয় আৰু মহিলাগৰাকীৰ মৃত্যু হয়। মহিলাগৰাকীয়ে স্কুটীখন চলাই যোৱাৰ সময়ত স্কুটীখনৰ আৰোহী আছিল লংকিৰি টেৰণ নাম এজন লোক। স্কুটীখনৰ গৰাকীও তেওঁৱে। কিন্তু দুৰ্ঘটনা সংঘটিত হোৱাৰ পিছত মহিলাগৰাকীৰ মৃত্যু হোৱাত তেওঁ মহিলাগৰাকীক তাতে এৰি নিজৰ স্কুটী লৈ ছয় পৃষ্ঠাত চাওক

## চাৰিটা বছৰেই নিৰ্মাণ অসম্পূৰ্ণ হৈ ৰ’ল বাগ্‌সাৰ এখন পকী দলং



অগ্ৰদূত বাৰ্তা
**শালবাৰী, ২১ মে’ ঃ** বাগ্‌সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত বৃহত্তৰ খাৰিজা বিজনী মৌজাৰ বৰপেটা-মিলন বজাৰ-বৰপেটাৰোড সংযোগী পথৰ উল্টেখুন্দাত চাৰি বছৰ পূৰ্বে বিটিচিত হাগ্ৰামা মহিলাৰীৰ শাসন চলি থাকোতেই উক্ত স্থানত থকা জৰাজীৰ্ণ কাঠৰ দলংখন ছয় পৃষ্ঠাত চাওক

## ব্লেক ফাংগাছ মহামাৰী হ’ব নোৱাৰে ঃ চিকিৎসকৰ দাবী

# ৫১-৭০ বছৰৰ লোকৰ ক’ভিডত সৰ্বাধিক মৃত্যু



ষ্টাফ ৰিপ’ৰ্টাৰ
**গুৱাহাটী, ২১ মে’ ঃ** ক’ভিড সংক্ৰমণৰ সমান্তৰালভাৱে দেশজুৰি আতংক সৃষ্টি কৰা ব্লেক ফাংগাছ তথা মিউক’ৰমাইক’ছিছ’ক যিটো সময়ত কেন্দ্ৰীয় চৰকাৰে মহামাৰীৰূপে ঘোষণা কৰিছে তাৰ মাজতে আজি স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ উপস্থিতিত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপক ডাঃ বসন্ত হাজৰিকাই ব্লেক ফাংগাছ মহামাৰী হ’ব নোৱাৰে বুলি মন্তব্য কৰিছে। উল্লেখ্য যে ৰাজ্যত শেহতীয়াকৈ ব্লেক ফাংগাছত আক্ৰান্ত হৈ এজন যুৱকৰ মৃত্যুৰ হোৱাৰ পাছতে সমগ্ৰ বিষয়টো অধ্যয়ন কৰিবলৈ স্বাস্থ্য বিভাগে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ পাঁচটাকৈ বিভাগৰ মুৰব্বীক লৈ এখন বিশেষজ্ঞ সমিতিক গঠন কৰিছিল। এই সমিতিৰ অংশীদাৰ আছিল গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ অচ্যুৎ বৈশ্য আৰু অধ্যাপক ডাঃ বসন্ত হাজৰিকা। সমিতিখনে প্ৰতিবেদন দাখিল কৰাৰ পাছত আজি স্বাস্থ্যমন্ত্ৰীয়ে দুয়োজনক লগত লৈ এক সংবাদমেল সম্বোধন কৰে আৰু এই সংবাদমেলতে ব্লেক ফাংগাছ কোনো ভয় কৰিবলগীয়া ৰোগ নহয় বুলি মত পোষণ কৰে ডাঃ হাজৰিকাই। তেওঁ কয়, ‘ব্লেক ফাংগাছ এনেকুৱা ভাইৰাছ ই এক লাখ-ডেৰ লাখৰ মানুহৰ ভিতৰত এজনৰহে হ’ব পাৰে। মাটি-পানী-বায়ু সকলোতে ই ঘূৰি ফুৰে। ই সাধাৰণ মানুহক কেতিয়াও আক্ৰমণ নকৰে। যিবিলাক মানুহ অনিয়ন্ত্ৰিত মধুমেহত আক্ৰান্ত, কেন্সাৰত আক্ৰান্ত হৈ কেম’ লৈ থাকে, বৃক্ক সলনি কৰা লোক আদিকহে ই আক্ৰমণ কৰিব পাৰে। ইয়াৰ লক্ষণসমূহ হ’ল, ই হাওঁফাওঁত আক্ৰমণ কৰে আৰু উশাহ লোৱাত কষ্ট হয়, কাহত তেজ ওলাব পাৰে। স্ক্ৰীণত আক্ৰমণ কৰে আৰু সেই স্থান ক’লা হৈ পৰে।’ ক’ভিডৰ লগত এই ৰোগৰ পোনপটীয়া যোগসূত্ৰ নাই বুলি জ্যেষ্ঠ চিকিৎসকজনে সদৰী কৰি পুনৰ কয় যে উল্লিখিত ৰোগত আক্ৰান্ত ক’ভিড ৰোগীৰ ক্ষেত্ৰতহে এই ৰোগে আক্ৰমণ কৰিব পাৰে। সেয়া ক’ভিড বুলি নহয়, ক’ভিড নহ’লেও হ’ব পাৰে। এই ৰোগৰ চিকিৎসা ব্যৱস্থা আছে। সেয়ে ব্লেক ফাংগাছক লৈ চিন্তা কৰিবলগীয়া একো কাৰণ নাই আৰু এই ৰোগ মহামাৰী হ’ব নোৱাৰে বুলি তেওঁ কয়। উল্লেখ্য যে এই ভাইৰাছ এজনৰ পৰা আনজনলৈ সংক্ৰমণ নহয় আৰু ই বায়ুমণ্ডলতে থাকে বুলি ডাঃ হাজৰিকাই উল্লেখ কৰি ছয় পৃষ্ঠাত চাওক

## বৰভাগত মথুৰাচল পথৰ জৰাজীৰ্ণ অৱস্থা

অগ্ৰদূত বাৰ্তা
**বৰভাগ, ২১ মে’ ঃ** বৰক্ষেত্ৰী সমষ্টিৰ বৰভাগৰ জনসাধাৰণৰ যাতায়াতৰ এটি গুৰুত্বপূৰ্ণ পথ মৌৰা-ৰাইমাধা-দোকোহা মথুৰা চল পথ। এই পথটোৰ অঞ্চলটোৰ কে’বাখনো গাঁৱৰ জনসাধাৰণে যাতায়াত কৰে। উক্ত পথটোৱে অঞ্চলটোৰ স্কুল, কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এই পথটোৰ বাহিৰে আন কোনো বিকল্প পথ নাই। তৎসত্বেও এই পথটোৰ প্ৰতি বিশেষ গুৰুত্ব দিয়া নাই সংশ্লিষ্ট বিভাগে। উল্লেখ্য যে পথটোৰ উন্নয়নৰ বাবে বিগত বছৰত ঠায়ে ঠায়ে মেৰামতি কৰি পুনৰ পকীৰণৰ ব্যৱস্থা কৰিলে যদিও মৌৰা চ’কৰ পৰা ক্ষুদ্ৰ ছয় পৃষ্ঠাত চাওক

## গাঁঠিৰ ধন ভাঙি ছেনিটাইজ কৰিছে অনুষ্ঠান-প্ৰতিষ্ঠান

### ব্যৱসায় এৰি কৰ’না যুঁজত নামিছে ঘগ্ৰাপাৰৰ যুৱক নাচিকুৰ



বিশেষ সংবাদদাতা
**নলবাৰী, ২১ মে’ ঃ** ক’ভিড পৰিস্থিতিত সাৱধান আৰু একপ্ৰকাৰ সন্ত্ৰস্ত হৈ যি সময়ত ৰাইজ পৰাপক্ষত ঘৰৰ বাহিৰ নোলোৱাকৈ আছে সেই সময়ত নলবাৰীৰ এজন যুৱকে নিজৰ জীৱনক তুচ্ছ কৰিও হাতত ছেনিটাইজাৰ লৈ ঘূৰি ফুৰিছে ৰাইজক সকাহ দিয়াৰ বাবে। আনকি তেওঁ ইয়াৰ বাবে কোনো চৰকাৰী সংস্থাৰ সহায়-সাহায্যলৈও অপেক্ষা কৰি নাথাকি সুদত ঋণ লৈ প্ৰতিদিন ছেনিটাইজ কৰি গৈছে এখনৰ পাছত আনখন অনুষ্ঠান-প্ৰতিষ্ঠান। এই যুৱকজন নলবাৰী ঘগ্ৰাপাৰৰ বাঘমাৰা গাঁৱৰ চৈয়দ নাচিকুৰ ৰহমান। প্ৰয়াত আলহাজ মকিবৰ ৰহমান আৰু গোলবাহাৰ বেগমৰ পুত্ৰ নাচিকুৰে হাইস্কুল আৰু ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ৭ জেঠ ১৪২৮ ভাস্কৰাব্দ ২২ মে' ২০২১

# ‘পেটেণ্ট’ প্ৰত্যাহাৰ কৰক

যোৱা এপ্ৰিলতে কেন্দ্ৰীয় চৰকাৰে দেশত ক'ভিড-১৯ৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে ‘টিকাকৰণ উৎসৱ’ আৰম্ভ কৰিছিল। সেই সময়ত চৰকাৰে ঘোষণা কৰিছিল যে দেশত দ্ৰুত টিকাকৰণৰ জৰিয়তে সকলো নাগৰিককে ক'ভিডৰ প্ৰতিষেধক প্ৰদান কৰা হ'ব। টিকা ল'বলৈ দেশবাসীক আগবাঢ়ি আহিবলৈকো চৰকাৰে আহ্বান জনাইছিল; কিন্তু বাস্তৱত এতিয়া দেশবাসীয়ে টিকা বিচাৰি হাহাকাৰ কৰিব লগা পৰিস্থিতিৰ উদ্ভৱ হৈছে। চৰকাৰে ‘টিকাকৰণ উৎসৱ’ আৰম্ভ কৰা দিনৰে পৰা দেশত ক'ভিড প্ৰতিষেধকৰ যি নাটনিয়ে দেখা দিছিল, সেয়া এই মুহূৰ্তলৈকে আঁতৰ হোৱা নাই। এনে পৰিস্থিতিতে ছিৰাম ইনষ্টিটিউটৰ মুৰব্বী আডৰ পুনাৱালাই স্পষ্টভাৱে কৈছে যে ভাৰতত আগন্তুক দুই-তিনি মাহৰ ভিতৰত সকলোকে টিকা প্ৰদান কৰাটো কেতিয়াও সম্ভৱ নহ'ব। দেশৰ সকলো নাগৰিকৰ টিকাকৰণ সম্পন্ন কৰিবলৈ দুইৰ পৰা তিনি বছৰ সময়ৰ প্ৰয়োজন হ'ব বুলিও পুনাৱালাই জানিবলৈ দিছে। উল্লেখ্য যে ছিৰাম ইনষ্টিটিউটে ‘ক'ভিশ্বিল্ড’ নামৰ কৰ'নাৰ টিকা দেশত উৎপাদন কৰিছে। ক'ভিশ্বিল্ডৰ উপৰি ভাৰতত কৰ'নাৰ টিকাকৰণত ‘ক'ভাক্সিন’ নামৰ আন এবিধ দেশীয় প্ৰতিষেধক ব্যৱহাৰ কৰিছে আৰু শেহতীয়াভাৱে সীমিত পৰিসৰত ক'ভিডৰ তৃতীয়টো প্ৰতিষেধক হিচাপে ৰাছিয়াৰ পৰা আমদানি কৰা ‘স্পুটনিক-ভি'ৰ প্ৰয়োগ আৰম্ভ হৈছে; কিন্তু ইয়াৰ পাছতো দেশত দৈনিক টিকাকৰণ বৃদ্ধিৰ পৰিৱৰ্তে হ্ৰাসহে পাইছে। ই নিশ্চিতভাৱে এক উদ্বেগৰ বিষয়।

ভাৰতৰ দৰে বিশাল জনসংখ্যাৰ দেশত দুই-তিনিমাহৰ ভিতৰত এক টিকাকৰণ অভিযান সম্পন্ন কৰিব নোৱাৰাটো অস্বাভাৱিক নহয়। কিয়নো টিকাকৰণৰ বাবে বৃহৎ পৰিমাণৰ প্ৰতিষেধকৰ প্ৰয়োজন হ'ব আৰু মাত্ৰ দুই-তিনিটা প্ৰতিষ্ঠানৰ ইমান বিপুল সংখ্যক টিকা কম সময়ত উৎপাদন কৰাটো সম্ভৱ নহ'ব। সেয়েহে চৰকাৰে নিৰ্দিষ্ট সময়ৰ ভিতৰত দেশবাসীৰ ক'ভিড টিকাকৰণ সম্পূৰ্ণ কৰাব বিচাৰিলে প্ৰতিষেধক উৎপাদনৰ দায়িত্ব অধিক সংখ্যক প্ৰতিষ্ঠানক অৰ্পণ কৰাৰ গত্যন্তৰ নাই। ইতিমধ্যে কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে চৰকাৰক পৰামৰ্শ দি কৈছে যে দেশত টিকা উৎপাদনৰ দায়িত্ব কমেও ১০টা কোম্পানীক দিয়া উচিত। কেন্দ্ৰীয় মন্ত্ৰীজনে লগতে ক'ভিড প্ৰতিষেধকৰ ‘পেটেণ্ট’ বা স্বত্বও প্ৰত্যাহাৰ দাবী জনাইছে। ক'ভিডৰ প্ৰতিষেধকৰ ‘পেটেণ্ট’ প্ৰত্যাহাৰৰ প্ৰস্তাৱ অৱশ্যে ভাৰতেই প্ৰথমে আগবঢ়াইছিল আৰু বিশ্বৰ আন কে'বাখনো দেশে এই প্ৰস্তাৱলৈ সঁহাৰি দিছিল; কিন্তু এতিয়ালৈকে কোনো দেশতে টিকাৰ ফৰ্মূলাৰ স্বত্ব প্ৰত্যাহাৰ কৰা হোৱা নাই। ছিৰাম ইনষ্টিটিউটৰ মুৰব্বী পুনাৱালাই দেশত সম্পূৰ্ণ টিকাকৰণৰ বাবে দুই-তিনি বছৰ সময়ৰ প্ৰয়োজন হ'ব বুলি কৰা মন্তব্যৰ পৰাই বুজিব পাৰি যে টিকাৰ ‘পেটেণ্ট’ প্ৰত্যাহাৰ কৰি আন আন কোম্পানীকো দেশত প্ৰতিষেধক প্ৰস্তুতকৰণৰ অনুমতি দিয়াৰ বিকল্প নাই। অন্যথা মাত্ৰ দুই-তিনিটা প্ৰতিষ্ঠানৰে দেশত বৰ্তমানৰ গতিত টিকাৰ উৎপাদন বাহাল থাকিলে দেশৰ সকলো নাগৰিকে টিকা পাবলৈ কিমান বছৰ অপেক্ষা কৰিব লাগিব, তাৰ কোনো নিশ্চয়তা নাই। এনে পৰিস্থিতিত যদি দেশত ক'ভিডৰ তৃতীয়, চতুৰ্থ আদি ঢৌৰ আগমন ঘটে, তেন্তে পৰিস্থিতি কিমান ভয়াৱহ হ'ব পাৰে সেয়া সহজে অনুমেয়।

দেশত এতিয়ালৈকে ১৮ বছৰ ঊৰ্ধৰ লোককহে টিকা প্ৰদানৰ অনুমতি দিয়া হৈছে; কিন্তু টিকাৰ নাটনিৰ ফলত এই বয়সৰ বহু লোকেই বৰ্তমানলৈকে প্ৰতিষেধক লাভ কৰিবলৈ সক্ষম হোৱা নাই; কিন্তু উদ্বেগজনক কথাটো হৈছে ক'ভিডৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌত দেশৰ যুৱ প্ৰজন্ম আৰু শিশু যথেষ্ট প্ৰভাৱিত হৈছে। কেৱল কৰ্ণাটকতে ক'ভিডৰ দ্বিতীয় ঢৌত বিগত দুমাহত যি ২,৪৬৫ জন লোকৰ মৃত্যু হৈছিল এইসকল মৃতকৰ ৫৬ শতাংশৰে বয়স আছিল ২০-৪৯ বছৰৰ ভিতৰত। এই পৰিসংখ্যাৰ পৰাই বুজিব পাৰি যুৱ প্ৰজন্মৰ মাজত কৰ'না সম্প্ৰতি কিমান ভয়ংকৰ হৈ উঠিছে। স্বাস্থ্য বিশেষজ্ঞই শংকা প্ৰকাশ কৰি কৈছে যে ক'ভিডৰ তৃতীয়টো ঢৌৱে দেশৰ শিশু আৰু কিশোৰৰ সৰ্বাধিক ক্ষতি কৰাৰ শংকা আছে। এনে সম্ভাব্য পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে টিকাৰ উৎপাদন বৃদ্ধি আৰু সকলো বয়সৰ লোকৰ টিকাকৰণ নিশ্চিত কৰাটো জৰুৰী হৈছে। ইতিমধ্যে ছিংগাপুৰ, সংযুক্ত আৰব আমিৰশ্বাহীত ১২-১৫ বছৰ বয়সীয়া লোকসকলক টিকা প্ৰদানৰ অনুমতি দিয়া হৈছে। আমেৰিকাতো কিশোৰসকলক টিকাকৰণৰ আওতালৈ অনা হৈছে। ভাৰতেও শিশু-কিশোৰক ক'ভিডৰ সম্ভাব্য সংক্ৰমণৰ পৰা সুৰক্ষিত ৰাখিবলৈ হ'লে টিকাকৰণৰ ব্যৱস্থা লোৱা উচিত। টিকাৰ বিপুল উৎপাদনৰ ব্যৱস্থা নকৰিলে দেশত প্ৰতিষেধকৰ নাটনি অব্যাহত থকাটোৱে স্বাভাৱিক। সময় থাকোতেই চৰকাৰে উচিত সিদ্ধান্ত লওক।

## খোলা মঞ্চ

# আলফাৰ কাৰ্য-কলাপে অসমীয়া জাতিক সহায় কৰিছেনে?



**১৯৭৯ত** অসম আন্দোলন আৰম্ভ হোৱাৰ সমান্তৰালভাৱেই সংগঠিত হোৱা সশস্ত্ৰ সংগঠনটোৰ নামেই হৈছে সংযুক্ত মুক্তি বাহিনী, অসম, চমুকৈ আলফা। আহোম শাসনৰ ঐতিহাসিক চিহ্ন ৰংঘৰৰ বাকৰিত জন্ম হোৱা আলফাই ‘স্বাধীন অসম’ৰ দাবীত সশস্ত্ৰ সংগ্ৰাম গঢ়ি তোলে। ১৯৮৫ৰ ‘অসম চুক্তি’ সম্পাদিত হোৱাৰ পাছত ক্ষমতালৈ অহা অসম গণ পৰিষদ দলৰ শাসন কালত আলফাই প্ৰায় মুক্তভাৱেই নিজৰ সাংগঠনিক কাম-কাজ চলোৱাৰ সুবিধা লাভ কৰিছিল। কেন্দ্ৰৰ অৱহেলা আৰু বৈষম্যমূলক আচৰণৰ বলি হৈ অহা অসমৰ বৃহৎ সংখ্যক যুৱকক সশস্ত্ৰ সংগ্ৰামে আকৃষ্ট কৰিবলৈ ধৰে। ‘স্বাধীন অসম’ গঢ়াৰ লক্ষ্যৰে বহু অসমীয়া যুৱক আৱেগিকভাৱে এই সংগঠনত সাঙোৰ খাই পৰিছিল। এই সশস্ত্ৰ সংগ্ৰামীসকলে ম্যানমাৰ তথা বাংলাদেশত নিজৰ

**পিকুমণি হালৈ,** কবি

ঘাটি প্ৰতিষ্ঠা কৰিবলৈকো সক্ষম হয়। প্ৰথমাৱস্থাত আলফাই বিভিন্ন জনকল্যাণমূলক কাম-কাজত আগ-ভাগ লয় আৰু জনসাধাৰণৰ মাজত ব্যাপক সমাদৰ লাভ কৰিবলৈ সক্ষম হয়; কিন্তু এনে সময়তে আলফাই ভাৰত ৰাষ্ট্ৰৰ বিৰুদ্ধে বিভিন্ন প্ৰত্যাহ্বান গঢ়ি তোলে। হত্যা-হিংসা, অপহৰণ আদি ঘটনাই বাতৰি কাকতৰ শিৰোনাম দখল কৰিবলৈ ধৰে। আলফাৰ কাৰ্যকলাপ ৰোধ কৰাত অসম গণ পৰিষদৰ চৰকাৰ ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপন হোৱাৰ লগতে আলফা দমনৰ বাবে ‘অপাৰেছন ৰাইনো’, ‘অপাৰেছন বজৰং’ আদি সামৰিক অভিযানো গঢ়ি তোলা হয়।

ক্ৰমান্বয়ে আলফাত অধিক বিভাজন সংঘটিত হ'বলৈ ধৰে। আলফাৰ সশস্ত্ৰ গোটত থকা একাংশ নেতা আঁতৰি আহি ‘আলোচনাপন্থী আলফা গোট’ প্ৰতিষ্ঠা কৰে। শেষলৈ অসমীয়াৰ আশা-আকাংক্ষাবোৰ পূৰণ কৰিবলৈ নোৱৰাৰ বাবে লাহে লাহে সংগঠনটোৰ প্ৰতি অসমীয়াৰ যি আস্থা সেই আস্থা নোহোৱা হৈ যোৱা পৰিলক্ষিত হয়।

**বিপ্লৱৰ নামত নিৰীহজনৰ নিঠৰ দেহ চাবলৈ পোৱাটো আমাৰ কাৰোৰে কাম্য নহয়**

জাতিৰ উত্থানৰ বাবে আৱেগৰ বশৱৰ্তী হৈ কোনো ব্যক্তি বিশেষ বা সংগঠনে পৰিৱৰ্তন আনিব নোৱাৰে। জাতিৰ উত্তৰণৰ বাবে বিপ্লৱৰ সূচনা কৰিবলৈ গৈ যদি নিৰীহজনৰ প্ৰাণহানি হয়, পিতৃ-মাতৃ পুত্ৰহাৰা হয়, অকালতে বহু নাৰী স্বামীহাৰা হ'বলগীয়া হয়, তেনে বিপ্লৱে কেতিয়াও ‘স্বাধীন অসম’ গঢ়ি তুলিব নোৱাৰে। বিপ্লৱৰ নামত নিৰীহজনৰ নিঠৰ দেহ চাবলৈ পোৱাটো আমাৰ কাৰোৰে কাম্য নহয়।

বৰ্তমান বিশ্বত কৰ'না মহামাৰীয়ে যি ত্ৰাসৰ সৃষ্টি কৰিছে, সেই কথা সকলোৰে জ্ঞাত। এই ভয়াৱহ সময়ত হেজাৰ হেজাৰ লোকে আত্মীয়-স্বজনক অকালতে হেৰুৱাই শোকত ম্ৰিয়মান হৈ আছে। তেনেস্থলত কৰ্তব্যৰত বিষয়াক পণবন্দী কৰি ৰাখি পৰিয়াল তথা চৰকাৰ-প্ৰশাসনক ভীতিগ্ৰস্ত কৰি তোলাটো কাৰোৰে গ্ৰহণযোগ্য নহয়। গতিকে, স্বাধীন অসমৰ সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ গৈ সাধাৰণ জনতাৰ মাজত সমস্যাৰ সৃষ্টি কৰাত চৰকাৰৰ লগত শান্তিপূৰ্ণ আলাপ-আলোচনাৰ মাধ্যমেৰে সঠিক সিদ্ধান্তত উপনীত হোৱা ৰাজ্যখনৰ উত্তৰণৰ প্ৰতি সজাগ প্ৰত্যেকজন অসমীয়াৰ কাম্য বুলি ভাবো।

ফোন : ৯৩৬৫৬৮৪৪৮৫

# নিজেই সোঁত সৃষ্টি কৰা মহীৰুহ গৰাকী



বিশিষ্ট সাহিত্যিক আৰু সাংবাদিক হোমেন বৰগোহাঞিৰ দেহাৱসান ঘটাৰ দুঃখবৰটো ২০২১ৰ ১২ মে'ত পুৱাতে বিয়পি পৰিছিল। এনে এক অপ্ৰত্যাশিত খবৰে সমগ্ৰ অসমবাসীৰ মলগতে আমাকো শোকবিহ্বল কৰি তুলিছে। বৃহত্তৰ অসমীয়া জাতিৰ বাবে এয়া এক চৰম দুখৰ মুহূৰ্ত। এটা বৰ্ণাঢ্য জীৱনেৰে জাতিটোক বৌদ্ধিক নেতৃত্ব দিয়া এইজনা পুৰোধা ব্যক্তিৰ অসংখ্য স্মৃতিৰে সমগ্ৰ অসম আজি ম্ৰিয়মান হৈ পৰিছে। অসমৰ বৌদ্ধিক ক্ষেত্ৰখনলৈ হিমালয় সদৃশ বৰঙণি আগবঢ়াই আমাৰ জাতীয় জীৱনৰ সুউচ্চ আৰু অতুলনীয় এখন আসন তেওঁ অধিকাৰ কৰিছিল।

নিজৰ জীৱন চৰ্যাৰ দ্বাৰা বৰগোহাঞি জাতিটোৰ বাবে এক উজ্জ্বল আদৰ্শ স্বৰূপ হৈ উঠিছিল। এটা অধ্যয়ন পিপাসু মন, কঠোৰ সময়ানুবৰ্তিতা, পৰিমিত জীৱন যাপন, নিয়মানুৱৰ্তিতা, স্পষ্টবাদিতা, মহানুভৱতা, মহৎ চিন্তা আৰু কৰ্মৰ জৰিয়তে গঢ়ি উঠা তেওঁৰ প্ৰোজ্জ্বল ব্যক্তিত্বই প্ৰতিটো প্ৰজন্মকে উদ্বুদ্ধ কৰে আৰু ভৱিষ্যতেও উদ্বুদ্ধ কৰি থাকিব।

প্ৰায় ৫৩ বছৰীয়া সংবাদ সেৱাৰে অসমৰ সাংবাদিকতাৰ ক্ষেত্ৰখনক বৰগোহাঞিয়ে নিৰ্ভীক আৰু নীতিনিষ্ঠ সাংবাদিকতাৰে সমৃদ্ধ কৰি থৈ গৈছে। সংবাদ সেৱাৰ ক্ষেত্ৰত তেওঁ গঢ়ি থৈ যোৱা পৰম্পৰাৰে আমাৰ জাতিটো চিৰদিন চহকী হৈ থাকিব। অসম সাহিত্য সভাৰ নেতৃত্ব বহন কৰি বৰগোহাঞিয়ে অসমীয়া সাহিত্যৰ ক্ষেত্ৰলৈ আগবঢ়াই থৈ গৈছিল বিশ্বকোষৰ দৰে অমূল্য সম্পদ। বিশ্বকোষ প্ৰকল্পৰ জৰিয়তে অসমীয়াসকলৰ জাতীয় মৰ্যাদা উচ্চ শিখৰলৈ গতি কৰিছিল। তদুপৰি নিজৰ স্বাভাৱিক প্ৰতিভাৰে তেওঁ সংবাদ আৰু সাহিত্যৰ ক্ষেত্ৰত বহুতো নবীন প্ৰতিভাৰ জন্ম দিছিল। মানৱ সম্পদ সৃষ্টি কৰাৰ এই মহৎ কৰ্মযজ্ঞৰ দ্বাৰা তেওঁ হৈ পৰিছিল একক আৰু অনন্য। তদুপৰি আৰ্ত আৰু মুমূৰ্ষুজনৰ বাবে তেওঁ আছিল কৰুণাৰ অনাবিল স্ৰোত। অসমত ‘কৰুণাধাৰা’ আন্দোলনৰ গুৰি ধৰি তেওঁ কৰুণাৰে দ্ৰৱীভূত নিজৰ এখন অসামান্য অন্তৰৰ চিনাকি দাঙি ধৰিছিল। তেওঁ আছিল এগৰাকী কৰ্মৰ উপাসক। তেওঁৰ নিজৰ ভাষাতেই কামেই হ'ল জীৱনৰ শ্ৰেষ্ঠতম উপাসনা।

**হিমন্ত বিশ্ব শৰ্মা**

বৰগোহাঞিৰ অসামান্য সাহিত্যিক অৱদানৰ বাবে তেওঁক প্ৰকাশন পৰিষদ বঁটা আৰু সাহিত্য অকাডেমী বঁটাৰে সন্মানিত কৰা হৈছিল। অসম চৰকাৰৰ শংকৰদেৱ বঁটাৰে তেওঁ বিভূষিত হৈছিল। তদুপৰি অসমৰ বহুতো প্ৰখ্যাত সংস্থাই অগণন বঁটাৰে তেওঁক সন্মানিত কৰিছিল। সকলোবোৰ বঁটাৰ উৰ্ধ্বত আছিল তেওঁৰ প্ৰতি অগণন জনতাৰ অকৃত্ৰিম শ্ৰদ্ধা। সেই শ্ৰদ্ধাৰ উৎস আছিল পাঠকসকলৰ হৃদয়, যাক তেওঁৰ গদ্যই স্পৰ্শ কৰিছিল। এক অসামান্য অথচ পৰিমিত গদ্যশৈলীৰে তেওঁ অসমীয়া ভাষাৰ সৌন্দৰ্য আৰু শক্তিক তৰ্কাতীতভাৱে প্ৰতিষ্ঠা কৰি থৈ গৈছে।

তেওঁৰ স'তে মোৰ বহুদিনীয়া সম্বন্ধৰ এক আত্মিক বন্ধন আছিল। ‘অসমবাণী’ৰ সম্পাদক হৈ থকা কালত বহুদিন মই তেওঁৰ সান্নিধ্যৰে ধন্য হৈছিলো। তাৰ পৰৱৰ্তী কালত বহুদিন তেওঁৰ ঘৰলৈ গৈ বিভিন্ন বিষয়ৰ কথা-বতৰা পতাৰ মোৰ সৌভাগ্য হৈছিল। ক'বলৈ গ'লে মোৰ শৈশৱৰ পৰা ৰাজ্যৰ মুখ্যমন্ত্ৰিত্বৰ প্ৰথম দিনটোলৈকে মোৰ সমগ্ৰ জীৱন পৰিক্ৰমাটো বৰগোহাঞিৰ চকুৰ সন্মুখত আগবাঢ়িছিল। কেতিয়াবা সন্মুখত বহুৱাই লৈ তেওঁ মোক সমালোচনা কৰিছিল আৰু পথচ্যুত হোৱাৰ আগজাননী পোৱা যেন দেখিলে মোৰ প্ৰতি সুপৰামৰ্শ দাঙি ধৰিছিল। মোৰ প্ৰতিখন কিতাপৰ প্ৰতিটো পৃষ্ঠা তেওঁ পঢ়িছিল আৰু তেওঁৰ অনুভৱক লিখিত ৰূপত ব্যক্ত কৰিছিল। কেতিয়াবা তেওঁ মোলৈ একোখন পত্ৰ প্ৰেৰণ কৰিছিল এইবাবেই যে তেওঁৰ কথাই যাতে মোৰ মনত স্থায়ীভাৱে ৰেখাপাত কৰিব পাৰে। মোৰ দৃষ্টিত তেওঁ আছিল সঁচাক সঁচা বুলি কোৱা আৰু মিছাক মিছা বুলি কোৱা এজন স্পষ্টবাদী ব্যক্তি। তাৰ বাবে তেওঁ কেতিয়াবা সোঁতৰ বিপৰীতে খোজ দিছিল আৰু কেতিয়াবা নিজেই সোঁত সৃষ্টি কৰাৰ সাহস কৰিছিল। ব্যক্তিগত জীৱনত তেওঁ মোৰ বাবে আছিল এজন পথ প্ৰদৰ্শক। মোৰ বাবে তেওঁ আছিল এনে এজন অভিভাৱক স্বৰূপ ব্যক্তি যি নিজৰ বাণীৰে মোক কক্ষচ্যুত হ'লে কক্ষলৈ ওভতাই আনিব পাৰিছিল। অসমৰ ভৱিষ্যৎ প্ৰজন্মৰ বাবে হোমেন বৰগোহাঞিৰ প্ৰাসংগিকতা সজীৱ হৈ থাকক তাৰ বাবে ৰাজ্য চৰকাৰে সকলোখিনি কৰিব। তেওঁৰ সৃষ্টি আৰু আদৰ্শ ভৱিষ্যত প্ৰজন্মৰ বাবে জীয়াই ৰাখিবলৈ আমি দুখোজ আগুৱাই যাম কিন্তু এখোজো পিছুৱাই নাহো। এই দিশত ইতিমধ্যে কিছু পৰিকল্পনা যুগুতোৱাৰ কাম কৰি থকা হৈছে আৰু ইয়াৰে প্ৰথমটো পদক্ষেপ হিচাপে ইতিমধ্যে গুৱাহাটী মহানগৰৰ নাৰেংগীৰ পৰা মৰিগাঁৱৰ জাগিভকত গাঁও সংযোগী পথচোৰা হোমেন বৰগোহাঞিৰ নামত নামাংকিত কৰা হৈছে। গুৱাহাটীৰ পৰা উজনি অসমলৈ যাত্ৰা কৰাৰ ক্ষেত্ৰত এই পথছোৱা যোৱাবাটৰ ৰাষ্ট্ৰীয় ঘাইপথৰ এক বিকল্প হিচাপে ব্যৱহাৰ হৈ আছে। অহা সময়ছোৱাত আৰু কেইবাটাও পদক্ষেপ লোৱাৰ বাবে আমাৰ চৰকাৰৰ পৰিকল্পনা চলি আছে।

**নিজৰ জীৱন চৰ্যাৰ দ্বাৰা বৰগোহাঞি জাতিটোৰ বাবে এক উজ্জ্বল আদৰ্শ স্বৰূপ হৈ উঠিছিল। এটা অধ্যয়ন পিপাসু মন, কঠোৰ সময়ানুবৰ্তিতা, পৰিমিত জীৱন যাপন, নিয়মানুৱৰ্তিতা, স্পষ্টবাদিতা, মহানুভৱতা, মহৎ চিন্তা আৰু কৰ্মৰ জৰিয়তে গঢ়ি উঠা তেওঁৰ প্ৰোজ্জ্বল ব্যক্তিত্বই প্ৰতিটো প্ৰজন্মকে উদ্বুদ্ধ কৰে আৰু ভৱিষ্যতেও উদ্বুদ্ধ কৰি থাকিব**

বৰগোহাঞিৰ পাৰ্থিৱ শৰীৰ আজি আমাৰ মাজত নাই; কিন্তু তেওঁ আমাৰ মাজত চিৰদিন জীয়াই থাকিব তেওঁৰ সৃষ্টিৰে, চিন্তাৰে আৰু কথাৰে। জাতীয় উৎকৰ্ষৰ যাত্ৰা পথত তেওঁৰ সৃষ্টিৰাজীয়ে আমাক চিৰদিন দিকদৰ্শন দি থাকিব। তেওঁৰ সৃষ্টিৰাজি আমাৰ মাজত চিৰদিন জীয়াই থাকিব।

*লেখক অসমৰ মুখ্যমন্ত্ৰী*

# কৰ'না সংক্ৰমণৰ ভয়াৱহতা আৰু ৰাহুলৰ মোদী-বিদ্বেষৰ Tool Kit

**বিক্ষিপ্ত চিন্তা**



**ড° জয়কান্ত শৰ্মা**

ভাৰতত কৰ'না সংক্ৰমণৰ দ্বিতীয় লহৰ আৰম্ভ হৈছিল ২৩ মাৰ্চৰ পৰা। বিশ্বৰ প্ৰায়বোৰ দেশতে ইয়াৰ পূৰ্বেই দ্বিতীয় লহৰ আৰম্ভ হৈছিল, প্ৰতিখন দেশতে হেজাৰ হেজাৰ লোকৰ মৃত্যু ঘটিছে। এতিয়া বিজ্ঞানী দলে কৈছে, কৰ'না সংক্ৰমণৰ তৃতীয় লহৰ সমাগত। তেওঁলোকৰ মতে তৃতীয় লহৰত ঘাইকৈ শিশুসকল আক্ৰান্ত হ'ব। এই ভৱিষ্যৎবাণীৰ প্ৰতি লক্ষ্য ৰাখি আমেৰিকা যুক্তৰাষ্ট্ৰই ততাতৈয়াকৈ Pfiger কোম্পানীয়ে শিশুৰ বাবে প্ৰস্তুত কৰা ছিটা বিধলৈ জৰুৰীভাৱে অনুমোদন দিলে। যুক্তৰাষ্ট্ৰক অনুকৰণ কৰি কানাডায়ো ১২-১৭ বৰ্ষৰ শিশুক ছিটা দিবলৈ আৰম্ভ কৰিছে।

Pfiger কোম্পানীৰ শিশুৰ ছিটা পশ্চিমৰ আন দেশবোৰেও অনুমোদন দিবলৈ গুণা-গঁথা কৰিছে। পিছে ভাৰতৰ ‘হিন্দুস্তান বায়টেক’ এ কথা দিছে, আগন্তুক ডিচেম্বৰ মাহলৈ তেওঁলোকে শিশুৰ Covaxin ছিটা উলিয়াই দিব পাৰিব। এনে নিশ্চয়তা ভাৰতীয়সকলৰ বাবে আশাৰ বাণী। ভাৰতে থলুৱাভাৱে উদ্ভাৱন কৰা ‘হিন্দুস্তান বায়টেক’ৰ Covaxin আৰু Oxford Universityৰ সহযোগত ছিৰাম ইনষ্টিটিউটে প্ৰস্তুত কৰা Covishield হ'ল দেশৰ বাবে গৌৰৱৰ বিষয়। কাৰণ সমগ্ৰ বিশ্বতে এই দুবিধ ছিটা অতি উচ্চমানৰ বুলি স্বীকৃত হৈছে। এনে পটভূমিত ভাৰতে কৰ'নাৰ তৃতীয় লহৰৰ বিৰুদ্ধে যুঁজিবলৈ কঁকালত টঙালি বান্ধিবৰ হ'ল। নক'লেও হয় যে যুঁজখনত জয়লাভ কৰাটো বৈজ্ঞানিক সা-সঁজুলি আৰু জনসাধাৰণৰ সচেতনতা তথা বৈজ্ঞানিক দৃষ্টিভংগীৰ ওপৰত নিৰ্ভৰশীল।

স্বাস্থ্যবিজ্ঞানীসকলে কৈছে, প্ৰতিটো কৰ'না লহৰতে সংক্ৰমণৰ একোটা শীৰ্ষবিন্দু থাকে; অৰ্থাৎ সংক্ৰমণৰ হাৰ ক্ৰমান্বয়ে বৃদ্ধি পাই গৈ থাকে আৰু এটা সময়ত সৰ্বোচ্চ সংখ্যক লোকৰ মৃত্যু হয়। তাৰ পাছৰে পৰা লহৰত ভাটা পৰে আৰু সংক্ৰমণৰ হাৰ ক্ৰমান্বয়ে হ্ৰাস পাবলৈ ধৰে। কৰ'নাৰ দ্বিতীয় লহৰে অভাৱনীয় সংহাৰ চলোৱাৰ পাছত ১৮ মে'ৰ দিনা হেনো শীৰ্ষ বিন্দুত উপনীত হৈছে, সেইদিনা দেশত ৪,৫২৯ জন ৰোগীৰ মৃত্যু ঘটিছে। যদি সঁচাকৈয়ে বিজ্ঞানীসকলে কোৱাৰ দৰে কৰ'না সংক্ৰমণৰ হাৰ কমিবলৈ ধৰে, তেনেহ'লে সেইটো হ'ব পৰম স্বস্তিৰ কাৰণ।

মহামাৰীৰ অৰ্থ হ'ল, এবিধ ৰোগৰ দ্ৰুত সংক্ৰমণৰ ফলত অসংখ্য লোক আক্ৰান্ত হয় আৰু উপযুক্ত চিকিৎসাৰ অভাৱত অলেখ ৰোগী মৃত্যুমুখত পৰে। সেয়েহে সাম্প্ৰতিক কৰ'না মহামাৰীত স্বাস্থ্যখণ্ডত অতি উন্নত আন্তঃগাঁথনি থকা দেশবোৰতো হেজাৰ হেজাৰ লোকে প্ৰাণ হেৰুৱাইছে। একে সময়তে হেজাৰ হেজাৰ লোকক স্বাস্থ্য সেৱা আগবঢ়োৱাটো যিকোনো দেশৰ বাবেই কঠিন প্ৰত্যাহ্বান। সকলো কৰ'না ৰোগীৰ চিকিৎসাৰ বাবে হাস্পতালত একেসময়তে প্ৰয়োজনীয় সংখ্যক ICU বিছনা, ভেণ্টিলেটৰ, অক্সিজেন চিলিণ্ডাৰ, নিৰাময়ৰ দৰৱ আদি উপলব্ধ কৰোৱাটো সহজ কথা নহয়; তাতোকৈ ডাঙৰ কথাটো হ'ল, হঠাতে ডাক্তৰ, নাৰ্ছ, সহায়কাৰী স্বাস্থ্য কৰ্মী আৰু আনুষংগিক সেৱাৰ ব্যৱস্থা যোগাৰ কৰা যায় কেনেকৈ? সেয়েহে প্ৰতিখন দেশৰ চৰকাৰৰ বাবে মহামাৰী প্ৰতিৰোধ কৰা ব্যৱস্থাটো অতি গুৰুত্বপূৰ্ণ হৈ পৰে। ভাৰত তাৰ ব্যতিক্ৰম হ'ব নোৱাৰে।

ভাৰতত কৰ'না আক্ৰান্তৰ সংখ্যা বেছি, দুই লক্ষাধিক লোক ইতিমধ্যে মৃত্যু মুখত পৰিছে; এই তথ্য যথাৰ্থতে হৃদয় বিদাৰক। আমি গণতান্ত্ৰিক সমাজৰ চিনাকি-অচিনাকি, খ্যাত-অখ্যাত অসংখ্য সহযাত্ৰীক হেৰুৱাইছো, তাতকৈ দুখৰ কথা কি হ'ব পাৰে? কিন্তু মৃতকৰ সংখ্যাক লৈ আৱেগিক হোৱাৰ সময়ত বিশাল দেশখনৰ জনসংখ্যা যে ১৩৫ কোটি, সেইটোও মনত ৰাখিব লাগিব।

উদাহৰণ স্বৰূপে ১৮ মে'ৰ তথাকথিত দ্বিতীয় লহৰৰ শীৰ্ষ বিন্দুত ভাৰতত বিশ্বৰ ভিতৰতে সৰ্বাধিক সংখ্যক (৪৫২৯) আক্ৰান্তৰ মৃত্যু ঘটিছে। পিছে আন আন দেশৰ শীৰ্ষ বিন্দুত কিমান লোকৰ মৃত্যু ঘটিছে? আমেৰিকা যুক্তৰাষ্ট্ৰত ৪৪৭৫ (জানুৱাৰী ১২), ব্ৰাজিলত ৪২৪৯ (এপ্ৰিল-৮), মেক্সিকোত ৩০৫০ (ফেব্ৰুৱাৰী ৫), জাৰ্মানীত ১৭৩৪ (জানুৱাৰী, ১৯) আৰু ফ্ৰান্সত ১৪৩৮ (এপ্ৰিল ১৫) জনৰ মৃত্যু ঘটিছে। এই পৰিসংখ্যাৰ স্বৰূপ বুজিবলৈ দেশবোৰৰ জনসংখ্যা বিচাৰ্য। যুক্তৰাষ্ট্ৰৰ জনসংখ্যা ৩৩ কোটি, ব্ৰাজিলৰ ২১ কোটি, মেক্সিকোৰ ১৩ কোটি, জাৰ্মানীৰ আঠ কোটি আৰু ফ্ৰান্সৰ ৬.৫ কোটি। ব্ৰিটেইনত দ্বিতীয় লহৰৰ শীৰ্ষ বিন্দু ২০ জানুৱাৰীত ১৮২৬ জন কৰ'না ভাইৰাছত আক্ৰান্ত লোক মৰিছে; কিন্তু দেশখনৰ মুঠ জনসংখ্যা মাথোন ৬.৫ কোটি। সেই কথা বিচাৰ নকৰি আমাৰ একাংশ বাঁওপন্থী বুদ্ধিজীৱীয়ে সততে কিউবাৰ উদাহৰণ দাঙি ধৰে। আৰে বাবা, কিউবাৰ জনসংখ্যা মুঠেই এককোটি চৈধ্য লাখ; মোটামুটিভাৱে আমাৰ অসমৰ জনসংখ্যাৰ এক তৃতীয়াংশ। বৈজ্ঞানিক দৃষ্টিভংগী নথকা বাবেই সততে ভাৰতৰ এখন ভয়ানক চিত্ৰ দাঙি ধৰা হয়।

এই প্ৰসংগতে Zee News-এ কেইদিনমান আগতে দাঙি ধৰা এটা সমীক্ষাৰ বিষয়ে উনুকিয়াবলৈ বিচাৰো। সমীক্ষাটোৰ সাৰমৰ্ম এনে ধৰণৰ। ইউৰোপত ৪৮ খন দেশৰ জনসংখ্যা ৭৫ কোটি, কৰ'না সংক্ৰমিত হৈ মৃত্যু ঘটিছে মুঠতে ১০.১১ লাখ লোকৰ। উত্তৰ আমেৰিকাৰ ৩৯ খন দেশৰ মুঠ জনসংখ্যা ৫৯ কোটি, কৰ'নাত মৃত্যু হোৱা লোকৰ সংখ্যা ৮.৬ লাখ। দেখা গ'ল, এই দুখন মহাদেশৰ ৮৭খন দেশৰ মুঠ জনসংখ্যা ভাৰতৰ সমান; কিন্তু ভাৰতৰ ২.৪৬ লাখ লোকৰ মৃত্যু হোৱাৰ বিপৰীতে এইবোৰ দেশত প্ৰাণ হেৰুৱাইছে ১৮.৭১ লাখে।





এই পৰিসংখ্যাই ইংগিত দিয়ে, ভাৰতীয়ৰ বাবে এইটো হতাশাত ভাগি পৰাৰ সময় নহয়। বিশ্বৰ উন্নত দেশবোৰৰ তুলনাত ভাৰতত মৃত্যুৰ হাৰ আপেক্ষিকভাৱে এতিয়াও কম; আৰু সম্পূৰ্ণ সতৰ্কতা ব্যৱস্থা আৰু গণ টিকাকৰণৰ কাৰ্যসূচীৰে অচিৰে কৰ'না ভাইৰাছক জয় কৰিব পৰা হ'ব।

পিছে ভাৰতৰ জনসাধাৰণ বহু পৰিমাণে দায়িত্বহীন বুলিয়েই ক'ব লাগিব।

**ভাৰতৰ জনসাধাৰণ বহু পৰিমাণে দায়িত্বহীন বুলিয়েই ক'ব লাগিব। সামাজিক দূৰত্ব মানি চলাটো দূৰৰে কথা, মাস্ক পৰিধান কৰিবলৈও অনীহা। আনকি ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানবোৰতো ছেনিটাইজাৰ বা চাবোনেৰে হাত ধোৱা ব্যৱস্থা নাই বুলি ক'লেও ভুল নহয়।**

সামাজিক দূৰত্ব মানি চলাটো দূৰৰে কথা, মাস্ক পৰিধান কৰিবলৈও অনীহা। আনকি ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানবোৰতো ছেনিটাইজাৰ বা চাবোনেৰে হাত ধোৱা ব্যৱস্থা নাই বুলি ক'লেও ভুল নহয়। তদুপৰি কেন্দ্ৰীয় চৰকাৰে ১৬ জানুৱাৰীত আৰম্ভ কৰা টিকাকৰণ কাৰ্যসূচীলৈও কম সংখ্যক লোকেহে সঁহাৰি দিছিল, এতিয়া দ্বিতীয় লহৰ আৰম্ভ হোৱাৰ পাছত ছিটা ল'বলৈ দীঘলীয়া শাৰীত যোগ দিছে, সেইটো অন্য কথা।

আটাইতকৈ আশ্চৰ্যজনক কথা হ'ল, ভাৰতত একাংশ বুদ্ধিজীৱী, এচাম বিৰোধী নেতাৰ আচৰণ। তেওঁলোকে প্ৰকাৰান্তৰে টিকাকৰণৰ বিৰুদ্ধেহে প্ৰচাৰ চলাইছিল। আনকি শশী থৰুৰৰ দৰে বুদ্ধিজীৱীও ছিটা-বিৰোধী অপপ্ৰচাৰত নামি পৰিছিল। ভাৰতীয় স্বাস্থ্য-বিজ্ঞানী আৰু উদ্যমী লোকৰ সহযোগত দুটাকৈ ছিটাৰ উদ্ভাৱন হ'ল, তাকে লৈ গৌৰৱ কৰাটো দূৰৰে কথা, তেওঁলোকে বিজ্ঞানীসকললৈ সন্দেহৰ আঙুলিহে টোঁৱালে। প্ৰাক্তন মুখ্যমন্ত্ৰী অখিলেশ যাদৱে সংবাদ মেল পাতি কৈছিল, ভাৰতৰ ছিটা নিৰাপদ নহয়, মইতো এই ‘ভাজপা-ছিটা’ কেতিয়াও নলওঁ, ভৱিষ্যতলৈ অন্য চৰকাৰ আহিলেহে ছিটা ল'ম। ৰাহুল গান্ধীয়ে কৈছিল, প্ৰধানমন্ত্ৰীয়ে নিজে ছিটা লৈ দেখুৱাই দিয়ক যে ছিটাটো নিৰাপদ।

বিৰোধী নেতাৰ অপপ্ৰচাৰ আৰু এচাম লোকৰ অন্ধবিশ্বাসৰ বিৰুদ্ধে ‘ভাৰত বায়টেক’ আৰু ছিৰাম ইনষ্টিটিউটৰ সঞ্চালকে বাৰে বাৰে সংবাদমেল পাতি স্পষ্টীকৰণ দিবলগীয়াত পৰিছিল যে Covaxin আৰু Covishield সম্পূৰ্ণ বৈজ্ঞানিক পদ্ধতি আৰু স্বাস্থ্যসন্মতভাৱে প্ৰস্তুত কৰা হৈছে, এই ছিটা নিৰাপদ। মজাৰ কথাটো হ'ল, আজি সেইসকল নেতা আৰু বুদ্ধিজীৱীয়েই দেশত ছিটাৰ নাটনিক লৈ হুলস্থূল লগাইছে। কিন্তু বৈজ্ঞানিক প্ৰতিষ্ঠান দুটাৰ বিৰুদ্ধে এটাৰ পাছত আনটো অভিযোগ কৰিবলৈ এৰা নাই। তাৎপৰ্যপূৰ্ণ যে ভাৰতত ভাবুকিৰ সন্মুখীন হৈ ছিৰাম ইনষ্টিটিউটৰ সঞ্চালকগৰাকীয়ে ব্ৰিটেইনত আশ্ৰয় লৈ আছেগৈ।

এনে পটভূমিত কংগ্ৰেছৰ ভূতপূৰ্ব অধ্যক্ষ ৰাহুল গান্ধীয়ে কৰ'নাত আক্ৰান্তৰ মৃতদেহৰ সংখ্যাক লৈ ৰাজনীতি কৰিবলৈ বিচৰাটো দুৰ্ভাগ্যজনক। ভাজপা নেতা ডাঃ সম্বিৎ পাত্ৰই সংবাদমেল পাতি অভিযোগ কৰিছে, ৰাহুল গান্ধীৰ সম্পাদনাত জনৈক কংগ্ৰেছ কৰ্মীয়ে দেশে-বিদেশে মোদী বিদ্বেষৰ লহৰ বিয়পাবলৈ Tool kit নিৰ্মাণ কৰি উলিয়াইছে। পূৰ্বতে কানাডাৰ এচাম খালিস্তানীয়ে ভাৰতৰ তথাকথিত কৃষক আন্দোলনৰ সন্দৰ্ভত বিশ্বজুৰি অপপ্ৰচাৰ চলাবলৈ Tool kit। প্ৰস্তুত কৰাৰ কথা সকলোৰে মনত আছে। তাৰে আৰ্হিত উলিওৱা হৈছে কংগ্ৰেছৰ মোদী বিদ্বেষী ‘Tool kit' কৰ'না ভাইৰাছৰ প্ৰাদুৰ্ভাৱ সম্পৰ্কে ভাৰতৰ অৱস্থা অতি শোচনীয় বুলি বিশ্ববাসীৰ সমুখত দাঙি ধৰাটো এই ‘Tool kit' ৰ উদ্দেশ্য। কংগ্ৰেছৰ কাৰ্যকৰ্তাসকলে কেনে ধৰণে অপপ্ৰচাৰ চলাব লাগিব, ইয়াৰ জৰিয়তে তাৰ নিৰ্দেশ দিয়া হৈছে।

অপপ্ৰচাৰৰ সমলবোৰ এনে ধৰণৰ, (১) মৃতকৰ সংখ্যা অভাৱনীয়ৰূপে অধিক বুলি দেখুৱাবলৈ ৰাস্তাই-ঘাটে মৃতদেহৰ দৃশ্য, শ্মশানত জ্বলোৱাৰ দৃশ্য, নৈত ভাহি যোৱা শৱ দৃশ্য আদি কেমেৰাত ধৰি ৰাখি ভাইৰেল হোৱাকৈ প্ৰচাৰ কৰিব লাগে, যাতে অধিকতকৈও অধিক সংখ্যক লেখক-বুদ্ধিজীৱীয়ে চৰকাৰৰ বিৰুদ্ধে প্ৰবন্ধ পাতি লিখিবলৈ প্ৰেৰণা পায়। অপপ্ৰচাৰৰ আহিলা স্বৰূপে ভাৰতত সক্ৰিয় হৈ থকা ৰূপান্তৰিত কৰ'নাৰ B.I.617 জীৱাণুক ভাৰতীয় কৰ'না ৰূপে চিহ্নিত কৰিবলৈ কোৱা হৈছে; আনকি সামাজিক মাধ্যমত কংগ্ৰেছ-সমৰ্থকসকলক এইবিধ জীৱাণুক ‘মোদী কৰ'না'ৰূপে নামকৰণ কৰিবলৈও পৰামৰ্শ দিয়া হৈছে। অপপ্ৰচাৰৰ আহিলাত সন্নিবিষ্ট আন এটা পৰামৰ্শ হৈছে, কেন্দ্ৰীয় চৰকাৰে ‘চেণ্টেল ভিষ্টা'ৰ প্ৰকল্প স্বৰূপে নিৰ্মাণ কৰিবলৈ লোৱা নতুন সংসদ ভৱনক ‘মোদী-মহল’ বুলি প্ৰচাৰ চলোৱা, যাতে জনসাধাৰণৰ মনত মোদী বিদ্বেষ প্ৰকট হৈ উঠে।

ভাৰতবৰ্ষ এখন বিশাল দেশ, দেশৰ জনসাধাৰণৰ মাজত মোদীৰ ব্যক্তিত্ব আৰু নেতৃত্বৰ সন্দৰ্ভত স্পষ্ট ধাৰণা আছে; তাত কংগ্ৰেছৰ ‘Tool kit'- এ কিমান ক্ষতি কৰিব পাৰিব, সেই বিষয়ে সন্দেহ আছে। দেশৰ অৰ্থনীতি স্থিৰে ৰাখিবলৈ আন্তঃগাঁথনি নিৰ্মাণ হ'ল অন্যতম উপায়। ছত্তিশগড়ে নতুন ৰাজধানী নিৰ্মাণৰ কাম হাতত লৈছে, মহাৰাষ্ট্ৰ চৰকাৰে বিধায়কৰ নতুন আৱাস নিৰ্মাণ কৰিবলৈ লৈছে; সন্দেহ নাই, কেন্দ্ৰীয় চৰকাৰৰ নতুন সংসদ ভৱন নিৰ্মাণো এক অভিলাষী যোজনা। তাকে মোদীৰ ব্যক্তিগত সম্পত্তি বুলি চিহ্নিত কৰিবলৈ বিচৰাটো বিকৃত মানসিকতা মাথোন।

সংসদীয় গণতন্ত্ৰত কংগ্ৰেছ দল ক্ৰমান্বয়ে অপ্ৰাসংগিক হ'বলৈ ওলাইছে। বংশবাদী দলটোত ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধীৰ নেতৃত্বৰ বিষয়টোৱে অস্তিত্বৰ প্ৰশ্ন উত্থাপন কৰিছে; ২৩ জনকৈ জ্যেষ্ঠ নেতাই দলত নেতৃত্বৰ পৰিৱৰ্তন বিচাৰি দূৰত অৱস্থান গ্ৰহণ কৰিছে। এনে প্ৰেক্ষাপটত ৰাহুল গান্ধীৰ অদূৰদৰ্শিতাই জটিল সমস্যাৰ সৃষ্টি নকৰাকৈ থকা নাই। কোনে জানে, হয়তো ৰাহুলৰ মোদী-বিদ্বেষী ‘Tool kit' য়েই হ'ব পাৰে কংগ্ৰেছৰ পতনৰ দস্তাবেজ। জনসাধাৰণে দায়িত্বহীন ৰাজনীতিবিদক ক্ষমা নকৰে।

ফোন : ৯৪৩৫৫-৫৪২০৫

# কৰ'না আক্ৰান্ত ৰায়দান



**পৃথিৱীৰ** জনগণৰ চূড়ান্ত আৰু মহৎ ৰায়দান এতিয়াও বাকী। পূৰ্ণ গণতন্ত্ৰ ৰাইজৰ বাবে ৰাইজে নিজে গঢ়া— আজি সুদূৰপৰাহত। বিশেষকৈ কৰ'না আক্ৰান্তৰ সময়ত জনতা বিভ্ৰান্ত, বিচ্যুত। একে সময়তে ২১ শতিকা নিজেই মনোবিকাৰৰ শতিকা। নেতাৰ পৰা জনতালৈ, মূৰৰ পৰা ফিচালৈ। সেয়ে আজিৰ যুক্তিবাদী সংবেদনশীলসকলে হিতাধিকাৰী ভাৰাতীয়া মানুহৰ ৰায়ত আশ্বস্ত নহয়। সেয়ে আমি কৈছো যে এই ৰায়বোৰ ভাইৰাছ আক্ৰান্ত মানুহৰ বিভ্ৰান্ত ৰায় বাবে আমি নামানো। একেটা সময়তে আমি বিশ্বাস কৰো যে সচেতন সজাগ জনতাৰ শেষ কথাও বেছি দূৰত নাই। বৰ্তমানৰ অগ্নিপৰীক্ষাৰ যুগত জনতাক পথ দেখুৱাব লেখক-বুদ্ধিজীৱীসকলে যি ভাত-কাপোৰ উৎপাদনকাৰী জনতাৰ ওচৰত থাকে, তেওঁলোকৰ পৰা জ্ঞান লাভ কৰি কলম ধৰে। সেয়ে আমি আগ্ৰহেৰে বাট চাই থাকিম অন্তিম ৰায়লৈ।

**অভিমত**

আমি বিশ্বাস নকৰো এজন দুজন বিশ্ববৰেণ্যৰ ওপৰত। সমগ্ৰ জাতিটোৱেই হ'ব লাগিব শংকৰ-মাধৱৰ প্ৰকৃত ভকত। কিবা যদি বিসংগতিয়ে দেখা দিছে, সি আকাশৰ পৰা সৰি পৰা নাই বাবে তাৰ চিকিৎসাও আমি কৰিব লাগিব। আমি বিশ্বাস কৰো যে কোনোৱেই খলনায়ক নহয়— নায়ক নহ'ব পাৰে। একুৱেৰিয়ামৰ বন্দিত্বৰ পৰা ওলাই আহি ৰাইজক প্ৰশ্নৰ উপৰি প্ৰশ্ন কৰিব শিকাওক।

**কল্প ৰঞ্জন গগৈ**
নিজৰাপাৰ, গুৱাহাটী

# অসমৰ ৰাজনীতিৰ এই বিপৰ্যয়

## মোদী-অমিত শ্বাহ পেছাদাৰী ৰাজনীতিবিদ, গতিকে কাৰোবাৰ হেঁচাত কাম কৰিব বুলি মনে নধৰে

**সোণোৱাল নেতৃত্বাধীন চৰকাৰখনে আমোলা চলোৱাত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছিল। ফলত যোৱা পাঁচবছৰে ৰাজ্যত প্ৰশাসন বুলি কিবা বস্তু আছিল বুলি জনসাধাৰণে উপলব্ধি নকৰিলে। চৰকাৰ চলোৱাৰ অভিজ্ঞতা নথকা সত্বেও সোণোৱালক দিল্লীয়ে মুখ্যমন্ত্ৰী পাতিছিল**



**যি বুজিছো**

**কৈলাশ চন্দ্ৰ শৰ্মা**

**সকলোৰে** আনন্দ সৰ্বানন্দ সোণোৱালক বিজেপিয়ে দ্বিতীয়টো কাৰ্যকালৰ বাবে মুখ্যমন্ত্ৰীৰূপে নিৰ্বাচিত কৰিবলৈ অস্বীকাৰ কৰিলে। জনসাধাৰণে বিজেপিক শাসনাধিস্থ কৰাৰ পাছত এনেদৰে নেতা পৰিৱৰ্তন কৰাটো এক বিৰল ঘটনা বুলি বিবেচিত হৈছে। কি কাৰণত নেতা পৰিৱৰ্তন হ'ল সেই সম্পৰ্কত জনসাধাৰণ অৱগত নহয়। দলৰ ফালৰ পৰাও এতিয়ালৈকে কোনো বক্তব্য প্ৰকাশ কৰা নাই, যিটো অপ্ৰয়োজনীয় যিহেতু সোণোৱালে নিজেও কাৰণ জানিব বিচৰা নাই। সেয়েহে ঘটনাক্ৰমে বিশ্লেষণ কৰি নেতা পৰিৱৰ্তনৰ সম্ভাব্য তিনিটা কাৰণ হ'ল। (ক) দলে সোণোৱালৰ-কাম-কাজত অসন্তুষ্ট হৈছিল। (খ) বৰ্তমানজনৰ আঁকোৰগোজ স্থিতিত দলে নেতা সলনি কৰিবলৈ বাধ্য হৈছে। (গ) দলে নতুনক পাই পুৰণিক পাহৰিছে। (খ) আৰু (গ) যুক্তিটোৰ লগত সহমত পোষণ কৰিবলৈ অসুবিধা পাইছো কিয়নো মোদী-অমিত শ্বাহ পেছাদাৰী ৰাজনীতিবিদ, গতিকে কাৰোবাৰ হেঁচাত কাম কৰিব বুলি মনে নধৰে। ইয়াৰ উপৰি সময়ৰ লগে লগে নেতা ওলাই থাকিব যদিও আগৰজনৰ প্ৰতি অসন্তুষ্ট নোহোৱালৈকে সাধাৰণতে নেতা সলনি নকৰে, যেনেকৈ পুৰণি নতুন গাড়ীয়ে অসুবিধা নিদিয়ালৈকে গৰাকীয়ে নতুন গাড়ীৰ চিন্তা নকৰে। সোণোৱালাক চকীৰ পৰা গুচাই দিছে যেতিয়া তেওঁৰ কাম-কাজত যে দল অসন্তুষ্ট সেইটো বুজিবলৈ বাকী নাই। দলে কাৰোবাক বেয়া পালেই তেওঁ বেয়া হৈ নাযায় ঠিক তেনেদৰে দলে কাৰোবাক ভাল পালে বুলিয়েই তেওঁ ভাল হৈ যাব নোৱাৰে। সোণোৱালৰ কাম-কাজত অসন্তুষ্ট হোৱাৰ সম্ভাব্য কাৰণ কে'বাটাও দেখা গৈছে। সেইবোৰ হ'ল—প্ৰথম, সোণোৱাল ডাঙৰীয়াৰ কাম-কাজত কোনো ধৰণৰ পৰিকল্পনা, চিন্তা, স্বপ্ন, ধাৰণা একোৱেই দেখা নগ'ল। অৰ্থাৎ চকীত কিয় বহিছে নিজেই নাজানে যেন ভাব হ'ল। এই সম্পৰ্কত নিজেই কৈছে, অসমৰ জনসাধাৰণে চকীত বহাৰ সুবিধা দিছে গতিকে বহিছে। এতিয়া উঠিব দিছে, উঠিছে। চকী স্থায়ী নহয়। চকীৰ প্ৰতি বোলে তেওঁৰ কোনো লোভ, কামনা, বাসনা নাই। সেয়েহে জনসাধাৰণে তেওঁক নায়ক-মহানায়ক, সকলোৰে আনন্দ, অভিনেতা, টেঙৰ, বুধিয়ক কি বুলি কয়। নিজৰ বিচাৰ বুদ্ধি অনুসৰি কোৱাত বাধা নাই। বয়োজ্যেষ্ঠ ছাত্ৰবোৰৰ উপদেশ শুনি সোণোৱালেই মুখ্যমন্ত্ৰীৰূপে শপতগ্ৰহণ কৰিয়েই এন আৰ চি কাৰ্যালয়লৈ গৈছিল যাতে তেওঁৰ কিবা পৰিকল্পনা, চিন্তা থকা বুলি ভাবে। কাৰ্যালয়টো ঘূৰি পকি সমন্বয়কক ক'লে, ভালদৰে কাম কৰক, জাতিৰ ভৱিষ্যৎ জড়িত হৈ আছে। কিবা অসুবিধা পালে জনাব। সমন্বয়ক জন হৈছে সাত ঘাটৰ চেঙেলি, দেহাটো আছে ইয়াত, মনটো আছে ভূপালত। এনে নেতা থাকিলে ভূপালত বনাই থকা সৰু হাস্পতালখন যে দুবছৰতে সম্পূৰ্ণ কৰিব পাৰিব বুলি নিশ্চিত হ'ল। মুখ্যমন্ত্ৰীয়ে জানিব বিচাৰিছে যেতিয়া তেওঁ কামৰ পৰিৱৰ্তে অসুবিধাসমূহ বৰ্ণাব ধৰিলে যিদৰে কিছুমান শিক্ষকে শ্ৰেণীত সোমায়েই ছাত্ৰক ভালদৰে পঢ়া-শুনা কৰিবলৈ কোৱাৰ উপৰি বুজি নোপোৱা থাকিলে সংকোচ নকৰাকৈ সোধাৰ বাবে অনুপ্ৰাণিত কৰে। পাছলৈ ছাত্ৰই শিক্ষকৰ মূৰত উঠি এইটো বুজা নাই, সেইটো বুজা নাই বুলি যিদৰে অসুবিধাসমূহ ক'বলৈ ধৰিলে, বছৰৰ শেষত দেখা গ'ল যে শিক্ষক জনে এটা পাঠো সম্পূৰ্ণ কৰিব নোৱাৰি ছাত্ৰ-ছাত্ৰী, অভিভাৱক, কৰ্তৃপক্ষ সকলোৰে পৰা ধমক খাব লগা পৰিস্থিতিৰ সৃষ্টি হ'ল। এটা উদাহৰণ দিলে সোণোৱালৰ কাম- কাজ তথা চিন্তা সম্পৰ্কত সম্যক আভাস পোৱা যাব। প্ৰত্যেক দিনেই বহুত মানুহ বিভিন্ন কাৰণত উ ৰাজাহাজেৰে দিল্লীলৈ অহা যোৱা কৰি থাকে। প্ৰত্যেকৰে কাম, উদ্দেশ্য সুকীয়া। কিছুমান নিজৰ খৰচত যায় আৰু কিছুমানক সকলো সুবিধা দি পঠিয়ায়। এনেদৰে পঠিওৱাসকলৰ কিছুমানৰ কাম এনে গুৰুত্বৰ যে গোটেই যাত্ৰাটোতে চিন্তাত অতিবাহিত কৰে। কিছুমানে চিঠি এখন দিবলৈও দিল্লীলৈ উৰা মাৰে। এনেবোৰে পুৱাৰ পৰাই লগত কি কি নিব, কি পিন্ধিব, কোনটো সময়ত কোনটো খাদ্যৰ পেকেট খুলিব ইয়াকে লৈয়ে ব্যস্ত। ইফালে ঘৰৰ গৃহস্থই বস্তু যোগান ধৰি অতিষ্ঠ হৈ ক'বলৈ ধৰিলে, আঢ়ৈ ঘণ্টাৰ ৰাস্তা, কালি উভতি আহিবই যেতিয়া ইমান ড্ৰেছ নিয়াৰ প্ৰয়োজন নাই ইত্যাদি ইত্যাদি।

এনেদৰে এটা সময়ত ছাৰে চিঠিৰ খামটো লৈ ঘৰৰ পৰা বৰঝাৰলৈ বুলি উবেৰত বহিল। বহি কৰে কি, ৪০ মিনিটৰ ৰাস্তা, কামৰো কোনো টেনছন নাই, নিজে ফোন নকৰিলে যিহেতু কোনোৱে নিবিচাৰে, ভাবি চিন্তি চালকজনৰ লগতে কথা আৰম্ভ কৰিলে। বোলে তোমাৰ ঘৰ ক'ত, ঘৰত কোন কোন আছে, উপাৰ্জন কেনে, কিয় এইটো ব্যৱসায়ত হাত দিলা, এইটো ব্যৱসায়ৰ ভৱিষ্যৎ কি, অসুবিধা কি পাইছা ইত্যাদি, ইত্যাদি। এনেদৰে কথাৰ মহলা মাৰি এটা সময়ত বৰঝাৰত নামি উবেৰৰ চালকৰ পৰা বিদায় ল'লে। এটা সময়ত চালক ঘৰ পালে। পৰিবাৰে ৰাতিৰ ভাত সাঁজ আগবঢ়াই দি দিনটোৰ খা-খবৰ ল'লে। খবৰ ক'বলৈ গৈ চালকে ক'লে আজি গাড়ীত এজন বৰ ভাল ছাৰ উঠিছিল। কিবা কামত দিল্লীলৈ যাব বোলে। ছাৰজনে আমাৰ সকলোৰে খা-খবৰ লৈছে। ব্যৱসায় কেনে চলিছে, ঘৰত কোন কোন আছে ইত্যাদি। পৰিবাৰে তেতিয়া সুধিলে মানুহজন ইয়াৰে নে বাহিৰা মানুহ। চালকজনে ক'লে কি কোৱাহে, খাটি অসমীয়া মানুহ। তেতিয়া পৰিবাৰে ক'লে সদায়ে দেখি থকা মানুহে এইবোৰ সুধিছে যেতিয়া সি নিশ্চয় কোনোবা কাম নোহোৱা হ'ব। কোনোবাই পঠিয়াইছে সি গৈছে। কামৰ চিন্তা নাই যেতিয়া সি টাইম পাছ কৰিছে। ক'লে বেয়া দেখি, সোণোৱাল চৰকাৰখনো বিগত পাঁচটা বছৰ এনেদৰেই চলিছিল। চাৰ্টাৰ্ড ফ্লাইট লৈ কেইবাৰ দিল্লীলৈ গৈছিল, হিচাপ নাই। কিয় গৈছিল কোনোৱে নাজানে। অথচ ছাৰক কোনোৱে বেয়াও নাপায়।

দ্বিতীয়তে, সোণোৱাল দুবাৰকৈ ৰাজ্যিক বিজেপিৰ সভাপতি, সাংসদ, কেন্দ্ৰীয় মন্ত্ৰী, পাঁচ বছৰৰ বাবে মুখ্যমন্ত্ৰী হোৱাৰ পাছতো তেওঁ বিজেপি হ'ব নোৱাৰিলে বুলি বহুতে ক'ব খোজে। ৰচিত ধৰি বল নিদিয়া বিধৰ লোক বুলি অনুভৱ হয়। ইয়াৰ বিপৰীতে তেওঁতকৈ পাছত অহা কংগ্ৰেছীয়ে নিজকে পুৰণি বিজেপিতকৈও বেছি বিজেপি বুলি দিল্লীৰ পৰা প্ৰমাণপত্ৰ আনিবলৈ সক্ষম হৈছিল।

তৃতীয়তে, সোণোৱাল নেতৃত্বাধীন চৰকাৰখনে আমোলা চলোৱাত সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছিল। ফলত যোৱা পাঁচবছৰে ৰাজ্যত প্ৰশাসন বুলি কিবা বস্তু আছিল বুলি জনসাধাৰণে উপলব্ধি নকৰিলে। চৰকাৰ চলোৱাৰ অভিজ্ঞতা নথকা সত্বেও সোণোৱালক দিল্লীয়ে মুখ্যমন্ত্ৰী পাতিছিল। মানুহ চলোৱাটোৱেই পৃথিৱীত আটাইতকৈ কঠিন কাম গতিকে আমোলা চলোৱাটো আৰু কিমান জটিল কাৰ্য সেইটো সহজে অনুমেয়। সোণোৱাল চৰকাৰখন তেওঁৰ কিছু পুৰণি সতীৰ্থই পৰিচালনা কৰা কাৰণে আমোলাক নিয়ন্ত্ৰণত ৰাখিবলৈ ৰাজনৈতিক নেতৃত্ব বিফল হৈছিল। মুখ্যমন্ত্ৰীয়ে বিভিন্ন বিভাগসমূহ পৰিচালনা কৰিবলৈ মন্ত্ৰীসকলৰ মাজত দপ্তৰ বিতৰণ কৰে। প্ৰত্যেকটো বিভাগৰ মূল বিষয়াজনক মুখ্যমন্ত্ৰীয়ে নিযুক্তি দিয়ে। নিয়ম অনুযায়ী বিভাগীয় মন্ত্ৰীয়ে বিচৰা বিষয়াজনক মুখ্যমন্ত্ৰীয়ে নিযুক্তি দিব লাগে যদিও সোণোৱালে মন্ত্ৰীয়ে বিচৰাজনৰ পৰিৱৰ্তে তেওঁৰ পুৰণি সতীৰ্থই বিচৰাজনক নিযুক্ত কৰে ফলত সেই বিষয়াই মন্ত্ৰীতকৈ সোণোৱালৰ সতীৰ্থক গুৰুত্ব দিয়াৰ ফলত মন্ত্ৰীয়ে বিষয়াৰ ভৰি হাতে ধৰি কাম আদায় কৰিব লগা পৰিস্থিতিৰ সৃষ্টি হৈছিল।

*ফোন ঃ ৬০০১৬৭৫২২৩*

# তথাপি আংগুল দুই নাটে

## অশ্ববাণিজ্যৰ বিপক্ষে কোনো দলেই মাত মতা শুনা নাযায়

**মক্ষিকাবৃত্তি**

**ড° সুৰেন্দ্ৰ মোহন মহন্ত**



**খ্ৰীষ্টীয়** পঞ্চম শতিকাতে গ্ৰীক দাৰ্শনিক প্লেটোৱে গণতন্ত্ৰ এটা দুৰ্নীতিগ্ৰস্ত চৰকাৰ বুলি কৈ গৈছিল। আমাৰ দেশতো আনকি প্লেটোৰ কে'বা শতিকা আগতে গণতন্ত্ৰ বা তেনে ধৰণৰ চৰকাৰ আছিল বুলি উল্লেখ আছে। পুৰণি পুথিসমূহত অৰাজনী (ৰজা নোহোৱা শাসন), দোৰাজনী (দুই বা একাধিক শাসনকৰ্তাৰ শাসন) আৰু গণৰাজনী (গণতন্ত্ৰক নিচিনা) আদি শব্দ পোৱা যায়। অৱশ্যে সেইসমূহ কেনে ধৰণৰ শাসন তাৰ কোনো ধাৰণা দিয়া হোৱা নাই। কিন্তু এটা কথা নিশ্চিত যে সেইসমূহত ৰজাৰ শাসন চলা নাছিল। আনহাতেদি প্লেটোৰ নিচিনাকৈ এইবোৰ বেয়া শাসন বুলিও কোৱা হোৱা নাই। তেতিয়াৰ পৰা কে'বা হেজাৰো বছৰৰ পাছত প্লেটোৰ কথাকে বেদবাণী বুলি ধৰি নল'লেও আৰু আজিলৈকে গণতন্ত্ৰৰ বিভিন্ন পৰিৱৰ্তনৰ পাছতো এইবিধ চৰকাৰ দুৰ্বলতা শেষ হোৱা নাই বুলিয়েই ক'ব পাৰি। অৱশ্যে ইয়াৰ মূল কাৰণ গণতন্ত্ৰৰ চাৰিত্ৰিক দুৰ্বলতাতকৈ জনগণে লোৱা ভূমিকাকহে বেছি দায়ী বুলি ক'ব পাৰি। বিভিন্ন দেশত বিভিন্নৰূপে গণতন্ত্ৰক গঢ় দিয়া হৈছে। আনকি সাম্যবাদী দেশসমূহে বেছি গণতান্ত্ৰিক বুলিহে দাবী কৰি আহিছে। আনহাতে, গণতন্ত্ৰক দলতন্ত্ৰও আখ্যা দিব পৰা হৈছে। কাৰণ সংখ্যাগৰিষ্ঠতা গণতন্ত্ৰৰ মূল স্তম্ভ হৈ পৰিছে। আৰু সেই সংখ্যাগৰিষ্ঠতাৰ বাবেই ৰাজনৈতিক দলসমূহৰ জন্ম অনিবাৰ্য হৈ পৰিছে। আৰু আমাৰ ৰাজনৈতিক দলসমূহে কেনে পন্থা অৱলম্বন কৰিছে সেয়া জনসাধাৰণে বুজিব পৰা হৈ উঠিছে। দলসমূহৰ সদস্যসকলৰ ভিতৰতো কোনো নিঃস্বাৰ্থ ব্যক্তিতকৈ নিজৰ স্বাৰ্থান্বেষী লোকৰহে প্ৰাদুৰ্ভাৱ অধিক হোৱা পৰিলক্ষিত হৈছে। আৰু নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে যিকোনো কাম কৰিব পৰা লোকসকলে একোটা দল চলায় থকা দেখিবলৈ পোৱা হৈছে। আনকি সেইসকলেই নিৰ্লজ্জ হিচাপে অশ্ববাণিজ্যৰ অশ্বৰূপে সংসাৰত প্ৰতিষ্ঠাও লাভ কৰিছে। দেশপ্ৰেম এতিয়া অলিক সপোনহে। এই অশ্ববাণিজ্যৰ বিপক্ষে কোনো দলেই মাত মতা শুনা নাযায়। ইয়াৰ মূল কাৰণ হ'ল সকলোৱে যাতে প্ৰয়োজন হ'লে এইবিধ ব্যৱসায়ৰ সাহায্য ল'ব পাৰে। আনফালৰ পৰা কোনেও ভাবি নাচায় যে প্ৰকৃতপক্ষে ই সম্পূৰ্ণ দুৰ্নীতিহে। কোৱা হয় এজন ব্যক্তিৰ যিকোনো দলত যোগ দিয়া-নিদিয়াটো তেওঁৰ ব্যক্তিগত অধিকাৰ। কিন্তু এজন ব্যক্তিয়ে কোনোবা এটা দলত যোগ দি সেই দলৰ প্ৰতীক-পতাকা আদি ব্যৱহাৰ কৰি নিৰ্বাচনত নামে (আজি-কালিৰ মতে নিৰ্বাচন খেলে?) ; সভা-সমিতিবোৰতো তেওঁৰ দল জয়ী হৈ চৰকাৰ গঠন কৰিলে কি কি কৰিব তাৰো প্ৰতিশ্ৰুতি দিয়ে; গেৰাণ্টিয়ো দিয়ে। আনকি সেই দলৰ পৰা ল'ব পৰা গোটেইখিনি সহায়-সহযোগ লাভ কৰে। ৰাইজে ভাবে সেই ব্যক্তিজনৰ দলটোৰ লগত প্ৰত্যক্ষ সম্পৰ্ক থাকে। পাছত অশ্ববাণিজ্যত বেছি মূল্য পালেই দলটোক বিশ্বাসঘাতকতা কৰি আন দলত যোগ দিয়ে। নতুন দলৰ নীতি-নিৰ্দেশনা তাৰ উৰ্দ্ধতন বিষয়ববীয়াসকলৰ প্ৰতি তেওঁৰ আনুগত্য দেখুৱায়।

আচল দোষ সেইখিনিতেই, প্ৰকৃতপক্ষে তেনে ৰাজহাড় নোহোৱা ব্যক্তিৰ কোনো দলৰ প্ৰতি আনুগত্য নাথাকে; থাকে মাথোঁ দুৰ্নীতি কৰি ঘটিব পৰা সা-সম্পত্তিৰ প্ৰতি লালসা আৰু নিজে কৰি অহা অপকৰ্মৰ বলি নোহোৱা।

কোনো কোনো দেশৰ সংবিধানত

**প্ৰকৃতপক্ষে ৰাজহাড় নোহোৱা ব্যক্তিৰ কোনো দলৰ প্ৰতি আনুগত্য নাথাকে; থাকে মাথোঁ দুৰ্নীতি কৰি ঘটিব পৰা সা-সম্পত্তিৰ প্ৰতি লালসা আৰু নিজে কৰি অহা অপকৰ্মৰ বলি নোহোৱা**

পুনৰায়ন (Recall) কৰাৰ ব্যৱস্থা আছে। ইয়াৰ মূল উদ্দেশ্য হ'ল কোনো প্ৰতিনিধিয়ে তেওঁৰ দলক আৰু ৰাইজক যাতে কোনো প্ৰকাৰে প্ৰতাৰণা কৰিব নোৱাৰে। এই ব্যৱস্থা প্ৰকৃতপক্ষে বৰ দীঘলীয়া আৰু জটিল। এজন প্ৰতিনিধিয়ে যিটো দলৰ সদস্য হিচাপে নিৰ্বাচিত হৈ আছে, তেওঁ দল বদল কৰিব বিচাৰিলে প্ৰথমে সেই দলৰ সদস্যপদত থকা হিচাপে পোৱা সকলো সা-সুবিধা আৰু ৰাইজৰ আস্থা ত্যাগ কৰি যিটো নতুন দলৰ সদস্য হিচাপে যোগ দিবলৈ বিচাৰে সেই দলৰ প্ৰাৰ্থী হিচাপে নতুনকৈ জনাদেশ বিচাৰিব লাগে। তাকে যদি নিজে কৰিবলৈ ইচ্ছা নকৰে আৰু দলবাগৰাটো ব্যক্তিগত স্বাধীনতা বুলি ভাবে তেন্তে সেই ক্ষেত্ৰত যি দলৰ আৰু যি অঞ্চলৰ পৰা নিৰ্বাচিত হৈছিল সেই দলৰ বা অঞ্চলৰ ভোটদাতাই তেওঁক পুনৰায়ন কৰাৰ ব্যৱস্থা কৰিব পাৰে। তেনে কৰিব পাৰিলে অন্ততঃ দলবাগৰা কামটো বৰ সহজ হৈ নপৰিব।

গণতন্ত্ৰৰ আৰু এটা দুৰ্বলতা হ'ল ভোটদাতাই প্ৰকৃতপক্ষে নিজৰ প্ৰতিনিধি বাচিব পাৰে জানো? ৰাজনৈতিক দলসমূহে নিজ নিজ দলৰ প্ৰতিপত্তি থকা সদস্যক নিৰ্বাচনত ভাগ ল'বলৈ সুবিধা কৰি দিয়ে। মাজে মাজে কোনো ব্যক্তিয়ে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে নিৰ্বাচন খেলিলেও তেনে ব্যক্তিক ৰাইজে বেছি সমৰ্থন নকৰে। কাৰণ তেনে ব্যক্তি জয়ী হ'লেও চৰকাৰ গঠনত তেওঁৰ ভূমিকা প্ৰায় নায়েই। দলৰ প্ৰতিভাশালী ব্যক্তিক দলে টিকট দিলেও তাতে যদি বা কিন্তু এটা থাকি যায়। অলপতে বাতৰি কাকতত প্ৰকাশ হোৱা বাতৰি মতেই যোৱা নিৰ্বাচনত জয়ী হোৱা প্ৰাৰ্থীৰ বোলে ৩৪/৩৫ জনমানৰ বিপক্ষে দুৰ্নীতি আৰু অপৰাধী সংক্ৰান্ত গোচৰ আছে। আনকি দেশদ্ৰোহৰ (??) নিচিনা গোচৰ থকা ব্যক্তিকো নিৰ্বাচনত ভাগ ল'বলৈ দিয়া হৈছে। আমি তেওঁলোকৰ বিপক্ষে থকা গোচৰৰ বিষয়ে কোনো ৰায় দিব নোৱাৰো। যদি সঁচাকৈয়ে তেওঁলোক অপৰাধী তেন্তে দেশৰ অৱস্থা কি হ'ব সহজে তাক অনুমান কৰিব পাৰি।

আমাৰ দেশৰ দলসমূহৰ ফালে চকু দিলেও বহু আচৰিত কথা-বতৰা, বিধি ব্যৱস্থা দেখিবলৈ পোৱা যায়। তাৰে প্ৰথমটো হৈছে কিছু দল সৰ্বভাৰতীয় আৰু কিছু দল আঞ্চলিকতাবাদী বা জাতীয়তাবাদী। সৰ্বভাৰতীয় দলবোৰ ভাৰতীয় জাতীয়তাবাদী নহয় নেকি? যদি ভাৰতীয় জাতীয়তাবাদী হয়েই তেন্তে তাৰ বিপৰীতে অসমীয়া জাতীয়তাবাদ বুলি কিবা থাকিব পাৰে নেকি?

অসমৰ আঞ্চলিকতাবাদী দলসমূহৰ ইতিহাস বৰ দুৰ্বল। অসম আন্দোলন নামেৰে এটা বৃহৎ আন্দোলনৰ পাছত আমাৰ জাতীয়তাবাদী 'অগপ' গঠিত হ'ল—চৰকাৰো গঠন কৰিলে। পাছত দলৰ নেতাসকলৰ খোৱা-কামোৰাৰ ফল হিচাপে অগপ দুটা ভাগত বিভক্ত হ'ল— 'অগপ আৰু অগপ' (বা নতুন অগপ)। পাছত পুৰণি নেতাসকল আনকি প্ৰতিষ্ঠাপক সভাপতিকে ধৰি ভালেমান পুৰণি সদস্য ফাগুন মাহত পকাপাত সৰাদি সৰি গ'ল। 'একালৰ বৃন্দাবন, একালত পৰে ছন।' এনে পুৰণি পাত সৰা ব্যৱস্থাটো সৰ্বভাৰতীয় দলসমূহতো বিদ্যমান। ভাৰতীয় জাতীয় কংগ্ৰেছলৈকে চাওক—প্ৰথমে দুটা হ'ল. তাৰে প্ৰথমটো ভাৰতীয় জাতীয় কংগ্ৰেছ অ' (INC-(o) আৰু দ্বিতীয়টো হ'ল ভাৰতীয় জাতীয় কংগ্ৰেছ 'আই(INC-(I)। পাছত প্ৰথমটো দল নাপাত্তা হ'ল বাকী থাকিল আই কংগ্ৰেছ। তাকো বৰ্তমান নাজল-নাথল অৱস্থা। সভাপতিজনে পদত্যাগ কৰিলেও যোগ্য সদস্য নাই সেই পদ ল'বলৈ। তাতকৈও ডাঙৰ কথা দলটো বোলে একেবাৰে পৰিয়ালকেন্দ্ৰিক দলহে। ভাৰতীয় জনতা পাৰ্টিৰো অৱস্থা একে হৈ গৈ আছে। পুৰণি পকাপাত এটা এটাকৈ সৰি আছে।

অসমৰ ক্ষেত্ৰত আঞ্চলিক দলৰ পয়োভৰ ঘটিছে। অগপৰ লগতে অলপ দিনৰ ভিতৰতে নতুনকৈ ভালেকেইটা নতুন আঞ্চলিক দল গঠিত হোৱা দেখা গৈছে। আমি বুজিব নোৱাৰো প্ৰতিটো দলৰ বাবে আঞ্চলিকতাবাদে একেটো অৰ্থ প্ৰকাশ নকৰে নেকি? যদি কৰে তেন্তে মাত্ৰ এটা আঞ্চলিক দল গঠন কৰিব নোৱাৰি নেকি? আকৌ দেখা গৈছে কোনো আঞ্চলিক দলে সৰ্বভাৰতীয় দলৰ নেজত ধৰি চৰকাৰো চলাইছে। একেলগে চৰকাৰ চলাব কিন্তু এক হৈ মিলি নাযায়। ৰাজনৈতিক দলৰ মহিমা 'বিপৰীত'।

গণতন্ত্ৰত বহু নতুন কথা যোগ দিয়া দেখা গৈছে; পুৰণি কথাও বাদ দিয়া হৈছে। পিছে মানুহৰ চাৰিত্ৰিক দুৰ্বলতা বাদ নিদিলে গণতন্ত্ৰই থোৱা দিয়া বস্তুবোৰ— 'আংগুল দুই নাটে।'

**অনধ্যায়**

অলপতে বিশ্বত মাতৃ দিৱস ধুমধামেৰে পালন কৰা দেখা গ'ল। পৃথিৱীত মাতৃৰ প্ৰয়োজনীয়তা সৰ্ব স্বীকৃত! তাৰ দুই-এদিনৰ ভিতৰত এটা বাতৰিয়ে প্ৰাধান্য লাভ কৰিলে। বোলে এই অসম মুলুকতে এজন মানুহক তেওঁৰ পুত্ৰ দুজনৰ হতুৱাই নিজৰ মাতৃক হত্যা কৰাই নদীৰ বালিত পুতি থোৱালে। মাতৃগৰাকীৰ বোলে বয়স ৮০ বছৰৰো ঊৰ্দ্ধত! এই মানুহজনৰ মাতৃৰ প্ৰতি থকা মৰম-চেনেহ, ভক্তি আদি সঁচায়ে আদৰণীয়(!?!) তেওঁ পুত্ৰদ্বয়কো কেনে ট্ৰেইনিং দিলে মন কলিলেনে? 'এয়াহে মাতৃ দিৱস, মাতৃ ভক্তি দিৱস!! *ফোন ঃ ৯৮৫৪০-৪০১৩৪*

# গুৱাহাটীৰ চিকিৎসা সেৱা আৰু দিল্লীৰ এইমছ

## সাত লক্ষৰ চিকিৎসাৰ স'তে এশ চাৰিটকীয়াৰ যুঁজ

**মনীষা শৰ্মা**

**মোৰ** জীৱনৰ অভিজ্ঞতাৰ পৰা যিবোৰ মানুহ আৰু ঠাইৰ অধ্যয়নমুখী চিন্তাৰে কথা শিকিছো, সেইবোৰৰ ভিতৰত এটা হ'ল চিকিৎসালয়ৰ অভিজ্ঞতা। ল'ৰা নোহোৱা ঘৰখনৰ ডাঙৰ ছোৱালী হিচাপে ৰুগীয়া মা-দেউতাৰ পৰিচৰ্যা কৰাৰ দায়িত্ব আৰু কৰ্তব্যৰ ভাৰ মইয়ে পালন কৰি আহিছো। সেয়ে চিকিৎসা সেৱাৰ বাবে নিকটৱৰ্তী ঠাইৰ সুবিধাকণ সদায় গ্ৰহণ কৰো গুৱাহাটী মহানগৰীৰ চিকিৎসালয়বোৰত। হয়তো সেয়া এগৰাকী অৱলা নাৰীৰ বাবে দুৰ্বলতা বুলিও ভাবিব পৰা যায়। মা, বাক্সা জিলাৰ অন্তৰ্গত বৰমা অঞ্চলৰ বাসিন্দা। মই গুৱাহাটীত থাকি মাক প্ৰায়ে বৰমাৰ পৰা অনা-নিয়া কৰি গুৱাহাটীত চিকিৎসা কৰো। মা ডায়েবেটিছ আৰু অন্যান্য বহুতো আনুষংগিক ৰোগত আক্ৰান্ত হৈ আছে। তাৰ ভিতৰত চকুৰ ৰোগে মাক যথেষ্ট পৰিমাণে কষ্ট দিছিল। সেয়ে সকলো বেমাৰৰ বাবে গুৱাহাটীৰ নেমকেয়াৰ হাস্পতাল, জি এন আৰ চি হাস্পতাল, এছ জি হাস্পতাল, শংকৰদেৱ নেত্ৰালয়, এস্কেল কেয়াৰ হাস্পতাল, সঞ্জীৱনী হাস্পতাল, ই এছ আই হাস্পতাল আদি কৰি বিভিন্নখন হাস্পতালত প্ৰায়ে মাৰ চিকিৎসা মাহে মাহে চলি থাকে। বিভিন্ন ৰোগৰ ভিতৰত গুৱাহাটীৰ সকলো চিকিৎসকে কোৱা অনুসৰি চকুৰ ৰোগটো আছিল জটিল। ২০১৪ৰ পৰা এতিয়ালৈকে বিভিন্ন চিকিৎসালয়ৰ চিকিৎসকৰ মতামত লৈ গুৱাহাটীৰ বিভিন্নখন চকু হাস্পতালৰ সেৱা আন্তৰিকতা আৰু বিশ্বাসেৰে লৈছিলো। তেনেকৈয়ে আই কেয়াৰ, এছ জি, নেত্ৰালয় আৰু জি এম চি হাস্পতালৰ চিকিৎসালয়ত গৈ চিকিৎসাও লৈছিলো; কিন্তু এনেকৈ চিকিৎসালয়বোৰত সকলো চিকিৎসকে পৰামৰ্শ দিছিল যে মাৰ চকু অপাৰেছন কৰিব লাগে। অপাৰেছন যে সম্পূৰ্ণভাৱে সফল হ'ব পাৰে তাৰো কোনো নিশ্চয়তা নাই বুলিও কৈছিল। চিকিৎসকৰ মতে অপাৰেছনৰ মুঠ টকাও বহুত খৰচ হ'ব মানে আনুমানিক সাত লক্ষ মান বুলি ক'লে।

চিকিৎসকৰ মতে, মাৰ চকুৰ ৰোগবোৰ আছিল প্ৰথমটো কেটাৰেট, দ্বিতীয়টো গ্লুক'মা, তৃতীয়টো কৰ্ণিয়া। তাকো এটা চকুত। ইফালে মাৰ চকু লাহে লাহে ৰঙা হৈ ফুলি বিষত থাকিব নোৱৰাৰ লগতে বাওঁ চকুটোৰে নেদেখা হৈ গৈছিল। মই কোনো উপায় বিচাৰি পোৱা নাছিলো। ভিতৰি ভিতৰি হতাশ হৈছিলো যদিও একেবাৰে ভাঙি যোৱা নাছিলো। কাৰণ মাৰ আগত মই একো দেখুৱাব পৰা নাছিলো।

মই দুদিন পাছত আকৌ এবাৰ জি এম চি হাস্পতালত অকলে গৈছিলো। চকু বিভাগৰ চিকিৎসক বাইদেউ এগৰাকীক ব্যক্তিগতভাৱে অকণমান সময় ল'ব বিচাৰিছিলো। তেওঁ অকলে মোক লগ দিলে আৰু বহু কথা আলোচনা কৰিলো মাৰ চকুৰ অপাৰেচন সম্পৰ্কে। তেতিয়া চিকিৎসকে ক'লে যে 'আপোনালোৰ মাৰ চকুৰ ৰোগটো ভাল হোৱাটো মই সদায় কামনা কৰো। আপোনাৰ দুখ, কষ্ট সকলো বুজি কৈছো আপু নি ইয়াত চিকিৎসা কৰাই সম্পূৰ্ণ সুফল নাপাব। যিহেতু তিনিটাকৈ অপাৰেছনৰ কথা আছে। সেয়ে উন্নত চিকিৎসাৰ বাবে দিল্লীৰ এইমছ হাস্পতাললৈ লৈ যাওক।' মই সুধিলো যে 'ইয়াত কিহৰ বাবে উন্নত চিকিৎসা নহয়?' তেতিয়া তেওঁ ক'লে যে 'আমাৰ ইয়াত বৰ্তমান এই ধৰণৰ জটিল অপাৰেছনবোৰ কৰিব পৰা উন্নত চিকিৎসাৰ অভাৱ আছে। তাৰে লগত বয়স আৰু ভাগ্যৰ কথা আছে। কেতিয়াবা বহুত ব্যক্তি সফল হয় আৰু কেতিয়াবা নহয়।'

তেতিয়া মাৰ চিকিৎসাৰ বাবে মই ৰেফাৰৰ কথা কৈছিলো, কাৰণ গুৱাহাটীৰ পৰা ৰেফাৰ লৈ গ'লে দিল্লীৰ এইমছত দেখুৱাবলৈ সুবিধা হ'ব, নহ'লে মই অকলে কেনেকৈ ইমানবোৰ চম্ভালিম? কিন্তু বাইদেউৱে একেষাৰে ক'লে যে আজি-কালি ৰেফাৰ হোৱা নাই ক'ভিডৰ কাৰণে। মই ইয়াত একো সহায় কৰিব নোৱাৰিম। কথাবোৰ শুনি-বুজি সিদিনা মই স্বাস্থ্যমন্ত্ৰীৰ সহায়কাৰী এজনৰ সহায়ত জি এম চিৰ পৰা ৰেফাৰৰ ব্যৱস্থা কৰিলো। লগতে মই দিল্লীৰ এইমছত যোৱাৰ বাবে বিমানৰ টিকট আৰু তাত গৈ অসম হাউছত থকাৰ ব্যৱস্থাও কৰিলো। সেই মতে মই এই বৰ্ষৰ এক এপ্ৰিলত মাক লৈ দিল্লীৰ অসম হাউছত উপস্থিত হ'লো আৰু পিছদিনাখনৰ পৰা দিল্লীৰ এইমছত চিকিৎসা আৰম্ভ কৰিলো।

বহুতো দীঘলীয়া শাৰীৰে প্ৰথম খোজ আগবঢ়াই গ'লো। প্ৰায় চাৰি ঘন্টা শাৰী পাতি কাউন্টাৰলৈ গৈ টিকট লৈ অন্যান্য বহু ব্যৱস্থাৰ অন্ততহে এদিন চিকিৎসকৰ পৰামৰ্শ ল'ব পৰা যায়। মোৰ কিন্তু কথাটো অলপ বেলেগ হ'ল। প্ৰথম দিনাখনে চিকিৎসা সেৱা ল'ব পৰা ব্যৱস্থা হ'ল। সেয়া একমাত্ৰ গুৱাহাটীৰ এম পিৰ পৰা এখন বিশেষ অনুৰোধ পত্ৰ লিখি লৈ যোৱা বাবেহে। সেয়ে মাৰ প্ৰথম দিনটোতে এইমছত চিকিৎসা কিছু আগবাঢ়িল। চকুৰ বিভিন্ন পৰীক্ষা-নিৰীক্ষা কৰা হ'ল। সেইদিনা মুঠ ১১টা পৰীক্ষা কৰা হৈছিল; কিন্তু টিকট মতে



চিকিৎসকে মাৰ চিকিৎসাৰ বাবে দুমাহ পাছত পৰামৰ্শ দিয়াৰ এটা দিন দিলে। মোৰ চিন্তা বাঢ়িল। কিয়নো ইফালে কৰ'নাৰ দ্বিতীয় ঢৌৰ খবৰে লাহে লাহে গোটেই বিশ্বত বিয়পিবলৈ ল'লে। মই বুকুত সাহস গোটাই এজন কৰ্মচাৰীৰ পৰা সহায় বিচাৰিলো। ক'লো যে মই অসমৰ পৰা আহিছো, ইফালে কৰ'না মহামাৰীৰ আতংক আকৌ নতুনকৈ আহিছে। গতিকে দিল্লীত বেছিদিনলৈ থকা সম্ভৱ নহয়, মোক আপুনি পাৰিলে সহায় কৰক।' সেইমতে সেইজন কৰ্মচাৰীয়ে চকু বিভাগৰ এজন কৰ্মচাৰীক মাতি আনি ক'লে, 'মেডামক হেল্প কৰ।' তেতিয়া মই দেখিলো যে সেই কৰ্মচাৰীজনে মোক প্ৰথম অৱস্থাত অলপ খঙেৰে কৈ চিকিৎসাৰ টিকটটো লৈ কৈছিল, এতিয়া নহয়। দুমাহৰ পাছত আহিব; কিন্তু সেইজনে মোৰ ভগৱান যেন হ'ল। মোৰ হাতত চিকিৎসাৰ বাবে থকা সকলো কাগজ-পত্ৰ লৈ চিকিৎসকৰ ওচৰলৈ নিজে মোক আৰু মাক লৈ গ'ল। প্ৰায় তেতিয়া আমাৰ শাৰীৰ পাছত ৰৈ গৈছিল ১১০ গৰাকী ব্যক্তি। মাক চিকিৎসকে ভালকৈ চোৱা-মেলা কৰিলে। সিদিনা সুকলমে চিকিৎসা পদ্ধতিবোৰ শেষ হ'ল। ঠিক তেনেদৰে এসপ্তাহৰ ভিতৰত মাৰ চিকিৎসা সেইবাৰলৈ শেষ হ'ল। সেই মহান ব্যক্তিজনে মোক বহুতো সহায়-সহযোগিতা কৰিলে। তেওঁৰ মহানুভৱতাত আমাৰ আন্তৰিকতাৰে শ্ৰদ্ধা আহিল। য'ত ধন্যবাদতকৈ বহুতো ওপৰৰ শব্দৰেহে ক'বলৈ পাৰি। তেওঁৰ ফোন নম্বৰটো আনিলো আৰু ফোনেৰে এতিয়া আমি তেওঁৰ খা-খবৰ লোৱা হ'লো; কিন্তু এটা কথাত আমি সকলোৱে আচৰিত হ'লো যে মাৰ চকুৰ সকলো পৰীক্ষাৰ অন্তত এইমছৰ চকু চিকিৎসকৰ স'তে সকলো ধৰণৰ কথা আলোচনা কৰিলো। অপাৰেছন তিনিটা আমাৰ সফল হ'বনে? তেতিয়া চিকিৎসকজনে ক'লে যে 'কি অপাৰেছন? আমি এতিয়ালৈকে অপাৰেছনৰ কথা ভবাই নাই। এতিয়া এটা আই ড্ৰ'প দিলো আৰু এযোৰ ছচমা। এইখিনি ঠিক মতে চাৰিমাহ চলি যাওক তাৰ পাছত চেকআপত আহিব।' মই মনতে ভাবিলো ছচমাযোৰৰ দামটো বহুত হ'ব। গুৱাহাটীতে ইমান বেছি টকা লয় আৰু ইয়াতটো আৰু বহুত হ'ব পাৰে। তাতে আকৌ দিল্লীত যোৱাৰ আগতে মাৰ চকু চাই গুৱাহাটীৰ এ এছ জি হাস্পতালৰ পৰা এযোৰ ১০ হেজাৰ টকাৰ ছচমা লৈ গৈছো। বেছিদিন হোৱাই নাই। সেয়ে চিকিৎসকজনক কথাটো কোৱাত ক'লে যে এইযোৰ কোনো ধৰণৰ কামত অহা নাই। মই আচৰিত হ'লো, গুৱাহাটীৰ চকুৰ হাস্পতালৰ চিকিৎসকৰ পৰামৰ্শ অনুসৰি তিনি-চাৰি মাহৰ মূৰে মূৰে ছচমাবোৰ সলনি কৰিবলগীয়া হয়। মই মুখেৰে একো নক'লো। এইমছ হাস্পতালৰ ভিতৰত থকা ছচমাৰ দোকানত গৈ সুধিলো যে চিকিৎসকে লিখি দিয়া ছচমাযোৰৰ দাম কিমান হ'ব? তেতিয়া দোকানত থকা মানুহজনে চাই তপৰাই উত্তৰ দিলে যে ১৩শ টকা খৰচ বহন কৰিব লাগিব। মই আকৌ আচৰিত হ'লো। ছচমাযোৰ বনাবলৈ দি দুদিন পাছত নিবলৈ আহিম বুলি সিদিনা এইমছ হাস্পতালৰ পৰা আহিলো। ওচৰৰ এখন ফাৰ্মাচীৰ পৰা মাৰ চকুৰ আই ড্ৰ'পটো ল'লো। মাত্ৰ ১০৪ টকা। তাৰ পৰা অহাৰ পাছত মাই আই ড্ৰ'পটো আৰু ছচমা ব্যৱহাৰ কৰি এতিয়া ভালকৈ অলপ দেখাও পাইছে আৰু ৰঙা বৰণ, ফুলি উঠা, বিষ আদি নোহোৱা হৈছে। আগতে চকুৰ মণিৰ অংশ বগা বৰণৰ হৈ গৈছিল; কিন্তু এতিয়া ক'লা বৰণৰ হ'বলৈ লৈছে। অপাৰেছন নকৰাকৈ মাৰ চকু সফল হোৱা বাবে মনটো উৎফুল্লিত হৈ উঠিছিল। নতুন দিল্লীত সকলোতে কৰ'না ৰোগীৰ আতংকৰ ফলত সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (এইমছ) কিছুদিনৰ বাবে বহিঃবিভাগ বন্ধ হৈ যায়। আমাৰ চিকিৎসা শেষ হোৱাৰ পিছদিনাখন অকল ক'ৰনা ৰোগীৰ বাবে এইমছখন খোলা হৈছে; কিন্তু সম্পূৰ্ণভাৱে নতুন ৰোগীৰ বাবে হাস্পতালখন বন্ধ কৰা হয়। সেয়ে আমিও উপায়হীন হৈ ১১ এপ্ৰিলৰ দিনাখন গুৱাহাটীলৈ ৰাওনা হ'লো। ইতিমধ্যে দিল্লীত নৈশ সান্ধ্য আইন জাৰি কৰা হৈছিল। এতিয়া প্ৰথম কথাটো হ'ল আমাৰ অসমৰ একাংশ চিকিৎসকৰ পদ্ধতিত গাফিলতি আছে নেকি? যদি মাৰ এটা চকুতে তিনিটাকৈ অপাৰেছন হ'লে হয় কি হ'লহেঁতেন? ক'ত সাত লক্ষ টকা আৰু ক'ত ১০৪ টকীয়া এটা আই ড্ৰ'প আৰু ১৩শ টকীয়া ছচমা! এই অভিজ্ঞতা মোৰ কাৰণে এটা সাঁথৰ হৈ ৰ'ল। *ফোন ঃ ৭০০২৩৯৬৬৫৩*



## গড়চিৰৌলিত মহাৰাষ্ট্ৰ আৰক্ষীৰে সংঘৰ্ষত নিহত ১৩ মাওবাদী

**নিউজ ব্যুৰ' মুম্বাই, ২১ মে' ঃ** মহাৰাষ্ট্ৰ আৰক্ষীৰ স'তে হোৱা এক সংঘৰ্ষত কমেও ১৩ জন মাওবাদী ধৰাশায়ী হ'ল। আৰক্ষীৰ সূত্ৰই আজি এই কথা জনোৱা মতে, ৰাজ্যখনৰ গড়চিৰৌলিৰ এটাপল্লিৰ অৰণ্যত মাওবাদীয়ে ঘাটি পতাৰ বাতৰি লাভৰ পাছতে আজি পুৱাতে মহাৰাষ্ট্ৰৰ আৰক্ষীৰ চি-৬০ ইউনিটৰ জোৱানে সন্ত্ৰাসবাদীৰ সন্ধানত অভিযান আৰম্ভ কৰিছিল। আৰক্ষীক উক্ত অঞ্চলত প্ৰৱেশ কৰাৰ লগে লগে মাওবাদীয়ে গুলিবৰ্ষণ আৰম্ভ কৰিছিল আৰু উভয় পক্ষৰ মাজত হোৱা গুলীয়াগুলিত ১৩ জন মাওবাদী নিহত হয়। যোৱা ২৯ মাৰ্চতো গড়চিৰৌলিত মাওবাদীৰে হোৱা নিৰাপত্তা বাহিনীৰ আন এক সংঘৰ্ষত দুই মহিলাসহ পাঁচ মাওবাদী নিহত হৈছিল। আজি ঘটনাস্থলীৰ পৰা আৰক্ষীয়ে ১৩টা মৃতদেহ উদ্ধাৰ কৰাৰ লগতে বিপুলসংখ্যক অস্ত্ৰ-শস্ত্ৰ জব্দ কৰে। মাওবাদীৰ সন্ধানত অঞ্চলটোত আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে।

## স্বাস্থ্য মন্ত্ৰণালয়ৰ তথ্য ঃ দেশৰ ৫০ শতাংশ লোকে পৰিধান নকৰে মাস্ক



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ মে' ঃ** কৰ'না ভাইৰাছৰ ব্যাপক সংক্ৰমণৰ পাছতো ভাৰতৰ অৰ্ধেকাংশ বাসিন্দা এই মাৰাত্মক ৰোগৰ সন্দৰ্ভত ন্যূনতম সচেতন নহয়। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি, কৰ'নাৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌৰ ভয়াৱহতা প্ৰত্যক্ষ কৰাৰ পাছতো দেশৰ ৫০ শতাংশৰ অধিক লোকে ক'ভিড বিধি পালন কৰিবলৈ বিচৰা নাই। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ যৌথ সচিব লৱ আগৰৱালে এই কথা প্ৰকাশ কৰি জনোৱা মতে, স্বাস্থ্য বিভাগে চলোৱা অধ্যয়নত এই কথা স্পষ্ট হৈছে যে দেশৰ ৫০ শতাংশ লোকে এতিয়াও ক'ভিড প্ৰতিৰোধৰ বাবে অত্যাৱশ্যকীয় মাস্ক পৰিধানৰ পৰা আঁতৰি আছে। আনহাতে, একেটা সমীক্ষাত প্ৰকাশ পোৱা তথ্য অনুসৰি ৬৪ শতাংশ লোকে মাস্ক পৰিধান কৰে যদিও তেওঁলোকে মাস্কৰে নাক ঢাকি নাৰাখে। দেশবাসীয়ে এইদৰে মাস্ক পৰিধান, সামাজিক দূৰত্ব বিধি পালন নকৰাৰ ফলত ভাৰতত কৰ'নাৰ সংক্ৰমণৰ দ্বিতীয় ঢৌৱে অধিক ভয়াৱহ ৰূপ ধাৰণ কৰিছে বুলি কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে মত ব্যক্ত কৰে।



## পঞ্জাৱত মিগ-২১ ভাঙি পৰি ছহিদ হ'ল বায়ুসেনাৰ বৈমানিক

**নিউজ ব্যুৰ', লুধিয়ানা, ২১ মে' ঃ** পঞ্জাৱ মোগা জিলাত ভাঙি পৰিল ভাৰতীয় বায়ুসেনাৰ এখন মিগ-২১ যুঁজাৰু বিমান। যোৱা নিশা সংঘটিত হোৱা এই দুৰ্ঘটনাত বিমানখনৰ বৈমানিকৰ মৃত্যু হ'ল। ছহিদ হোৱা বায়ুসেনাৰ স্কোৱাড্ৰন লিডাৰজনৰ নাম অভিনৱ চৌধুৰী। বায়ুসেনাৰ সূত্ৰই আজি প্ৰকাশ কৰা মতে, যোৱা নিশা এক বজাত মোগা জিলাৰ বাঘাপুৰানাৰ লাংগিয়ানাৰ কুৰ্দ গাঁৱত বায়ুসেনাৰ মিগ বিমান এখন ভূপতিত হৈছিল। প্ৰশিক্ষণ সংক্ৰান্ত উৰণৰ সময়তে বিমানখন এইদৰে ধ্বংস হৈছিল। ঘটনাৰ সন্দৰ্ভত বায়ুসেনাই তদন্তৰ নিৰ্দেশ দিছে।

## ডিচেম্বৰৰ ভিতৰত ভাৰতে লাভ কৰিব ৰুছ এছ-৪০০ ক্ষেপণাস্ত্ৰ ব্যৱস্থা

**নিউজ ব্যুৰ', ম'স্কো, ২১ মে' ঃ** ৰাছিয়াৰ চৰকাৰী অস্ত্ৰ ৰপ্তানি প্ৰতিষ্ঠানৰ এজন শীৰ্ষ বিষয়াই প্ৰকাশ কৰা মতে, ভাৰতে চলিত বৰ্ষৰ অক্টোবৰ-ডিচেম্বৰৰ ভিতৰত ৰাছিয়াৰ পৰা ভূমিৰ পৰা আকাশলৈ নিক্ষেপ কৰিব পৰা অত্যাধুনিক এছ-৪০০ ক্ষেপণাস্ত্ৰ ব্যৱস্থা লাভ কৰিব। প্ৰতিষ্ঠানটোৰ মুখ্য কাৰ্যবাহী বিষয়া আলেকজেণ্ডাৰ মিখেয়েভে আজি এই কথা প্ৰকাশ কৰি জনোৱা মতে, ভাৰতত এই ৰুছ ক্ষেপণাস্ত্ৰ প্ৰতিৰোধী ব্যৱস্থা নিৰ্ধাৰিত সময়ৰ ভিতৰত যোগান ধৰাৰ বাবে চেষ্টা অব্যাহত ৰখা হৈছে আৰু অহা অক্টোবৰৰ পৰা ডিচেম্বৰৰ ভিতৰত ৰাছিয়াই এছ-৪০০ ক্ষেপণাস্ত্ৰ প্ৰতিৰোধী ব্যৱস্থাৰ প্ৰথমটো খেপ যোগান ধৰিব। উল্লেখ্য যে এছ-৪০০ হৈছে ভূমিৰ পৰা আকাশলৈ নিক্ষেপ কৰিব পৰা দীৰ্ঘ দূৰত্বভেদি ক্ষমতাসম্পন্ন অত্যাধুনিক ৰুছ ক্ষেপণাস্ত্ৰ প্ৰতিৰোধী ব্যৱস্থা। ভাৰতে ২০১৮ তে ৰাছিয়াৰ পৰা পাঁচ বিলিয়ন ডলাৰৰ এছ-৪০০ ক্ষেপণাস্ত্ৰ ক্ৰয়ৰ চুক্তিত স্বাক্ষৰ কৰিছিল। ২০১৯ত ভাৰতে ইয়াৰ বাবে ৰাছিয়াক ৮০ কোটি ডলাৰৰ প্ৰথমটো কিস্তি আদায় দিছিল। ৰাছিয়াৰ পৰা এই উন্নত ক্ষেপণাস্ত্ৰ প্ৰতিৰোধী ব্যৱস্থা লাভ কৰিলে ভাৰতে প্ৰতিৰক্ষাৰ দিশত অধিক শক্তি আহৰণ কৰিবলৈ সক্ষম হ'ব।



### দুসপ্তাহৰ বোমা-ৰকেট আক্ৰমণৰ পাছত শান্তিৰ বাবে সন্মতি দিলে ইজৰাইল-হামাছে ঃ স্বস্তি বিশ্বৰ

## ইজৰাইলৰ স'তে সংঘৰ্ষবিৰতিক জয় আখ্যা হামাছৰ

**নিউজ ব্যুৰ' গাজা, ২১ মে' ঃ** ১১ দিন ধৰি অহৰহ সংঘৰ্ষ অব্যাহত ৰখাৰ পাছত অৱশেষত আজি শান্ত হ'ল গাজা চহৰ। প্ৰায় দুসপ্তাহৰ বোমা আৰু ৰকেট আক্ৰমণৰ পাছত যুদ্ধবিৰতি ঘোষণা কৰিলে ইজৰাইল আৰু গাজা নিয়ন্ত্ৰণকাৰী গোষ্ঠী হামাছে। ফলত স্বস্তিৰ নিশ্বাস কাঢ়িলে বিশ্ববাসীয়ে। ইজৰাইলৰ মন্ত্ৰীসভাৰ নিৰাপত্তা বিষয়ৰ বৈঠকত গাজাত সংঘৰ্ষবিৰতিৰ সিদ্ধান্ত গৃহীত হ'ল। অৱশ্যে হামাছৰ এজন শীৰ্ষস্থানীয় নেতাই যুদ্ধবিৰতি কাৰ্যকৰী হোৱাৰ পাছত যুদ্ধ জয়



কৰা বুলি হামাছৰ হৈ দাবী কৰিলে। যুদ্ধবিৰতি নিজৰ বিজয় বুলি দাবী কৰি গাজা উপত্যকাত ইছলামপন্থী আন্দোলনৰ দ্বিতীয় সৰ্বোচ্চ নেতা খলিল আল-হাইয়াই আজি কয়, 'এয়া বিজয়ৰ উল্লাস। যুদ্ধবিৰতি আচলতে হামাছৰ জয়।' উল্লেখ্য যে ইজৰাইল আৰু গাজাৰ মাজত শান্তি প্ৰক্ৰিয়া স্থাপনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল ইজিপ্তে। মূলত ইজিপ্তৰ মধ্যস্থতাতে গাজাৰ দ্বিতীয় শক্তিধৰ ইছলামপন্থী সশস্ত্ৰ সংগঠন হামাছে শান্তি স্থাপনৰ বাবে আগবাঢ়ি আহিছিল আৰু যোৱা নিশা ইজৰাইলৰ স'তে যুদ্ধবিৰতিৰ বাবে সন্মতি দিছিল।

গাজাৰ স্বাস্থ্য মন্ত্ৰণালয়ৰ প্ৰতিবেদন অনুসৰি, যোৱা ১০ মে'ৰ পৰা অব্যাহত থকা ১১ দিনীয়া যুঁজখনত ইজৰাইলৰ আক্ৰমণত ৬৫ শিশুসহ কমেও ২৩২ জন লোক নিহত হৈছিল। আনহাতে, এই সংঘৰ্ষত ১,৯০০ জন লোক আহত হয়। হামাছৰ দাবী অনুসৰি, বিস্তীৰ্ণ অঞ্চল বোমাবৰ্ষণৰ ফলত সম্প্ৰতি ধ্বংসস্তূপত পৰিণত হৈছে। প্ৰায় এক লাখ ২০ হেজাৰ লোক বিগত ১১ দিনত অঞ্চলটোত গৃহহীন হ'ল। আনহাতে, হামাছৰ ৰকেট আক্ৰমণৰ ফলত বিগত দুসপ্তাহত ইজৰাইলৰ দুই শিশু, এজন সেনাসহ ১২ জন লোক নিহত হ'ল। অৱশ্যে উভয় দেশে যুদ্ধবিৰতিৰ বাবে সন্মত হোৱাত এখন বিশ্বযুদ্ধৰ শংকা দূৰ হ'ল।

### কি কয় চিকিৎসকে ?

## অপৰিষ্কাৰ মাস্কৰ ফলত হ'ব পাৰে 'ব্লেক ফাংগাছ'



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ মে' ঃ** কৰ'না ভাইৰাছৰ সংক্ৰমণৰ মাজতে দেশত নতুন আতংক সৃষ্টি কৰা 'ব্লেক ফাংগাছ'ৰ সংক্ৰমণৰ সন্দৰ্ভত স্বাস্থ্য বিশেষজ্ঞসকলে কিছু নতুন তথ্য প্ৰকাশ কৰিলে। শেহতীয়াভাৱে একাংশ স্বাস্থ্য বিশেষজ্ঞই দাবী কৰা মতে, যদিহে অপৰিষ্কাৰ মাস্ক পৰিধান কৰা হয় আৰু কম বায়ু থকা কোঠাত বসবাস কৰা হয়, তেন্তে 'ব্লেক ফাংগাছ'ত আক্ৰান্ত হোৱাৰ শংকা বৃদ্ধি পায়। কিন্তু আন একাংশ বিশেষজ্ঞৰ মতে, লেতেৰা মাস্ক পৰিধান, বাতানুকুল পৰিৱেশৰ ফলত 'ব্লেক ফাংগাছ' সংক্ৰমিত হোৱাৰ কোনো বৈজ্ঞানিক প্ৰমাণ লাভ কৰা হোৱা নাই। দিল্লীৰ কে'বাখনো আগশাৰীৰ চিকিৎসালয়ৰ চিকিৎসকে প্ৰকাশ কৰা মতে, ক'ভিড আক্ৰান্ত আৰু ক'ভিড বিহীন উভয় ধৰণৰ লোক 'ব্লেক ফাংগাছ'ত আক্ৰান্ত হৈছে আৰু এওঁলোকৰ মাজত অপৰিষ্কাৰ মাস্ক পৰিধান কৰাৰ প্ৰৱণতা আছিল। ইন্দ্ৰপ্ৰস্থ এপ'লো হাস্পতালৰ ই এন টি বিভাগৰ অধ্যক্ষ ডাঃ অজয় স্বৰূপে এই প্ৰসংগত কয় যে 'ব্লেক ফাংগাছ'ৰ সংক্ৰমণৰ মূল কাৰণ 'ষ্টেৰয়ড' অত্যধিক ব্যৱহাৰ কৰা যদিও দীৰ্ঘ সময়ৰ বাবে অপৰিষ্কাৰ মাস্ক পৰিধান কৰা আৰু বায়ু পৰ্যাপ্ত নথকা কোঠাত বাস কৰাৰ ফলতো ভেঁকুৰজনিত এই সংক্ৰমণত কোনো ব্যক্তি আক্ৰান্ত হ'ব পাৰে।

## হুৰ দাবী ঃ বিশ্বজুৰি ক'ভিডত মৃতকৰ সংখ্যা ৬০-৮০ লাখ



**নিউজ ব্যুৰ', জেনেভা, ২১ মে' ঃ** বিশ্ব স্বাস্থ্য সংস্থা (হু)ই আজি কয় যে ক'ভিড-১৯ মহামাৰীত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে হোৱা বহু মৃত্যুক গণনা কৰা হোৱা নাই। হুৱে লগতে কয় যে চৰকাৰীভাৱে ক'ভিডত মৃত্যুৰ যি পৰিসংখ্যা প্ৰকাশ কৰা হৈছে, তাৰ তুলনাত এই মহামাৰীত মৃতকৰ সংখ্যা কে'বাগুণ অধিক হ'ব। আন্তৰ্জাতিক স্বাস্থ্য সংস্থাটোৰ মতে, ক'ভিডত এই বিশ্বত বৰ্তমানলৈকে কমেও ৬০-৮০ লাখ লোকে প্ৰাণ হেৰুৱালে। কিন্তু চৰকাৰী পৰিসংখ্যা অনুসৰি বিশ্বত ক'ভিডত এতিয়ালৈকে মৃত্যু হোৱা লোকৰ সংখ্যা হৈছে ৩৪.৪৬ লাখ। হুৱে দাবী কৰা মতে, ২০২০ বৰ্ষত কৰ'না মহামাৰীত কমেও ৩০ লাখ লোকৰ প্ৰাণহানি হৈছিল। এক প্ৰতিবেদনত আজি আন্তৰ্জাতিক স্বাস্থ্য সংস্থাটোৱে কয়, 'ক'ভিড-১৯ৰ ফলত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে বৃহৎসংখ্যক লোকৰ মৃত্যু হৈছে যদিও এনে বহু মৃতকক গণনাভুক্ত কৰা হোৱা নাই। নানা কাৰণত এইসকল মৃতকক ক'ভিডৰ মৃতকৰ তালিকাৰ অন্তভুক্ত কৰা হোৱা নাই।' ৰাষ্ট্ৰসংঘৰ স্বাস্থ্য বিষয়ক সংস্থাটোৰ অনুমান অনুসৰি, মে' ২০২১ লৈকে কৰ'নাত প্ৰত্যক্ষভাৱে বিশ্বত ৩৪ লাখ লোকৰ মৃত্যু হৈছে। হুৰ সহযোগী সঞ্চালকপ্ৰধান সমীৰা আছমাই এই সন্দৰ্ভত কয়, 'প্ৰকৃত মৃতকৰ সংখ্যা প্ৰকাশিত সংখ্যাৰ তুলনাত দুইৰ পৰা তিনিগুণ অধিক হ'ব। সেয়েহে মই ধাৰণা কৰা মতে, ক'ভিড-১৯ত বৈশ্বিক মৃত্যুৰ সংখ্যা ৬০ৰ পৰা ৮০ লাখ হ'ব।' হুৰ 'ডেটা এনালিষ্ট' উইলিয়াম মেছেম্বুৰীয়ে কয় যে ক'ভিডত মৃতকৰ সংখ্যা প্ৰকাশিত সংখ্যাতকৈ অধিক হোৱাৰ শংকাৰ মূল কাৰণ হৈছে বহু মৃতকৰ গণনাকৰণ কৰা হোৱা নাই আৰু ক'ভিডৰ ফলত পৰোক্ষভাৱে যেনে চিকিৎসালয়ৰ অভাৱ আদিৰ কাৰণত হোৱা মৃত্যুকো গণনা কৰা হোৱা নাই।

## 'ব্লেক ফাংগাছ'ৰ দৰে প্ৰাণঘাতক নহয় 'হোৱাইট ফাংগাছ' ঃ বিশেষজ্ঞৰ মত

**নিউজ ব্যুৰ', পাটনা, ২১ মে' ঃ** 'ব্লেক ফাংগাছ'ৰ নতুন আতংক সৃষ্টি হোৱাৰ সময়তে আন এক ভেঁকুৰজনিত সংক্ৰমণে ভাৰতত ত্ৰাস সৃষ্টি কৰিছে। এই নতুন ভেঁকুৰ সংক্ৰমণৰ নাম হৈছে 'হোৱাইট ফাংগাছ'। ইতিমধ্যে দেশৰ একাধিক ৰাজ্যত কে'বাজনো লোক 'হোৱাইট ফাংগাছ'ত আক্ৰান্ত হোৱাৰ বাতৰি লাভ কৰা হৈছে। কিন্তু চিকিৎসক বিশেষজ্ঞৰ মতে 'হোৱাইট ফাংগাছ' 'ব্লেক ফাংগাছ'ৰ দৰে মাৰাত্মক নহয়। পাটনাৰ পি এম চি এছৰ চৰ্মৰোগ বিশেষজ্ঞ ডাঃ অভিষেক ঝাই কয় যে 'হোৱাইট ফাংগাছ' এবিধ চৰ্মৰোগ আৰু এই ৰোগত আক্ৰান্ত হ'লে ছালত খজুৰতী হয়, উজ্জ্বল দাগ হয় যদিও এই সংক্ৰমণ প্ৰাণঘাতক নহয়। চিকিৎসক



বিশেষজ্ঞজনে লগতে কয় যে 'ব্লেক ফাংগাছ'ৰ দৰে 'হোৱাইট ফাংগাছ'ক লৈ আতংকিত হোৱাৰ প্ৰয়োজন নাই। চৰ্মৰোগ বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণৰে 'হোৱাইট ফাংগাছ'ৰ পৰা মুক্ত হ'ব পাৰি বুলি ডাঃ ঝাই কয়।

## ধৰ্ষণৰ গোচৰত ৰেহাই লাভ 'টেহেলকা'ৰ প্ৰতিষ্ঠাপক তেজপালৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ মে' ঃ** 'টেহেলকা' পত্ৰিকাৰ প্ৰতিষ্ঠাপক সম্পাদক তৰুণ তেজপালক ধৰ্ষণৰ এক গোচৰত নিৰ্দোষী ঘোষণা কৰিলে আদালতে। ২০১৩ত গোৱাৰ এখন হোটেলত এখন বৈঠকত অংশ লোৱাৰ সময়ত এগৰাকী মহিলা সহকৰ্মীক যৌন আতিশয্য চলোৱাৰ অভিযোগ উত্থাপিত হৈছিল তেজপালৰ বিৰুদ্ধে। ২০১৭ত নিম্ন আদালতে সাংবাদিকজনক ধৰ্ষণ, যৌন আতিশয্য আৰু বলপূৰ্বক আবদ্ধ কৰি ৰখাৰ অভিযোগত দোষী সাব্যস্ত কৰিছিল। নিম্ন আদালতৰ ৰায়ৰ বিৰুদ্ধে তেজপালে উচ্চতম ন্যায়ালয়ৰ ওচৰত দ্বাৰস্থ হৈছিল। সৰ্বোচ্চ ন্যায়ালয়ে গোৱাৰ আদালতক বিষয়টোৰ শুনানি অব্যাহত



ৰাখিবলৈ নিৰ্দেশ দিছিল। এই গোচৰৰে আজি ৰায় দিলে আদালতে। আজি আদালতৰ ৰায়ৰ পাছত তেজপালৰ কন্যা চাৰাই পিতৃৰ বিৰুদ্ধে মিথ্যা অভিযোগ উত্থাপন কৰা বুলি মন্তব্য কৰি কয়, 'আমি আদালতক নিৰপেক্ষ ৰায় প্ৰদানৰ বাবে ধন্যবাদ জনালো। যিদৰে আদালতে গোচৰৰ প্ৰতিটো দিশ বিশ্লেষণ কৰি, চি চি টিভিৰ ফুটেজ লক্ষ্য কৰি নিৰপেক্ষ ৰায় দিলে, সেয়া অভাৱনীয়। আমি অধিবক্তালৈও ধন্যবাদ জ্ঞাপন কৰিলো।' স্মৰ্তব্য যে তেজপালৰ বিৰুদ্ধে এগৰাকী মহিলা সহকৰ্মীয়ে যৌন আতিশয্য চলোৱাৰ অভিযোগ উত্থাপন কৰিছিল আৰু এই অভিযোগৰ পাছতে সাংবাদিকজনে 'টেহেলকা'ৰ সম্পাদকৰ পদ ত্যাগ কৰিছিল। ২০১৩ত তেজপালক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল যদিও ২০১৪ৰ পৰা তেওঁ জামিনত মুক্ত হৈ আছে।



## ভৱানীপুৰত পদত্যাগ বিধায়ক শোভনৰ, উপ-নিৰ্বাচনত প্ৰাৰ্থী হ'ব মমতা

**নিউজ ব্যুৰ', কলকাতা, ২১ মে' ঃ** পশ্চিমবংগৰ ভৱানীপুৰ সমষ্টিৰ পৰা পদত্যাগ কৰিবলৈ সিদ্ধান্ত ল'লে ৰাজ্যখনৰ কৃষিমন্ত্ৰী শোভনদেৱ চট্টোপাধ্যায়ে। প্ৰকাশিত বাতৰি অনুসৰি, শোভনে পদত্যাগ কৰাৰ পাছত অনুষ্ঠিত হ'ব লগা উপ-নিৰ্বাচনত ভৱানীপুৰ সমষ্টিৰ পৰা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। উল্লেখ্য যে মমতাই সদ্যসমাপ্ত বিধানসভা নিৰ্বাচনত নন্দীগ্ৰাম সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰি বিজেপিৰ শুভেন্দু অধিকাৰীৰ হাতত পৰাজিত হৈছিল। পূৰ্বে মমতাই ভৱানীপুৰ সমষ্টিৰ পৰা বিধায়ক নিৰ্বাচিত হৈ মুখ্যমন্ত্ৰী হৈছিল। কিন্তু সদ্যসমাপ্ত নিৰ্বাচনত মমতাই নন্দীগ্ৰামত প্ৰতিদ্বন্দ্বিতা কৰি ভৱানীপুৰ সমষ্টিত শোভনক দলৰ টিকট দিছিল।

## বছৰি এশ কোটি পালি ক'ভাক্সিন উৎপাদন কৰিব ভাৰত বায়'টেকে




**নিউজ ব্যুৰ', হায়দৰাবাদ, ২১ মে' ঃ** বছৰি ২০ কোটি পালি অতিৰিক্ত ক'ভাক্সিন প্ৰতিষেধক উৎপাদনৰ সিদ্ধান্ত ল'লে ভাৰত বায়'টেকে। ফলত প্ৰতিষ্ঠানটোৱে প্ৰতি বছৰে মুঠ এশ কোটি ক'ভিড প্ৰতিষেধক দেশত উৎপাদন কৰিব। ভাৰত বায়'টেকে আজি এই কথা প্ৰকাশ কৰি জনোৱা মতে, হায়দৰাবাদৰ লগতে আংকেলেশ্বৰত থকা উৎপাদন গোটক ক'ভাক্সিন প্ৰস্তুতকৰণৰ কামত কোম্পানীটোৱে ব্যৱহাৰ কৰিব। অহা অক্টোবৰৰ পৰাই এই নতুন কেন্দ্ৰ প্ৰতিষেধক উৎপাদন হ'ব পাৰে। ভাৰত বায়'টেকৰ সহ প্ৰতিষ্ঠাপক সুচিত্ৰা এলাই আজি কয়, 'আংকেলেশ্বৰত থকা গোটত অতিৰিক্ত ২০ কোটি পালি ক'ভাক্সিন উৎপাদন কৰা হ'ব। ফলত ভাৰত বায়'টেকে বছৰি দেশত এশ কোটি পালি প্ৰতিষেধক উৎপাদন কৰা সম্ভৱ হ'ব।'

## পেৰ'লত মুক্তি গুৰমিতৰ, ৰুগীয়া মাতৃক চাবলৈ উপস্থিত হ'ল ৰিজ'ৰ্টত

**নিউজ ব্যুৰ', ৰোহটক, ২১ মে' ঃ** ৰোহটকৰ ছুনাৰিয়া কাৰাগাৰত বন্দী হৈ থকা 'ডেৰা সচ্চা সৌদা'ৰ মুৰব্বী গুৰমিত ৰাম ৰহিমে আজি পেৰ'লত মুক্তি লাভ কৰিলে। গুৰমিতে তেওঁৰ ৰুগীয়া মাতৃক সাক্ষাৎ কৰিবলৈ কাৰাগাৰ কৰ্তৃপক্ষৰ পৰা পেৰ'লত মুক্তি বিচাৰিছিল। কাৰাগাৰৰ পৰা অনুমতি লাভৰ পাছতে আজি কঠোৰ নিৰাপত্তাৰ মাজেৰে গুৰমিতে টাবদুত থকা এখন ৰিজ'ৰ্টত উপস্থিত হয়। ছিৰ'ছাৰ পৰা ৰাম ৰহিমৰ ৰোগাক্ৰান্ত মাতৃকো এই ৰিজ'ৰ্টখনলৈ অনা হৈছে। উল্লেখ্য যে যৌন আতিশয্যৰ গোচৰত দোষী সাব্যস্ত হোৱা গুৰমিত ২০১৭ৰ ২৫ আগষ্টৰ পৰা কাৰাগাৰত বন্দী হৈ আছে। যোৱা সোমবাৰে গুৰমিতে পেৰ'লত মুক্তিৰ বাবে আবেদন জনাইছিল আৰু আজি কৰ্তৃপক্ষই অনুমোদন জনায়।



## অমিতাভৰ উদ্যোগত জুহুত স্থাপন হ'ল ক'ভিড চেণ্টাৰ

**নিউজ ব্যুৰ', মুম্বাই, ২১ মে' ঃ** কৰ'না সংক্ৰমণৰ কালত বলিউডৰ মহাতাৰকা অভিনেতা অমিতাভ বচ্চনে যথাসম্ভৱ সহায়ৰ হাত আগবঢ়াই আহিছে। বৰ্তমানলৈকে অমিতাভে ক'ভিড সাহায্য পুঁজিলৈ ১৫ কোটি টকাৰ দান আগবঢ়াইছে। এইবাৰ ক'ভিড ৰোগীক চিকিৎসা প্ৰদানৰ বাবে এটি কেন্দ্ৰ নিৰ্মাণত হাতে-কামে লাগিল জনপ্ৰিয় অভিনেতাজন। মহাতাৰকা অভিনেতাজনৰ আৰ্থিক সাহায্যত মুম্বাইৰ জুহুত ২৫ খন শয্যাযুক্ত এখন ক'ভিড কেয়াৰ চেণ্টাৰ গঢ়ি তোলা হ'ল। নিজৰ ব্ল'গত আজি এই কথা প্ৰকাশ কৰি অমিতাভে কয় যে এই ক'ভিড কেয়াৰ চেণ্টাৰটোত অক্সিজেনৰ পৰা আৰম্ভ কৰি কৰ'না ৰোগীৰ চিকিৎসাত ব্যৱহাৰ কৰা সকলো সামগ্ৰী উপলব্ধ হ'ব। ইতিমধ্যে অক্সিজেনৰ ২০টা চিলিণ্ডাৰ মজুত কৰা হৈছে আৰু পুনৰ ২০টা চিলিণ্ডাৰ ক্ৰয়ৰ ব্যৱস্থা লোৱা হৈছে। উল্লেখ্য যে অমিতাভ নিজেও জুহুৰে বাসিন্দা।



## গণতন্ত্ৰ দিৱসৰ হিংসাকাণ্ডৰ অভিযোগনামা দাখিল আৰক্ষীৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ মে' ঃ** যোৱা ২৬ জানুৱাৰীত গণতন্ত্ৰ দিৱসৰ দিনা দেশৰ ৰাজধানী দিল্লীত কৃষকৰ প্ৰতিবাদী ট্ৰেক্টৰ সমদলৰ সময়ত সংঘটিত হোৱা হিংসাত্মক ঘটনাৰ গোচৰৰ সন্দৰ্ভত আজি দিল্লী আৰক্ষীয়ে অভিযোগনামা দাখিল কৰিলে। দিল্লীত সংঘটিত হোৱা এই হিংসাত্মক কাণ্ডৰ সন্দৰ্ভত বিভিন্ন ব্যক্তিৰ বিৰুদ্ধে ৩৮টা গোচৰ ৰুজু কৰা হৈছিল। দিল্লী আৰক্ষীৰ অভিযোগ অনুসৰি, কৃষকসকলে ট্ৰেক্টৰ সমদলৰ বাবে পূৰ্ব নিৰ্ধাৰিত পথৰে সমদলত অংশ লোৱা নাছিল আৰু দিল্লীত প্ৰৱেশৰ ক্ষেত্ৰত 'বেৰীকেড' ভাঙি হিংসাত্মক পৰিস্থিতিৰ সৃষ্টি



কৰিছে। বিক্ষোভকাৰীয়ে আৰক্ষীক আক্ৰমণ কৰাৰ লগতে ৰাজধানীৰ বহু অঞ্চলত লণ্ডভণ্ড কৰিছিল। ইয়াৰ পাছত কৃষকসকলে লালকিল্লাত প্ৰৱেশ কৰি ত্ৰিৰংগা পতাকা ছিঙি আনিছিল। এই ঘটনাত আৰক্ষীয়ে দীপ সিন্ধুক মুখ্য অভিযুক্ত হিচাপে চিহ্নিত কৰিছে।

## টিকাকৰণত দেশৰ ভিতৰতে শীৰ্ষত জম্মু



**নিউজ ব্যুৰ', জম্মু, ২১ মে' ঃ** টিকাকৰণৰ ক্ষেত্ৰত দেশৰ ভিতৰতে এক নতুন অভিলেখ ৰচনা কৰিলে জম্মুৱে। কৰ'না বিৰোধী যুঁজত ইতিমধ্যে জম্মু জিলাত ৪৫ বছৰ উৰ্ধ্বৰ টিকাকৰণত এশ শতাংশ লক্ষ্য পূৰণ হ'ল। জম্মু-কাশ্মীৰৰ ভিতৰত এশ শতাংশ টিকাকৰণৰ অভিলেখ প্ৰথম ৰচিলে জম্মুৱে। আনহাতে, ৰাজ্যখনৰ সৰ্বাধিক কম টিকাকৰণ কুপৱাড়াত হৈছে। এইখন জিলাত মাত্ৰ ২৭.৭০ শতাংশ লোককহে ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হৈছে। আনহাতে, জম্মু-কাশ্মীৰত এতিয়ালৈকে ৬২.৬৬ শতাংশ লোকে ক'ভিড প্ৰতিষেধক লাভ কৰিলে।

## তিনি মাহত ৮০ শতাংশ মুনাফা বৃদ্ধি এছ বি আইৰ




**নিউজ ব্যুৰ', মুম্বাই, ২১ মে' ঃ** দেশৰ সৰ্ববৃহৎ বেংক ভাৰতীয় ষ্টেট বেংক (এছ বি আই)ৰ যোৱা জানুৱাৰীৰ পৰা মাৰ্চৰ সময়ছোৱাত বিগত বিত্তীয় বৰ্ষৰ চতুৰ্থটো ত্ৰিমাহিকত ৬,৪৫১ কোটি টকাৰ মুনাফা হ'ল। এবছৰ পূৰ্বে এই সময়ছোৱাত এছ বি আয়ে লাভ কৰা মুনাফাৰ পৰিমাণ আছিল ৩,৫৮১ কোটি টকা। অৰ্থাৎ পূৰ্বৰ বিত্তীয় বৰ্ষৰ অন্তিম ত্ৰিমাহিকৰ তুলনাত যোৱা বিত্তীয় বৰ্ষৰ অন্তিমটো ত্ৰিমাহিকত এছ বি আয়ে ৮০ শতাংশ মুনাফা বৃদ্ধি লাভ কৰিলে। ইফালে, এছ বি আইৰ পুঁজি বজাৰতো পাঁচ শতাংশ শ্বেয়াৰ বৃদ্ধিৰে প্ৰতি শ্বেয়াৰৰ মূল্য ৪০৩ টকা হ'ল। বেংকটোৰ শ্বেয়াৰ মূল্য বিগত এমাহত প্ৰায় ১৭ শতাংশ আৰু চলিত বৰ্ষত ৪০ শতাংশ হাৰত বৃদ্ধি পাইছে।



## ভাৰতীয় মূলৰ অন্বী অক্সফ'ৰ্ডৰ ছাত্ৰ একতা সভাত নিৰ্বাচিত

**নিউজ ব্যুৰ', লণ্ডন, ২১ মে' ঃ** ব্ৰিটেইনৰ আগশাৰীৰ অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ অধীনস্থ মেগডলেন কলেজত অনুষ্ঠিত হোৱা ছাত্ৰ একতা সভাৰ নিৰ্বাচনত জয়লাভ কৰিলে ভাৰতীয় মূলৰ ছাত্ৰী অন্বী ভূটানীয়ে। অন্বীয়ে অক্সফ'ৰ্ডৰ ছাত্ৰ একতা সভাৰ বৰ্ণবৈষম্য সচেতনতা আৰু সম্য অধিকাৰ অভিযানৰ সহ সভাপতি আৰু অক্সফ'ৰ্ড ইণ্ডিয়া ছ'চাইটিৰ সভাপতি হিচাপেও জড়িত। যোৱা নিশা অক্সফ'ৰ্ডৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত অন্বীয়ে বিপুলসংখ্যক ভোটত জয়লাভ কৰে।

# বানত বিধ্বস্ত দমদমা-ডিমু গড়কাপ্তানী পথৰ আজিও নহ'ল মেৰামতি



অগ্ৰদূত বাৰ্তা
**হাজো, ২১ মে' ঃ** তীৰ্থনগৰী হাজো সংযোগী দমদমা-ডিমু-ৰঙিয়া গড়কাপ্তানী পথটো অতি ব্যস্ত পথ। এই পথটো তীৰ্থনগৰী হাজোৰ স'তে সংযোগৰ অতি উত্তম আৰু চমু পথ হিচাপে চিহ্নিত হৈ আহিছে উত্তৰ-পূব হাজোবাসীৰ লগতে কমলপুৰ, ৰঙিয়াবাসীৰ। কিন্তু পুঠিমাৰী নদীৰ প্ৰলয়ংকৰী বানে যোৱাটো বাৰিষাত পথটোৰ বৰম্বে পাহাৰৰ সমীপৰ পৰা প্ৰায় এক কিলোমিটাৰ পথ ক্ষতিগ্ৰস্ত কৰে। সদাব্যস্ত পথছোৱা এবছৰ অতিক্ৰম কৰাৰ পাছতো বিভাগীয়ভাৱে কোনো পদক্ষেপ গ্ৰহণ নকৰিলে। ফলত বিপদসংকুলভাৱে পথছোৱাৰে সৰ্বসাধাৰণ ৰাইজে যাতায়াত অব্যাহত ৰাখিবলগীয়া হৈছে। বাৰিষাৰ পূৰ্বে পথছোৱাৰ পুনৰ নিৰ্মাণ অথবা মেৰামতি নকৰিলে ভয়াৱহ দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। স্থানীয় ৰাইজে অতি শীঘ্ৰে পথছোৱাৰ পুনৰ নিৰ্মাণ অথবা মেৰামতি কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে।

# অচিৰেই অভয়াপুৰী-গৌৰীপুৰ ৰেল পথেৰে ৰেল চলাচল

## কৰ'নাসৃষ্ট পৰিস্থিতিত ৰাজ্যত খাদ্যৰ নাটনি নহয় ঃ মালেগাঁওকাৰ

অগ্ৰদূত বাৰ্তা
**ৰঙিয়া, ২১ মে' ঃ** ৰাজ্যত ভয়াবহভাৱে বৃদ্ধি হোৱা কৰ'না মহামাৰীক প্ৰতিৰোধ কৰাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰাৰ সমান্তৰালকৈ ৰঙিয়া ৰেলৰে সংমণ্ডলেও কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই ঘোষণা ৰঙিয়া ৰেল সংমণ্ডলৰ মাণ্ডলিক প্ৰৱন্ধক ভি এ মালেগাঁওকাৰৰ। কালি তেওঁ মাণ্ডলিক প্ৰৱন্ধকৰ সভাকক্ষত অনুষ্ঠিত এক সংবাদমেলত এই ঘোষণা কৰে। সংবাদমেলত তেওঁ কয় যে এই দুৰ্যোগৰ সময়ত ৰঙিয়া ৰেল সংমণ্ডল ৰাজ্য চৰকাৰক সহায় কৰাৰ বাবে সম্পূৰ্ণৰূপে প্ৰস্তুত। মাণ্ডলিক প্ৰৱন্ধকজনে কয় যে সমগ্ৰ দেশৰ লগতে উত্তৰ-পূব অঞ্চলতো কৰ'না মহামাৰীৰ যি ধৰণে বৃদ্ধি হৈছে ই এক চিন্তাৰ কাৰণ হৈ পৰিছে। এনে এক জটিল সময়ত কেনেধৰণে ইয়াক প্ৰতিৰোধ কৰিব পাৰি তাৰ প্ৰতি লক্ষ্য ৰাখি ৰঙিয়া ৰেল সংমণ্ডলৰ মাণ্ডলিক প্ৰৱন্ধকজনৰ তত্বাৱধানত ইতিমধ্যে ক'ভিড আক্ৰান্তসকলৰ চিকিৎসাৰ বাবে বঙাইগাঁৱত ২০টা আৰু ৰঙিয়াত ১১টা ডবা অক্সিজেনসহ আছুতীয়াকৈ ৰখা হৈছে। আনহাতে, সংক্ৰমণ ৰোধ কৰাৰ বাবে আজিৰে পৰা আন্তঃজিলাৰ যাতায়াত ব্যৱস্থা বন্ধ হ'লেও ইয়াৰ বাবে বিশেষ চিন্তাৰ কাৰণ নাই বুলি উল্লেখ কৰি মাণ্ডলিক প্ৰৱন্ধকজনে কয় যে এই জটিল সময়তো অসমত কোনো ধৰণৰ খাদ্য-সামগ্ৰীৰ নাটনি নহয়। ৰাজ্য চৰকাৰৰ লগত হোৱা আলোচনা মৰ্মে ৰেল বিভাগে ইতিমধ্যে কামৰূপ জিলাৰ চাংসাৰিসহ নামনি আৰু উজনি কে'বাটাও ষ্টেছনত বহিঃৰাজ্যৰ পৰা অহা খাদ্য-সামগ্ৰী নমোনাৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। খাদ্য সামগ্ৰী নমোৱাৰ ক্ষেত্ৰত যাতে কোনো অসুবিধা নহয় তাৰ বাবে ইতিমধ্যে ৰাজ্য চৰকাৰৰ লগত আলোচনা কৰি চাংসাৰিত এই কামত নিয়োজিত ৩৫০ শ্ৰমিকক বিশেষ পৰিচয়পত্ৰ প্ৰদান কৰা হৈছে বুলি তেওঁ কয়। আনহাতে, অসমৰ লগতে ভাৰতীয় খাদ্য নিগমৰ উচ্চপদস্থ বিষয়াসকলৰ লগত সঘন যোগাযোগ ৰখা বুলিও তেওঁ কয়। তেওঁ কয় যে যাত্ৰীৰ সংখ্যা কম হোৱাৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰ-পূব সীমান্ত ৰেলৰে প্ৰায় ১০খন ৰেলৰ চলাচল বাতিল কৰিছে যদিও নিউ বঙাইগাঁও আৰু গুৱাহাটীৰ মাজত চলাচল কৰা মানস ৰাইনো যাত্ৰীবাহী ৰেল, ৰঙিয়া আৰু তিনিচুকীয়া আৰু ডিব্ৰুগড়ৰ মাজত চলাচল কৰা ৰেলৰ লগতে লাচিত এক্সপ্ৰেছ বন্ধ কৰা নহয় বুলি ঘোষণা কৰে। আনহাতে, অসমবাসীলৈ এক সুখবৰ প্ৰদান কৰি মালেগাঁওকাৰে কয় যে অচিৰেই অভয়াপুৰী আৰু গৌৰীপুৰৰ মাজত নতুন ৰেলপথেৰে ৰেল চলাচল আৰম্ভ হ'ব। ৪৮ কিলোমিটাৰ দৈৰ্ঘৰ এই নতুন ৰেলপথ সম্পূৰ্ণ হৈ উঠিল ৰেলৰ উচ্চ পদস্থ বিষয়াসকলৰ পৰিদৰ্শনৰ পাছত এই পথেদি ৰেল চলাচল আৰম্ভ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। ৰঙিয়া ৰেল ষ্টেছনৰ লিফ্ট আৰু এস্কেলেটৰৰ নিৰ্মাণকাৰ্য সম্পন্ন হৈছে যদিও অসম চৰকাৰৰ তৰফৰ পৰা সেউজ সংকেত পালেই কাৰ্যক্ষম কৰা হ'ব বুলি তেওঁ কয়। বিগত বিত্তীয় বছৰত যাত্ৰীবাহী ৰেলৰ চলাচল বন্ধ থকাত যাত্ৰী কঢ়িওৱাৰ ক্ষেত্ৰত ৰেল বিভাগে আৰ্থিক ক্ষতিৰ সন্মুখীন হৈছে যদিও অভিলেকসংখ্যক সামগ্ৰী কঢ়িওৱা ৰেল চলাই অধিক লাভৰ মুখ দেখা বুলি ৰেল প্ৰৱন্ধকজনে সাংবাদিকসকলক জানিবলৈ দিয়ে।

# বড়বড়ী কণ্টেইনমেণ্ট জ'নত নিশা চুৰি

**আলোপতি, ২১ মে' ঃ** ভূতৰ ওপৰত দানৰ পৰিছে গোৱালপাৰা জিলাৰ শিমলীতোলা আৰক্ষী চকীৰ অন্তৰ্গত বড়বড়ী গাঁওবাসীৰ ওপৰত। আপদে যেন লগ এৰা নাই বড়বড়ী গাঁওবাসীক। যোৱা সাত মে'ৰ পৰা গাঁওখনৰ প্ৰায় ১৭২ টা পৰিয়াল কণ্টেইনমেণ্ট জ'নত পৰি ভোক-পিয়াহত দিন কটাইছে। জিলা প্ৰশাসনে ন্যূনতম অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান নধৰাত পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে গাঁওবাসীৰ মাজত। ইয়াৰ মাজতে যোৱা নিশা গাঁওখনত সংঘটিত হৈছে চুৰিকাণ্ড। গাঁওখনৰ হিতেশ কলিতাৰ ঘৰৰ খিৰিকীৰ গ্ৰীল ভাঙি ভিতৰত প্ৰৱেশ কৰি চোৰে চলায় চাফাই অভিযান। ঘৰৰ শ্বোকেচ ভাঙি চোৰে চাৰি তোলা সোণ, পাঁচ তোলা ৰূপৰ আ-অলংকাৰৰ লগতে নগদ প্ৰায় ১৩ হেজাৰ টকাও লুটি নিয়ে। বড়বড়ী কণ্টেইনমেণ্ট জ'নত সংঘটিত এনে চুৰি কাণ্ডই সমগ্ৰ অঞ্চলটোতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। নিচা জাতীয় দ্ৰব্য ছটিয়াই নিৰ্বিঘ্নে চোৰে-সা-সম্পদখিনি লুটি নিয়াৰ কথা ব্যক্ত কৰিছে ভুক্তভোগী পৰিয়ালটোৱে। ঘটনা সন্দৰ্ভত পৰিয়ালৰ লোকে শিমলীতোলা আৰক্ষীক অৱগত কৰাত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ তদন্ত অব্যাহত ৰাখিছে। কণ্টেইনমেণ্ট জ'নৰ বাসিন্দাসকলে যিহেতুকে বাহিৰ ওলাব পৰা নাই তাৰে সুযোগ লৈ চোৰে চুৰিকাণ্ড সংঘটিত কৰাৰ কথা ব্যক্ত কৰিছে গাঁওবাসীয়ে। ইপিনে, এনে চুৰিকাণ্ডৰ পুনৰাবৃত্তি হোৱাৰো আশংকা কৰিছে গাঁওবাসীয়ে। সেয়ে গাঁওখনত ২৪ ঘণ্টাই আৰক্ষীৰ টহলৰ ব্যৱস্থা কৰি গাঁওবাসীৰ সা-সম্পত্তিৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনক দাবী জনাইছে।

# বাঙালীপাৰাত সহস্ৰাধিকৰ মাজত মাস্ক বিতৰণ

বিশেষ সংবাদদাতা
**বিলাসীপাৰা, ২১ মে' ঃ** ক'ভিড-১৯ সংক্ৰমণে ক্ৰমান্বয়ে ভয়াৱহ ৰূপ ধাৰণ কৰিবলৈ লৈছে। ইয়াৰ পাছতো একাংশই মুখত মাস্কখনো পৰিধান কৰা নাই। একাংশৰ এনে কাণ্ড জ্ঞানৰ পাছতে ওলাই আহিছে এজন জনপ্ৰতিনিধি। আনন্দ নগৰ বাঙালীপাৰা গাঁও পঞ্চায়তৰ সভাপতি জামাল হকে ৰাইজৰ মাজত বিনামূলীয়াকৈ বিতৰণ কৰিছে মাস্ক। যোৱা ২০ মে'ত বাঙালীপাৰা চাৰিআলি বজাৰত পথচাৰী, বিভিন্ন বাহনৰ চালক-যাত্ৰীৰ মাজত কে'বা সহস্ৰাধিক মাস্ক বিতৰণ কৰে। লগতে জনপ্ৰতিনিধিজনে অনুভাষ যন্ত্ৰযোগে সকলো ৰাইজক সজাগ আৰু সচেতন হ'বলৈ আহ্বান জনায়।

# বাগ্‌সাৰ শালবাৰীত চৰকাৰী ঘৰৰ নামত ব্যাপক খেলিমেলি

## আনৰ নামত থকা চৰকাৰী আৱাস যোজনাৰ গৃহ লাভ কৰিলে অন্য ব্যক্তিয়ে

অগ্ৰদূত বাৰ্তা
**শালবাৰী, ২১ মে' ঃ** বাগ্‌সাৰ শালবাৰীত চৰকাৰী আৱাস গৃহ আৱণ্টনক কেন্দ্ৰ কৰি দুই হিতাধিকাৰীৰ মাজত তীব্ৰ বাক্‌বিতণ্ডা সৃষ্টি হোৱাৰ লগতে অভিযোগ, প্ৰতি অভিযোগ উঠিছে।গোৰৰ্ধনা উন্নয়ন খণ্ডৰ জৰিয়তে নিৰ্বাচন কৰা এগৰাকী হিতাধিকাৰীৰ পৰিৱৰ্তে আন এগৰাকীয়ে চৰকাৰী আৱাস গৃহ নিৰ্মাণ কৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে গোৰৰ্ধনা উন্নয়ন খণ্ডৰ অন্তৰ্গত গোৰৰ্ধনা গাঁৱৰ লাল মিঞা নামৰ লোক এজনৰ নামত আৱণ্টন হৈছিল এটা চৰকাৰী আৱাস গৃহ। কিন্তু মিঞাৰ নামত আৱণ্টিত বাসগৃহটো উক্ত গাঁওনৰে দিবাকৰ দাস নামৰ লোক এজনে নিৰ্মাণ কৰে বুলি অভিযোগ উঠিছে। ইফালে, দিবাকৰ দাস নামৰ লোকজনে গৃহ নিৰ্মাণৰ কাম প্ৰায় সম্পূৰ্ণ কৰে। ফলত এতিয়া অভিযোগ উত্থাপিত হৈছে গোৰৰ্ধনা উন্নয়ন খণ্ডৰ বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে। লাল মিঞাৰ অভিযোগ মতে, দনৰ লেনদেন কৰি তেওঁৰ নামত অৱণ্টিত ঘৰটো আন ব্যক্তিক দিয়া হৈছে। ইতিমধ্যে মিঞা এই বিষয়টোক লৈ গোৰৰ্ধনা উন্নয়ন খণ্ড আৰু বাগ্‌সাৰ সদৰ মুছলপুৰত থকা উপায়ুক্তৰ কাৰ্যালয়লৈ অভিযোগ পত্ৰ প্ৰেৰণ কৰিছে যদিও কোনো সঁহাৰি লাভ কৰা নাই। উপায়বিহীন হৈ লাল মিঞাই কালি চৰকাৰৰ উৰ্ধ্বতন কৰ্তৃপক্ষক বিষয়টো অৱগত কৰাবলৈ সংবাদ মাধ্যমৰ কাষ চাপি তেওঁ এই সন্দৰ্ভত উচিত তদন্ত কৰি প্ৰকৃত ব্যক্তিকহে চৰকাৰী ঘৰটো প্ৰদান কৰিব লাগে বুলি দাবী জনায়। ইফালে, দিবাকৰ দাসে চৰকাৰী ঘৰটো তেওঁৱে লাভ কৰা বুলি সংবাদ মাধ্যমৰ আগত দাবী কৰিছে।

# মঙলদৈত কৰ'নাৰ প্ৰাদুৰ্ভাৱৰ মাজতে মানৱতাৰ জয়গান

## অচিনাকি ৰোগীক ৰক্তদান কৰিলে লক্ষ্যজিৎ শৰ্মাই

অগ্ৰদূত বাৰ্তা
**মঙলদৈ, ২১ মে' ঃ** দৰং জিলাত দ্ৰুতগতিত বৃদ্ধি পাইছে ক'ভিড আক্ৰান্ত ৰোগী। মঙলদৈ অসামৰিক চিকিৎসালয়ত ৰখা হৈছে ক'ভিড ৰোগী। যাৰ বাবে ভয়-শংকাত অন্যান্য ৰোগী চিকিৎসালয়খনলৈ অহাটো বহুলাংশে কমি গৈছে। এনে এক পৰিৱেশৰ মাজত যোৱা ১৫ মে'ত এক অচিনাক্ত ৰোগীক ৰক্তদান কৰিবলৈ ঢপলিয়াই আহিল এজন যুৱক। যুৱকজনৰ নাম লক্ষ্যজিৎ শৰ্মা। ঘৰ ঝাকুৱাপাৰাত। কৃষি কৰ্মৰে স্বাৱলম্বী হোৱাৰ সংগ্ৰামত ব্যস্ত শৰ্মাই একেবাৰে অচিনাকি মঙলদৈ চহৰৰ নিকটৱৰ্তী চপাই মৌজাৰ অন্তৰ্গত লংকাপুৰী গাঁৱৰ নিবাসী, দিন হাজিৰা কৰি পেটে-ভাতে চলি থকা ৰতন সেনক কৰে ৰক্তদান। মেলিনা ৰোগত আক্ৰান্ত ৰতন মঙলদৈ অসামৰিক চিকিৎসালয়ত ১৪ মে'ৰ নিশা ভৰ্তি হৈছিল। চিকিৎসকে দুই ইউনিট তেজ যোগাৰ কৰিবলৈ পৰিয়ালক কোৱাত পৰিয়ালটো এক সমস্যাৰ সন্মুখীন হয়। কিয়নো বৰ্তমান পৰিস্থিতিত ৰক্তদান কৰিবলৈ বহুতেই অস্বীকাৰ কৰে। তেনে সময়তে সমাজকৰ্মী প্ৰাণজিৎ শইকীয়া (ৰঞ্জু)ৰ আহ্বানত শৰ্মাই মঙলদৈ অসামৰিক চিকিৎসালয়লৈ আহি হাস্যবদনেৰে কৰে ৰক্তদান। এই কাৰ্যত উৎসাহিত কৰে মঙলদৈ ব্লাড বেংকৰ ভাৰপ্ৰাপ্ত চিকিৎসা বিষয়া ডাঃ ডাউদ আলী, ইউনিটি উই দ্যা ব্লাড ড'নাৰছ গ্ৰুপৰ মুখ্য উপদেষ্টা শেখৰ মজুমদাৰ, মানুহে মানুহৰ বাবে, দৰং, অসম'ৰ সম্পাদক গণেশ দত্ত, কোষাধ্যক্ষ ৰাতুল ডেকা আদিয়ে।

# বৰছলাৰ সোলালভেটিত কৃষিভূমিত বৰোধানৰ খেতি

## সেউজীয়া হৈ পৰিছে পৰিৱেশ



অগ্ৰদূত বাৰ্তা
**শিঙৰী, ২১ মে' ঃ** ঢেকিয়াজুলি ৰাজহ চক্ৰৰ শিঙৰী অঞ্চলৰ সোলালভেটিত এদল কৃষকে বৰোধানৰ খেতি কৰি উপকৃত হৈছে। স্থানীয় কৃষকসকলে সোলালভেটিত প্ৰায় তিনিশ বিঘা মাটিত বৰোধানৰ খেতি কৰিছে আৰু এতিয়া সোলালভেটিত সেউজীয়া ধাননিয়ে মনোমোহা পৰিৱেশৰ সৃষ্টি কৰিছে। উল্লেখ্য যে বৰছলা সমষ্টিৰ অন্তৰ্গত সোলালভেটিত বিগত কংগ্ৰেছ চৰকাৰৰ আমোলত স্থাপন কৰা দুটা গভীৰ নলীনাদ আঁচনি কাৰ্যক্ষম হোৱাত কৃষক ৰাইজে তেওঁলোকৰ কৃষিকৰ্মৰ বাবে প্ৰয়োজনীয় পানী লাভ কৰে। ইয়াৰ পাছত তেওঁলোকে নতুন উদ্যমেৰে কৃষিকৰ্মত মনোনিৱেশ কৰে। কৃষক ৰাইজে নিজ নিজ পথাৰত নিজস্ব পদ্ধতিৰে বৰোধানৰ খেতি কৰিছে। কেইমাহ পূৰ্বে ৰোপণ কৰা কঠীয়া এতিয়া লহপহকৈ বাঢ়ি অহাত সেউজীয়া ধাননিৰে পথাৰখন ভৰি পৰিছে। বিগত বৰ্ষসমূহতো স্থানীয় কৃষকসকলে ইয়াত বৰোধানৰ খেতি কৰিছিল। অৱশ্যে পূৰ্বতে সীমিত সংখ্যক কৃষকে বৰোধানৰ খেতি কৰিছিল যদিও জলসিঞ্চন আঁচনি কাৰ্যক্ষম হোৱাৰ পাছত বহুকেইজন কৃষকে বৰোধানৰ খেতি কৰিছে। মন কৰিবলগীয়া যে নিজৰ পৰ্যাপ্ত কৃষিভূমি থকাৰ পাছতো এচাম লোকে কৃষিকৰ্মক বাদ দি অন্য ক্ষেত্ৰত জড়িত হৈছে। তেনে সময়তে সোলালভেটিৰ কৃষি পথাৰত স্থানীয় লোকে কৃষিকৰ্মত মনোনিৱেশ কৰি সকলোকে কৃষিকৰ্মৰ বাৰ্তা দিছে।

# জিলাভিত্তিক ৰচনা প্ৰতিযোগিতাৰ আয়োজন

অগ্ৰদূত বাৰ্তা
**বৰভাগ, ২১ মে' ঃ** নলবাৰী জিলাৰ বৰভাগৰ স্বেচ্ছাসেৱী অনুষ্ঠান সন্ধানৰ উদ্যোগত নলবাৰী জিলাভিত্তিক এখন ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। 'ক'ভিড-১৯ আৰু অসমৰ শিক্ষা ব্যৱস্থাৰ ইয়াৰ প্ৰভাৱ (আৰম্ভণি ক'ভিড-১৯, অসমৰ শৈক্ষিক দিশত ক'ভিডৰ প্ৰভাৱ, ক'ভিড-১৯ৰ জটিল সময়ছোৱাত শিক্ষাৰ দিশত অগ্ৰগতিৰ বাবে পৰামৰ্শ, সামৰণি) শীৰ্ষক ৰচনা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা প্ৰতিযোগীয়ে ইংৰাজী আৰু অসমীয়া ভাষাত লিখাৰ লগতে এহেজাৰ/১৫০০ শব্দৰ ভিতৰত টাইপিং অথবা ফটো আকাৰত পি ডি এফ যোগে অহা ৩১ মে'ৰ আগত ৯৩৬৫৪৩৩৫০৫, ৯১০১৪১৬৪৫১, ৭৬৩৭০২১৬৪৪ ফোন নম্বৰত প্ৰেৰণ কৰিব পাৰিব। উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰা স্নাতক তৃতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আৰব্ধ ৰচনা প্ৰতিযোগিতাত বিজয়ী প্ৰথম, দ্বিতীয় আৰু তৃতীয় প্ৰতিযোগিতা ক্ৰমে হালো জাপি, কিতাপৰ টোপোলা আৰু মানপত্ৰ প্ৰদান কৰিব বুলি উদ্যোক্তাই জনাইছে।

# নগৰবেৰাত দুৰ্ঘটনাত পতিত চিমেণ্টভৰ্তি ট্ৰাক

**আলোপতি, ২১ মে' ঃ** নগৰবেৰা আৰক্ষী থানা অঞ্চলক কালি সন্ধিয়া এখন চিমেণ্ট ভৰ্তি ট্ৰাক দুৰ্ঘটনাত পতিত হয়। গুৱাহাটীৰ পৰা চিমেণ্ট ভৰ্তি এ এছ-০১ এল চি-১৪১১ নম্বৰৰ এখন ট্ৰাক নগৰবেৰা অভিমুখে আহি থকা অৱস্থাত নগৰবেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় সমীপত নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিত বাগৰি পৰে। দুৰ্ঘটনা সংঘটিত কৰি ট্ৰাকৰ চালকজন ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ট্ৰাকখনত ২৪০ বেগ চিমেণ্ট আছিল।

## 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত বাতৰিৰ প্ৰভাৱ

# বাগ্‌সাৰ বিজনীত বেঁকী নৈৰ খহনীয়া পৰিদৰ্শন বিষয়াৰ

অগ্ৰদূত বাৰ্তা
**শালবাৰী, ২১ মে' ঃ** যোৱা ন মে'ত 'দৈনিক অগ্ৰদূত'ত বাগ্‌সা জিলাৰ শালবাৰীৰ খাৰিজা বিজনীৰ বাৰাপেটা দোমনি ঘাটত চলি থকা বেঁকী নৈৰ খহনীয়া সন্দৰ্ভত বাতৰি প্ৰকাশ পাইছিল। উক্ত বাতৰি প্ৰকাশৰ পাছত কালি গোৰৰ্ধনা উন্নয়ন খণ্ডৰ খণ্ড বিষয়াই উক্ত স্থানত উপস্থিত হৈ পৰিদৰ্শন কৰে বেঁকী নৈৰ খহনীয়া। তদুপৰি শীঘ্ৰেই এই খহনীয়া ৰোধৰ কাম আৰম্ভ হ'ব বুলিও ৰাইজক অৱগত কৰে বিষয়াজনে। উল্লেখ্য যে সৰভোগ সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস আৰু বিটিআৰৰ কাৰ্যবাহী সদস্য গৌতম দাসৰ নিৰ্দেশ মৰ্মে কালি উক্ত খহনীয়াস্থলী পৰিদৰ্শন কৰে। উল্লেখ্য যে অঞ্চলটোত আজিও অব্যাহত আছে বেঁকী নৈৰ খহনীয়া। উক্ত পথটো কেনেবাকৈ বেঁকীৰ বুকুত জাহ গ'লে বৃহত্তৰ খাৰিজা বিজনী অঞ্চলৰ হেজাৰ হেজাৰ ৰাইজৰ যাতায়াতৰ ক্ষেত্ৰত সমস্যাই গা কৰি উঠিব। কালি বেঁকী নৈৰ খহনীয়া অঞ্চল পৰিদৰ্শন কৰি শীঘ্ৰেই খহনীয়া ৰোধৰ ব্যৱস্থা হাতত লোৱা হ'ব বুলি আশ্বাস দিয়া বিভাগীয় কৰ্তৃপক্ষক আদৰণি জনাইছে এবিএমছুৰ শালবাৰী জিলা সমিতিৰ সভাপতি শ্বাইজুদ্দিন খণ্ডকাৰে।

# বিশিষ্ট সমাজকৰ্মী হৰকান্ত কলিতাৰ মৃত্যু

**পাটাছাৰকুছি, ২১ মে' ঃ** পাটাছাৰকুছিৰ ওছৰৰ বৰনলীকুছিৰ গাঁৱৰ বাসিন্দা হৰকান্ত কলিতাৰ (৮০) কালি বিয়লি পাঁচ বজাত নিজ বাসগৃহত মৃত্যু ঘটে। কিছু দিন পূৰ্বে বৰপেটা মেডিকেলত চিকিৎসা কৰি অহাৰ পাছত কালি আবেলি নিজ বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁৰ হৃদ ৰোগত আক্ৰান্ত আছিল। সমাজকৰ্মী কলিতাই পাটাছাৰকুছি অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। তেওঁ পাটাছাৰকুছি ৰাস পৰিচালনা সমিতি, দুৰ্গাপূজা সমিতি, শিৱ ধাম সমিতিৰ লগতে উন্নয়ন সমিতিৰ লগত জড়িত আছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ, তিনিগৰাকী কন্যা, দুজন পুত্ৰ এৰি যায়।

# টিহুত ভিডিপিৰ সম্পাদিকা পখিলা দাসৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা
**টিহু, ২১ মে' ঃ** টিহু নগৰৰ তিনি নম্বৰ ৱাৰ্ড নিৱাসী এগৰাকী ভাল নামতী, কৰ্মপটু-সৰবৰহী মহিলা, টিহু থানা ভিডিপিৰ প্ৰথমগৰাকী মহিলা কৰ্মী, নপাৰা (তিনি নম্বৰ ৱাৰ্ড) ভিডিপিৰ সম্পাদিকা, নলবাৰী জিলাৰ ভিডিপি সমন্বয়ৰক্ষী সমিতিৰ উপ-সভানেত্ৰী, সক্ৰিয় কংগ্ৰেছ কৰ্মী পখিলা দাস (৪৩)ৰ কালি মৃত্যু হয়। উল্লেখ্য যে পখিলা দাসে যোৱা ১৯ মে'ত অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে চিকিৎসাৰ বাবে গুৱাহাটীলৈ নি এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰিছিল যদিও কালি দিনৰ দুই বজাত মৃত্যু হয়। টিহুৰ ধৰ্মীয় সমন্বয়ৰ অনুষ্ঠান ৰাস মহোৎসৱ, দুৰ্গা পূজা আদিত গাঁওৰক্ষী বাহিনীৰ হৈ সুন্দৰভাৱে দায়িত্ব পালন কৰা পখিলা দাসৰ মৃত্যুত টিহু থানা গাঁওৰক্ষী বাহিনী, টিহু আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰত্নকান্ত শৰ্মা, টিহু মহকুমা ৰিপ'ৰ্টাৰ্ছ এছ'চিয়েছন, টিহু বাৰোৱাৰী, দুৰ্গাপূজা সমিতি, টিহু মহকুমা সাংবাদিক সন্থা, টিহু বাৰোৱাৰী ৰাস মহোৎসৱ সমিতি, টিহু ব্লক কংগ্ৰেছ কমিটী, নপাৰা, গোপীনাথ নামঘৰ পৰিচালনা সমিতি, নপাৰা চুবুৰি উন্নয়ন সমিতি, গাঁওবুঢ়া জয়ন্ত মেধি, তিনি নম্বৰ ৱাৰ্ডৰ প্ৰাক্তন কমিচনাৰ বিমলা দাস, সমাজকৰ্মী কৃপা ঠাকুৰীয়া, নলবাৰী জিলা ভিডিপি সমন্বয়ৰক্ষী সমিতি আদিয়ে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ স্বামীৰ উপৰি এজন পুত্ৰ আৰু দুগৰাকী কন্যা এৰি যায়।

# পশ্চিম কামৰূপ বন সংমণ্ডলৰ কুশলী টিয়ামাৰীত মৃত বনৰীয়া হাতী উদ্ধাৰ



**ছয়গাঁও, ২১ মে' ঃ** নগাঁৱৰ তপতজুৰি পাহাৰৰ টিলাত একেলগে ১৮ টা হাতীৰ মৃতদেহ উদ্ধাৰ হোৱাৰ ৰহস্য মাৰ নৌযাওঁতে দক্ষিণ কামৰূপত পুনৰ উদ্ধাৰ হৈছে এটি মৃত হাতী। পশ্চিম কামৰূপ বন সংমণ্ডলৰ কুলশী বনাঞ্চলিক কাৰ্যালয়ৰ সমীপৰ টিয়ামাৰীত কালি পুৱা পথাৰত উদ্ধাৰ হয় হাতী এটাৰ মৃতদেহ। উদ্ধাৰ হোৱা মতা হাতীটোৰ বয়স আঠ বছৰ বুলি বন বিভাগে অনুমান কৰিছে। কিন্তু ৰহস্যজনকভাৱে পথাৰৰ সমীপত উদ্ধাৰ হোৱা এই হাতীটোৰ কি কাৰণত মৃত্যু হ'ল সেই কথা স্পষ্ট হোৱা নাই। ঘটনাস্থলীত কুলশীৰ বনাঞ্চলিক বিষয়া দ্বিপন ডেকা উপস্থিত হৈ হাতীটোৰ মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। ঘটনাস্থলীত বন বিভাগৰ চিকিৎসকৰ দল এটা উপস্থিত হৈ ৰেঞ্জাৰ ডেকাৰ লগত হাতীটো পৰ্যবেক্ষণ কৰি মৰণোত্তৰ পৰীক্ষা কৰে। হাতীটোৰ মৃত্যু স্থানীয় লোকে গোপনে সংযোগ কৰা বিদ্যুতৰ তাঁৰত লাগি হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে যদিও মৰণোত্তৰ পৰীক্ষাৰ অন্ততহে প্ৰকৃত ঘটনা পোহৰলৈ আহিব। উল্লেখ্য যে একেটা সংমণ্ডলৰ বামুণীগাঁও বনাঞ্চলিক কাৰ্যালয়ৰ জালুকবাৰীৰ বুঢ়ামৰা শিলপুটা পাহাৰত মাতৃ আৰু পোৱালি সহিতে দুটা হাতী শিলৰ চেপাত আবদ্ধ হৈ থকাত স্থানীয় ৰাইজে উদ্ধাৰ কৰে যদিও কিছুদিন পূৰ্বে পোৱালি হাতীটোৰ মৃত্যু হয়।

# ক'ভিড-১৯ নিয়ন্ত্ৰণৰ সন্দৰ্ভত থানা পৰ্যায়ৰ কমিটী গঠন

অগ্ৰদূত বাৰ্তা
**গৰুভাষা, ২১ মে' ঃ** কৰ'নাৰ দ্বিতীয় ঢৌ আৰম্ভ হোৱাৰ পাছত ৰাজ্যৰ অন্যান্য অঞ্চলৰ লগতে চিৰাং জিলাতো ক'ভিড আক্ৰান্তৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিছে। জিলাখনত ক'ভিড-১৯ সংক্ৰমণ ৰোধৰ উপৰি নাগৰিকৰ সমস্যা সমাধানৰ উদ্দেশ্যে আগত ৰাখি যোৱা ১৯ মে'ত জিলা উপায়ুক্তই এক নিৰ্দেশযোগে জিলাখনৰ সাতখন থানা পৰ্যায়ৰ কমিটী গঠন কৰে। প্ৰতিটো থানা পৰ্যায়ৰ কমিটীত এজনকৈ কাৰ্যবাহী দণ্ডাধীশ, থানাৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু চিকিৎসকক অন্তৰ্ভুক্ত কৰা হৈছে। উপায়ুক্তই জিলাখনৰ সৰ্বসাধাৰণক বাৰে বাৰে হাত ধোঁৱা, ছেনিটাইজাৰ কৰা, মুখত মাস্ক পিন্ধা আৰু সামাজিক দূৰত্ব বজাই ৰাখিবলৈ আহ্বান জনায়।

# হাওৰাঘাটত কদৰ্যময় পথৰ দুৰৱস্থাত জীয়াতু ভুগিছে ৰাইজে



অগ্ৰদূত বাৰ্তা
**হাওৰাঘাট, ২১ মে' ঃ** কাৰ্বি আংলং জিলাৰ হাওৰাঘাট নগৰৰ তিনি নম্বৰ ৱাৰ্ডৰ এটা গুৰুত্বপূৰ্ণ পথ। আচলতে পথ বুলি ক'লে এতিয়া ভুল কৰা হ'ব। কঠীয়া ৰুব পৰা এক পৰিৱেশ। স্থানীয় জনপ্ৰতিনিধিজন খনছিং ৰংপিৰ তথাকথিত আদৰ্শ হাওৰাঘাটৰ দৃশ্য এই পথটো য'ত কৰ্তব্যৰত আৰক্ষীৰো হয় নগুৰ-নাগতি। হাওৰাঘাটৰ যমুনা নৈৰ কাষেৰে ৰাজহুৱা শ্মশান তথা মাটিখোলা গাঁৱলৈ যোৱা মাথোঁ দুই কিলোমিটাৰ দূৰত্বৰ নাতিদীৰ্ঘ এই পথছোৱাৰ অৱস্থা বিগত ১০-১৫ বছৰে তথৈবচ। কিন্তু কাণসাৰ নাই সংশ্লিষ্ট কৰ্তৃপক্ষৰ। শেহতীয়াকৈ 'জল-জীৱন মিছন'ৰ পানীৰ পাইপ বহুৱাৰ নামত সংশ্লিষ্ট ঠিকাদাৰে। অপৰিকল্পিতভাৱে পথৰ কাষত জধে-মধে মাটি খান্দি কদৰ্যময় অৱস্থাৰ সৃষ্টি কৰাত উল্লিখিত পথছোৱা সম্প্ৰতি যাতায়াতৰ বাবে আৰু অধিক অনুপযোগী হৈ পৰিছে। যাৰ বাবে কালি কৰ্তব্যৰত এজন আৰক্ষী এইদৰে সন্মুখীন হয় ব্যাপক লঘু-লাঞ্ছনাৰ। নিজৰ মটৰ চাইকেলখনেৰে এই কদৰ্যময় পথেৰে বিশেষ কৰ্তব্য পালনৰ হেতুকে যাবলগীয়া হোৱাত অকল্পনীয় সমস্যাৰ সন্মুখীন হয় আৰক্ষীৰ লোকজন। পাছত স্থানীয় ৰাইজৰ সহযোগত কোনোমতে মটৰ চাইকেলখন লৈ ওলাই আহে আৰক্ষীৰ লোকজন। মনকৰিবলগীয়া ৰাইজৰ বাৰম্বাৰ আবেদন-নিবেদনৰ পাছতো গুৰুত্বহীন হৈ আছে হাওৰাঘাটৰ ৰাজহুৱা শ্মশানলৈ যোৱা এই পথছোৱাৰ দীৰ্ঘদিনীয়া সমস্যা। বছৰৰ পাছত বছৰ ধৰি উপেক্ষিত হৈছে হাওৰাঘাটৰ মাটিখোলা, গজালিপাৰ সংলগ্ন বৃহত্তৰ অঞ্চলবাসী ৰাইজ। কিন্তু উদাসীন সংশ্লিষ্ট কৰ্তৃপক্ষ। উদাসীন জনপ্ৰতিনিধি খনছিং ৰংপি। উল্লেখ্য যে হাওৰাঘাট পৌৰসভা কৰ্তৃপক্ষই কে'বাবাৰো হেনো পথছোৱা মেৰামতিৰ বাবে উদ্যোগ লৈছিল, আহ্বান কৰাইছিল নিবিদাও। কিন্তু ঠিকাদাৰৰ অভাৱতহে হেনো আজিলৈকে কৰিব পৰা নাই পথছোৱাৰ মেৰামতি তথা পুনঃনিৰ্মাণৰ কাম। পৌৰসভাৰ সদস্যসকলে সম্প্ৰতি অধ্যক্ষ পদক লৈ টনা-আঁজোৰাতে মত্ত থাকিব নে ৰাইজৰ সমস্যাৰ প্ৰতিও গুৰুত্ব আৰোপ কৰিব সেয়াই এতিয়া দুৰ্দশাগ্ৰস্ত ৰাইজৰ বাবে লাখটকীয়া প্ৰশ্ন।

# সৃজনগ্ৰামত বৃহৎ পৰিমাণৰ অবৈধ গাঞ্জা জব্দ



অগ্ৰদূত বাৰ্তা
**অভয়াপুৰী, ২১ মে' ঃ** বঙাইগাঁও জিলাৰ একাংশ মাফিয়াৰ ছত্ৰছায়াত গাঞ্জা, ড্ৰাগছ আদি নিচাজাতীয় সামগ্ৰীৰ ৰমৰমীয়া ব্যৱসায় চলি অহাৰ সময়তে আজি বঙাইগাঁও আৰক্ষীয়ে এক কুইণ্টল গাঞ্জা উদ্ধাৰ কৰে। পুৱা জিলাখনৰ বৰঘোলা আৰক্ষী চকীৰ অন্তৰ্গত সৃজনগ্ৰাম অঞ্চলৰ প্ৰফুল্ল ৰায় ওৰফে ৰাৱণৰ ঘৰত এই অভিযান চলায়। আৰক্ষীৰ দলটোৱে গাঞ্জাৰ চোৰাং ব্যৱসায়ী প্ৰফুল্ল ৰায়ৰ পাখিৰীগুৰীস্থিত বাসগৃহত চলোৱা অভিযান কালত উক্ত বৃহৎ পৰিমাণৰ গাঞ্জাখিনি উদ্ধাৰ হয়। উদ্ধাৰকৃত গাঞ্জাৰ পৰিমাণ ৮৬.৮৮ কিলোগ্ৰাম বুলি জানিব পৰা গৈছে। প্ৰাপ্ত বাতৰি মতে আৰক্ষীয়ে অভিযান চলোৱাৰ পূৰ্বেই প্ৰফুল্ল ৰায়ৰ পত্নীয়ে পলাই যাবলৈ সক্ষম হয়।



# এবছৰে ছিগি ৰ’ল মঙলদৈৰ গড়কাপ্টানী পথৰ কালভাৰ্ট

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ২১ মে’ ঃ** মঙলদৈ বিধানসভা সমষ্টিৰ অন্তৰ্গত এটা গড়কাপ্টানী পথৰ কালভাৰ্ট এটা এবছৰে পুনৰনিৰ্মাণ নোহোৱাত ৰাইজে দুৰ্ভোগ ভুগি থাকিব লগা হৈছে। উল্লেখ্য যে বিগত বাৰিষাৰ বানত জনাৰামচৌকা-ৰান্ধনিসত্ৰ গড়কাপ্টানী পথৰ কেওটপাৰা, কবিকাৰা গাঁৱৰ মাজৰ হাজৰিকা চুবুৰিত থকা কালভাৰ্টটোৰে এটা বৃহৎ অঞ্চলৰ পানী বাহিৰ হৈ যায়। তদুপৰি পথটো তথা কালভাৰ্টটোৰে ডাঁহী নগাঁও, তালিপাৰা, কেওটপাৰা, তামুলীপাৰা, ধৌৰাপাৰা, ঝাৰগাঁও, ভেবালাপাৰা গাঁৱৰ ৰাইজৰ উপৰি কৈকাৰা, দেওমৰনৈৰ বহুলোকে আহ-যাহ কৰে। অঞ্চলটোৰ ৰাইজৰ মঙলদৈ সংযোগী



পথৰূপে পৰিগণিত পথছোৱাৰ কালভাৰ্টটো যোৱা বছৰৰ ১৪ আগষ্টত বানৰ ওফন্দি উঠা সোঁতে ছিঙি তচনচ কৰি পেলায়। ফলত বিকল্প আৰু সহজ পথ নথকা ৰাইজৰ দুৰ্গতিৰ সীমা নোহোৱা হয়। অৱশ্যে ততাতৈয়াকৈ বাঁহৰ সাঁকো দিয়া হৈছিল যদিও সেইখনো ভাঙি যায়। বানৰ পাছত ৰাইজে কালভাৰ্টটো নতুনকৈ নিৰ্মাণ হ’ব বুলি আশা কৰিছিল যদিও তাৰ পৰিৱৰ্তে কাষতে মাটিৰ আলি এটাহে বনাই দিয়ে। যিটো আলিয়েদি কথমপিহে লঘু যানবাহন চলাচল কৰিব পাৰে; কিন্তু অগ্নি নিৰ্বাপনৰ দৰে গাড়ী ভিতৰত সোমোৱাটো অসম্ভৱ। বিগত সময়ত হোৱা বিয়া-বাৰুত গাড়ী মটৰবোৰ ইয়াতে এৰি মানুহে খোজকাঢ়ি যাবলগীয়া হৈছিল। ন-সাজ পৰিধান কৰি অহা দৰায়ো বোকাময় আলিটোত হাতত চেণ্ডেল লৈ কইনাৰ ঘৰত যোৱাৰ উদাহৰণ আছে। সম্প্ৰতি হোৱা বৰষুণত এটা দিশত পানী জমা হৈ আছে—যিহেতু ওলাই যাবলৈ কালভাৰ্টটো নাই। তদুপৰি মাটিৰ আলিটো খহিবলৈ ধৰাত ৰাইজে পুনৰ যোগাযোগ বিচ্ছিন্ন হোৱাৰ আশংকাত ভুগিছে। সেয়ে ৰাইজে জলসম্পদ বিভাগ, গড়কাপ্টানী বিভাগৰ লগতে চৰকাৰী পক্ষক ধিক্কাৰ দিছে।

# ভূমি বিবাদক কেন্দ্ৰ কৰি মৰনৈত দুই ফৈদৰ মাৰপিটত আহত আঠ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২১ মে’ ঃ** কৰ’নাকেন্দ্ৰিক আতংকৰ মাজতে আজি পুৱা গোৱালপাৰা জিলা মৰনৈত ভূমি বিবাদক কেন্দ্ৰ কৰি দুটা ফৈদৰ মাজত সংঘটিত মাৰপিটৰ ঘটনাত পুৰুষ-মহিলা আঠজনকৈ লোক আহত হয়। মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত লেওৰাবাৰী ফুতুৰীপাৰাত ছাইৰুদ্দিন, খোদাবক্স, নুৰ ইছলাম, তোমছেৰ আলী আদিয়ে পূৰ্ব পৰিকল্পিতভাৱে চোকা অস্ত্ৰৰে আক্ৰমণ কৰাত মোকাদ্দেছ আলী (৭২), শুকুৰ আলী (৪২), তৈজুদ্দিন (৩২), ছোনাউল্লাহ (২৮), দুলাল হুছেইন (৩৬), বাদশা আলী (২৮), ইদ্ৰিছ আলী (৩২) আৰু বাছা খাতুন (৪৫) আহত হয়। গুৰুতৰভাৱে আহত আটাইকে গোৱালপাৰা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।

# ৰিতুল শইকীয়াৰ মুক্তিৰ সিদ্ধান্ত আলফা স্বাধীনক আদৰণি টাইপাৰ

## আলফা স্বাধীনৰ স’তে শীঘ্ৰে আলোচনাৰ মাধ্যমেৰে সমস্যা সমাধান কৰিবলৈ ৰাজ্য চৰকাৰক আহ্বান

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২১ মে’ ঃ** অ’এনজিচিৰ কৰ্মচাৰী ৰিতুল শইকীয়াক সংযুক্ত মুক্তি বাহিনী অসম (স্বাধীন)ৰ মুক্তি দিয়াৰ যি সিদ্ধান্ত গ্ৰহণ কৰিছে তাক তাই আহোম যুৱ পৰিষদ, অসম চমুকৈ টাইপাই উষ্ম আদৰণি জনাইছে। অসমত স্থায়ী শান্তি সংস্থাপনৰ লগতে দীৰ্ঘদিনীয়া সমস্যাটোৰ এক সন্মানজনক আৰু ফলপ্ৰসূ সমাধানৰ অৰ্থে শীঘ্ৰে আলোচনাত বহিবলৈ টাইপাই ভাৰত চৰকাৰ আৰু আলফা (স্বাধীন)ক আহ্বান জনাইছে। এই ক্ষেত্ৰত বিশেষ উদ্যোগ গ্ৰহণ কৰিবলৈ অসমৰ নৱ নিৰ্বাচিত মুখ্যমন্ত্ৰী ড⁰ হিমন্ত বিশ্ব শৰ্মাক এক প্ৰেছ বিবৃতিৰ জৰিয়তে টাইপাই অনুৰোধ জনাই। টাইপাৰ সভাপতি দিলীপ গগৈ আৰু যুটীয়া সম্পাদক দিগন্ত তামুলীয়ে স্বাক্ষৰ কৰা একেটা প্ৰেছ বিবৃতিৰ জৰিয়তে যোগেন মহনক অসম মন্ত্ৰীসভাত কেবিনেট মন্ত্ৰী হিচাপে দায়িত্ব প্ৰদান কৰাত মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। লগতে বিজেপি দল আৰু চৰকাৰৰ পূৰ্ব প্ৰতিশ্ৰুতি ৰক্ষা কৰি টাই আহোমসকলক শীঘ্ৰে জনজাতিকৰণ আৰু স্বায়ত্ত শাসন প্ৰদান কৰিবলৈ আহ্বান জনায়। শেহতীয়া ক’ভিডসৃষ্ট জৰুৰী পৰিস্থিতিত ৰাইজক সহায় কৰিবলৈ টাইপাৰ সকলো স্তৰৰ নেতা-কৰ্মীক কেন্দ্ৰীয় সমিতিয়ে নিৰ্দেশ প্ৰদান কৰিছে বুলি সভাপতি গগৈ আৰু যুটীয়া সম্পাদক তামুলীয়ে জানিবলৈ দিছে। টাইপাৰ কৰ্মীসকলক প্ৰতিষেধক গ্ৰহণ, মাস্ক পৰিধান, ছেনিটাইজাৰ ব্যৱহাৰ, সামাজিক দূৰত্ব অৱলম্বন আদিৰ ক্ষেত্ৰত সজাগতা সৃষ্টি কৰাৰ উপৰি খাদ্য সামগ্ৰীৰ লগতে অন্যান্য প্ৰয়োজনীয় সামগ্ৰী পাৰ্যমানে দৰিদ্ৰ ব্যক্তিসকলক প্ৰদান কৰিবলৈ কেন্দ্ৰীয় সমিতিয়ে আহ্বান জনায়।

# প্ৰশাসনৰ উদ্যোগত গোসাঁইগাঁৱত পূৰ্ণগতিত ক’ভিড সংক্ৰমণ পৰীক্ষণ

**অগ্ৰদূত বাৰ্তা**

**গোসাঁইগাঁও/দোতমা/ফকিৰাগ্ৰাম, ২১ মে’ ঃ** বিগত এসপ্তাহৰ পৰা গোসাঁইগাঁও মহকুমা প্ৰশাসনৰ তৎপৰতাত চলি থকা ক’ভিড পৰীক্ষণ কাৰ্যসূচী আজিও গোসাঁইগাঁও চহৰৰ দুই ভিন্ন স্থানত সম্পন্ন হয়। গোসাঁইগাঁও মহকুমা প্ৰশাসনৰ উদ্যোগত তথা মহকুমা স্বাস্থ্য বিভাগ আৰু আৰক্ষীৰ সমূহীয়া প্ৰচেষ্টাত আজি গোসাঁইগাঁও ৰেলৱে ষ্টেছন আৰু গোসাঁইগাঁও বজাৰত উক্ত পৰীক্ষণ কাৰ্যসূচী সম্পন্ন হয়। সহকাৰী আয়ুক্ত প্ৰিয়ংকৰ ডেকাৰ নেতৃত্বত গোসাঁইগাঁও ৰেলৱে ষ্টেছনত আৰম্ভ কৰা হয় প্ৰথমটো ক’ভিড পৰীক্ষা। পুৱা উজনিমুৱা ব্ৰহ্মপুত্ৰ মেইল যোগে আহি গোসাঁইগাঁৱত উপস্থিত হোৱা ৩৭গৰাকী যাত্ৰীৰ ৰেপিড এণ্টিজেন পৰীক্ষা কৰাত তিনিজনৰ দেহত ক’ভিডৰ সংক্ৰমণ ধৰা পৰে। ইয়াৰ পাছতে গোসাঁইগাঁও বজাৰ অঞ্চলত অৱস্থিত ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ স্বত্বাধিকাৰীসকলক লৈ দ্বিতীয়টো ক’ভিড পৰীক্ষণ শিবিৰ অনুষ্ঠিত হয় পৌৰ নিগমৰ নৱনিৰ্মিত বজাৰ গৃহত। ভাওৰাগুৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া তথা গোসাঁইগাঁও পৌৰসভাৰ দায়িত্বৰত বিষয়া চৈতালী দত্তই উল্লেখ কৰা মতে, গোসাঁইগাঁও পৌৰসভাই ব্যৱসায়িক প্ৰতিষ্ঠানসমূহৰ স্বত্বাধিকাৰীসকলক উক্ত পৰীক্ষণ কাৰ্যসূচীত ভাগ লোৱাৰ বাবে পৰামৰ্শ তথা উৎসাহ যোগায়। ইপিনে গোসাঁইগাঁৱৰ মহকুমাধিপতি পল্লৱী সৰকাৰে জনোৱা মতে, বিগত দুটা দিনত চলোৱা অভিযান কালত ২০১ গৰাকী স্বত্বাধিকাৰীক উক্ত পৰীক্ষণ কাৰ্যসূচীত সামৰাৰ লগতে এগৰাকীৰ দেহত সংক্ৰমণ ধৰা পেলোৱা হয়। সংক্ৰমিত ব্যক্তিজনক চেৰফাংগুৰিস্থিত আদৰ্শ চিকিৎসালয়লৈ প্ৰেৰণ কৰা বুলি তেওঁ জানিব দিয়ে।

## থুৰিবাৰীত ক’ভিডৰ নীতি-নিয়ম উলংঘা

**অগ্ৰদূত বাৰ্তা**

**দোতমা/ফকিৰাগ্ৰাম, ২১ মে’ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত থুৰিবাৰীত ক’ভিডৰ নীতি-নিয়মৰ উলংঘা কৰা হৈছে। থুৰিবাৰী গাঁৱৰ কমলসিং উপ-স্বাস্থ্য কেন্দ্ৰত ক’ভিড পৰীক্ষা ব্যৱস্থা কৰা হয়। উক্ত ক’ভিড পৰীক্ষা কেন্দ্ৰত কোনো ধৰণৰ সামাজিক দূৰত্ব নাই। মাস্ক নিপিন্ধাকৈ বহুলোক একেলগে গোট খোৱা দেখা যায়। উক্ত ক’ভিড পৰীক্ষা কেন্দ্ৰত সাংবাদিক উপস্থিত হোৱাতহে ৰাইজে মাস্ক পৰিধান তথা সামাজিক দূৰত্ব বজাই ৰাখে।

# বজালীত বহু হোটেল স্থায়ীভাৱে বন্ধ হোৱাৰ উপক্ৰম

**অগ্ৰদূত বাৰ্তা**

**পাঠশালা, ২১ মে’ ঃ** ক’ভিড মহামাৰীৰ বাবে চৰকাৰী নিৰ্দেশ অনুসৰি দিনৰ ১১ বজাতে বন্ধ নীতিৰ পৰিণতিত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বজালী জিলাতো প্ৰায়কেইখন হোটেল তীব্ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। তদুপৰি বহুকেইখন হোটেল বন্ধ হোৱাৰ উপক্ৰম হৈছে। বিশেষকৈ বিগত প্ৰায় ডেৰ বছৰ কাল ক’ভিড মহামাৰীয়ে জ্বলা-কলা খুৱাইছে সৰ্বস্তৰৰ জনগণক। সৰ্বস্তৰত বিস্তৰ ক্ষতি হৈছে যদিও তাৎপৰ্যপূৰ্ণভাৱে এনে কঠিন ক্ষণত সবাতোকৈ বেছি প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে হোটেল ব্যৱসায়ীসকল। প্ৰায় এটা বৰ্ষ তলাবন্ধ পৰিৱেশৰ মাজেৰে আহি ভাল দিনৰ আশাত হোটেল ব্যৱসায়ীসকলে নতুন উদ্যমেৰে হোটেল ব্যৱসায় আৰম্ভ কৰিছিল যদিও এতিয়া চৰকাৰৰ নতুন নীতি অনুসৰি সকলো বন্ধ হৈছে দিনৰ ১১ বজাত। পৰিণতিত দুপৰীয়া আৰু নিশাৰ বাবে কেনেদৰে কি তৈয়াৰ কৰিব আৰু বিক্ৰী কৰিব সেই ভাবি হোটেল ব্যৱসায়ীসকলে এতিয়া ব্যৱসায়ৰ পাতনি মেলাৰ প্ৰশ্নই নুঠে। কাৰ্যতঃ এতিয়া চৰকাৰী নীতিৰ পৰিণতিত হোটেল মালিকৰ পৰা বাচন ধোৱা, হোটেল বয়কে আদি কৰি সকলো হৈ পৰিছে একপ্ৰকাৰ কৰ্মহীন। এনে লোক কৰ্মহীন হোৱা অৰ্থ নিজৰ লগতে পৰিয়ালক অনাহাৰে ৰখা। তদুপৰি হোটেলৰ ঘৰ ভাড়াৰ বিষয়টো আছে। এনে পৰিস্থিতিত মালিকসকলে হোটেল বন্ধ কৰাৰ বিকল্প এতিয়া দেখা নাই। কাৰণ হোটেলৰ কৰ্মচাৰীসকলক এতিয়া দৰমহা দিবলৈও অপাৰগ মালিকসকল। হোটেল বয়সকলে এতিয়া হোটেল এৰি ঘৰলৈ প্ৰত্যাৱৰ্তন কৰিছে। সকলোৱে এতিয়া একমাত্ৰ ভগৱানৰ মুখলৈ আশাৰে বাট চাইছে যেন পূৰ্বৰ সোণালী দিন উভতি আহে আৰু সকলো আগৰ দৰে হয়।



*পাৰিশ্ৰমিকৰ দাবীত পঞ্চায়ত প্ৰতিনিধিৰ প্ৰতিবাদ, শুকুৰবাৰে চিনামৰাত।*

# শ্ৰীৰামপুৰত সাংবাদিকৰ বিৰুদ্ধে ধন দাবীৰ গোচৰ

**অগ্ৰদূত বাৰ্তা**

**দোতমা/ফকিৰাগ্ৰাম, ২১ মে’ ঃ** শ্ৰীৰামপুৰ প্ৰেছ ক্লাবৰ সভাপতি তথা এটা ব্যক্তিগত চেনেলৰ সাংবাদিক বিশ্বজিৎ চৌধুৰীয়ে যোৱা ১৪ মে’ত সম্প্ৰচাৰিত বাতৰিৰ পৰা কিছুমান ব্যক্তিৰ নাম কৰ্তন তথা দ্বিতীয়বাৰ বাতৰি যাতে সম্প্ৰচাৰিত নহয় সেয়া বন্ধ কৰা আৰু একাংশ সাংবাদিকক মেনেজ কৰিবলৈ ওপৰৱালাৰ নামত আৰু গোসাঁইগাঁৱৰ আৰু এটা ব্যক্তিগত টিভি চেনেলৰ সাংবাদিক দুলাল চন্দ্ৰ ৰায়ৰ লগতে আৰু এজন বাতৰি কাকতৰ সাংবাদিকক কিছু পৰিমাণে ধন দিয়াৰ বাবে এক লাখ টকা দাবী কৰাৰ অভিযোগ উঠিছে। ভুক্তভুগী লোকজনে সংবাদ মাধ্যমৰ আগত জনোৱা মতে, শ্ৰীৰামপুৰ প্ৰেছ ক্লাবৰ সভাপতি তথা এটা ব্যক্তিগত টিভি চেনেলৰ সংশ্লিষ্ট সাংবাদিক বিশ্বজিৎ চৌধুৰীয়ে বৰজান গাঁৱৰ হাবিজুল ইছলামসহ আন পাঁচজন ব্যক্তিক সাঙুৰি গৰুৰ ছিণ্ডিকেটৰ স’তে জড়িত থকা বুলি বাতৰি পৰিৱেশন কৰি পৰৱৰ্তী সময়ত বাতৰিৰ পৰা নাম কৰ্তন কৰিবলৈ লক্ষাধিক টকা দাবী কৰাৰ উপৰি বহুকেইদিন ধৰি লোকজনক মানসিকভাৱে হাৰাশাস্তি কৰে; কিন্তু কোনো দিনেই গৰুৰ ছিণ্ডিকেটৰ স’তে জড়িত নথকা ব্যক্তিজনক দীৰ্ঘদিন ধৰি হাৰাশাস্তি কৰা ঘটনাৰ পাছতে ভুক্তভোগী হাবিজুল ইছলামে শ্ৰীৰামপুৰ প্ৰেছ ক্লাবৰ সভাপতি তথা সাংবাদিক বিশ্বজিত চৌধুৰীৰ বিৰুদ্ধে ৰূপচী আৰক্ষী চকীত এজাহাৰ দাখিল কৰে। সাধাৰণভাৱে কৃষি কৰ্ম কৰি জীৱন নিৰ্বাহ কৰা হাবিজুলক গৰুৰ ছিণ্ডিকেটৰ স’তে জড়িত থকা বুলি লোকজনক বিভিন্ন প্ৰশ্ন কৰি ভয়-ভীতি প্ৰদৰ্শন কৰে। আনকি, সাংবাদিক চৌধুৰীয়ে দাবী কৰা এক লাখ টকাৰ এটা অংশ দুলাল ৰায়ৰ লগতে আৰু এজন বাতৰি কাকতৰ সাংবাদিকক যোগান ধৰিব লাগিব বুলিও টেলিফোনিক বাৰ্তালাপত স্পষ্ট হৈ পৰিছে। উল্লেখ্য যে বিভিন্ন সময়ত গৰু, ব্ৰইলাৰ, গাহৰি আদি ছিণ্ডিকেটত জড়িত থাকি সংবাদ জগতখনক কলুষিত কৰা শ্ৰীৰামপুৰ প্ৰেছ ক্লাবৰ সভাপতি তথা সাংবাদিক চৌধুৰীৰ কাণ্ডক গৰিহণা দিয়ে গোসাঁইগাঁও প্ৰেছ ক্লাবে।

# প্ৰাক্তন ফুটবল খেলুৱৈ-ৰেফাৰী হৰেণ গগৈৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ২১ মে’ ঃ** নগাঁও জিলাৰ প্ৰাক্তন ফুটবল আৰু ভলীবল খেলুৱৈ তথা প্ৰথম শ্ৰেণীৰ প্ৰাক্তন ফুটবল ৰেফাৰী হৰেন গগৈ (৭১)ৰ যোৱা নিশা হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ মৃত্যু হয়। নগাঁও চহৰৰ তেলিয়াপট্টিৰ নিবাসী গগৈ এজন এথলেটিকছৰূপেও পাৰদৰ্শিতা দেখুৱাইছে। এজন সফল ফুটবল ৰেফাৰীৰূপে ৰাজ্যখনৰ আগশাৰীৰ স্বাধীনতাৰ দিৱস কাপ, ডুগাৰ শ্বিল্ড, এটিপিএ শ্বিল্ড ফুটবল প্ৰতিযোগিতা আদি সুচাৰুৰূপে পৰিচালনা কৰিছিল। সাংস্কৃতিক কৰ্মীৰূপেও পৰিচিত গগৈয়ে মৃত্যুৰ সময়ত পত্নীসহ তিনি পুত্ৰক এৰি যায়। নগাঁও জিলা ফুটবল ৰেফাৰী কল্যাণ সন্থাৰ উপদেষ্টা গগৈৰ মৃত্যুত বিভিন্নজনে শোক প্ৰকাশ কৰিছে।

# দুৰ্ঘটনাত মহিলাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**বকো, ২১ মে’ ঃ** আজি দক্ষিণ কামৰূপৰ বকোত ১৭ নম্বৰ ঘাইপথত সংঘটিত এক পথ দুৰ্ঘটনাত নুৰিমা খাতুন (৫০) নামৰ মহিলাগৰাকীৰ মৃত্যু হয়। এখন এম্বুলেন্সে নিয়ন্ত্ৰণ হেৰুৱাই গছত খুন্দিওৱাৰ ফলত মানকাচৰৰ পৰা জি এন আৰ চিলৈ আহি থকাৰ সময়তে দুৰ্ঘটনাটো সংঘটিত হয়। উক্ত ঘটনাত তিনিজন আহত হয়।

# পালহাজীত শুই থাকোতে হত্যাৰ চেষ্টা

**পালহাজী, ২১ মে’ ঃ** বৰপেটা আৰক্ষী থানাৰ অন্তৰ্গত পালহাজীৰ সমীপৱৰ্তী গৰেমাৰী গাঁৱত বাছেৰ ভূঞা নামৰ লোকজনৰ পৰিয়ালটোক শুই থকা অৱস্থাতে দুৰ্বৃত্তই অগ্নিসংযোগৰ চেষ্টা চলায়। যোৱা নিশা ঘটনাটো সংঘটিত হোৱাত ওচৰ-চুবুৰীয়াই জানিব পাৰি ঘটনাস্থলীত উপস্থিত হোৱাত দুৰ্বৃত্তই পলায়ন কৰে। ৰাইজে জুই নিৰ্বাপিত কৰে। উল্লেখ্য যে দুৰ্বৃত্তই ঘটনাস্থলীত পেট্ৰ’লৰ গেলন এৰি যায়।

# নলবাৰীত উন্নত হোৱা নাই ক’ভিড পৰিস্থিতি

## নিজ নিজ অঞ্চলত চণ্ডাল নিৰ্বাচনৰ নিৰ্দেশ চক্ৰ বিষয়াক

**বিশেষ সংবাদদাতা**

**নলবাৰী, ২১ মে’ ঃ** এই পৰ্যন্ত ক’ভিড পৰিস্থিতি উন্নত হোৱা নাই নলবাৰীত। ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে নলবাৰীত কৰ’না অতিমাৰীয়ে ইতিমধ্যে ভয়ানক ৰূপ ধাৰণ কৰিছে যদিও অধিক সংখ্যক লোককে সাৱধান হোৱা পৰিলক্ষিত হোৱা নাই। চৰকাৰ, জিলা প্ৰশাসন, অনুষ্ঠান-প্ৰতিষ্ঠান বা ব্যক্তি বিশেষেও ৰাইজক সাৱধান হোৱাৰ বাৰম্বাৰ আহ্বান জনাই থকাৰ পাছতো জিলাখনৰ বিভিন্ন প্ৰান্তৰ অধিকাংশ ৰাইজে ব্যাপক হাৰত ক’ভিড প্ৰট’কল উলংঘা কৰাত ইয়াৰ দ্ৰুততৰ সংক্ৰমণ ঘটিব ধৰা পৰিলক্ষিত হৈছে। আনহাতে, সংক্ৰমণৰ হাৰ বৃদ্ধিৰ সমান্তৰালভাৱে মৃত্যুৰ হাৰো বাঢ়িব ধৰাত এনে মৃতকসকলক দাহ কৰাৰ ক্ষেত্ৰত যাতে অসুবিধাৰ সৃষ্টি নহয় তালৈ লক্ষ্য ৰাখি জিলাখনৰ প্ৰতিটো ৰাজহচক্ৰত স্থায়ী চণ্ডাল নিৰ্বাচনৰ নিৰ্দেশ দিয়া হৈছে। কালি উপায়ুক্তৰ সভাগৃহত অনুষ্ঠিত এখন সভাত ইয়াৰ চক্ৰ বিষয়াসকলক এই নিৰ্দেশ দিয়ে জিলা উপায়ুক্ত পূৰৱী কোঁৱৰে। নলবাৰী জিলাত কৰ’না অতিমাৰীৰ ফলত বাহাল থকা সাম্প্ৰতিক পৰিস্থিতিৰ পৰ্যালোচনা তথা এই জটিল পৰিস্থিতিৰ স’তে সম্ভৱপৰ সকলো ব্যৱস্থাপনাৰে মোকাবিলা কৰাৰ উদ্দেশ্যে দুপৰীয়া নলবাৰী জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভা কক্ষত জিলা উপায়ুক্তই চক্ৰ বিষয়াসকলক চণ্ডাল নিৰ্বাচনৰ নিৰ্দেশ দিয়ে। লগতে কৰ’নাত মৃত্যু হোৱাসকলৰ শেষকৃত্য সম্পাদনৰ ক্ষেত্ৰত প্ৰয়োজনীয় সকলো ব্যৱস্থা লোৱাৰ বাবেও চক্ৰ বিষয়াসকলক জিলা উপায়ুক্তই নিৰ্দেশ দিয়ে। সেইমৰ্মে ক’ভিডত মৃত্যু হোৱাসকলৰ ক্ষেত্ৰত ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয় আৰু নলবাৰী পৌৰসভাৰ অধীনত মৃতদেহ কঢ়িওৱাৰ বাবে থকা বাহন ব্যৱহাৰ কৰিব পাৰিব। আনহাতে, সভাত উপস্থিত থকা স্বাস্থ্য বিভাগৰ বিষয়ববীয়াৰ স’তেও বিভিন্ন বিষয়ক গুৰুত্বপূৰ্ণ আলোচনা কৰে উপায়ুক্তই। সভাত সমগ্ৰ জিলাখনতে বিশেষকৈ কণ্টেইনমেণ্ট অৰ্থাৎ পৃথকীকৰণ তথা কৰ’না নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধ সম্পৰ্কীয় কেতবোৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাৰ সিদ্ধান্ত মৰ্মে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, নলবাৰীৰ তৰফৰ পৰা ৰাইজৰ সুবিধাৰ্থে অতি সোনকালেই এক বিশেষ ৱেব পৰ্টেলৰ ব্যৱস্থা কৰা হ’ব। উক্ত পৰ্টেলত জিলাখনত উপলব্ধ চিকিৎসা সেৱা-সুবিধাসমূহ, জিলাখনৰ সাম্প্ৰতিক কৰ’না পৰিস্থিতি সম্বন্ধিত তথ্যৰ লগতে চিকিৎসক, পেৰামেডিক্স তথা কণ্টেইনমেণ্ট আৰু কৰ’না অতিমাৰীৰ প্ৰতিৰোধৰ স’তে জড়িত ব্যক্তিসকলৰ যোগাযোগৰ ফোন নম্বৰ সম্পৰ্কীয় তথ্য থাকিব। ইয়াৰ উপৰি এতিয়াৰ পৰা ক’ভিড পৰীক্ষা কেন্দ্ৰসমূহত ক’ভিডৰ সমূহ নীতি-নিয়মৰ সঠিক পালন সুনিশ্চিত কৰাৰ বাবে প্ৰতিটো কেন্দ্ৰতেই একোজনকৈ আৰক্ষীৰ লোক নিয়োগ কৰা হ’ব। পৰীক্ষাৰ অন্তত কোনো ব্যক্তি ক’ভিড পজিটিভ পোৱাৰ লগে লগে তৎকালীনভাৱে উক্ত ব্যক্তিক গৃহ বা আনুষ্ঠানিক পৃথকীকৰণৰ বাবে স্থানান্তৰিত কৰিব পৰাকৈ ক’ভিড পৰীক্ষা কেন্দ্ৰসমূহৰ বাহিৰত এম্বুলেন্স বা অন্য ব্যক্তিগত বাহন সাজু ৰখা হ’ব। ক’ভিড পৰীক্ষাৰ বাবে অহা সকলে অপেক্ষা কৰাত সুবিধা হোৱাকৈ পৰ্যাপ্ত ঠাইৰো ব্যৱস্থা কৰা হ’ব কেন্দ্ৰসমূহত। জিলা প্ৰশাসনে সদৰী কৰা মতে, ক’ভিডৰ চিকিৎসাৰ বাবে বৰ্তমানে জিলাখনত থকা বিভিন্ন চিকিৎসালয়ৰ উপৰি মুঠ ১৩ টাকৈ ক’ভিড কেয়াৰ চেণ্টাৰ (চিচিচি) চিনাক্ত কৰা হৈছে আৰু পৰৱৰ্তী সময়ত পৰ্যায়ক্ৰমে প্ৰয়োজন সাপেক্ষে ব্যৱহাৰ কৰা হ’ব। এই চিচিচিসমূহত পৰ্যাপ্ত লোক নিয়োগ কৰাৰ লগতে প্ৰয়োজনীয় সামগ্ৰী পৰ্যাপ্ত পৰিমাণে উপলব্ধ কৰাৰ বাবে পৰিকল্পনা কৰা হৈছে। ইয়াৰ লগতে ক’ভিডৰ প্ৰতিষেধক প্ৰদান কেন্দ্ৰসমূহতো সাধাৰণ ৰাইজৰ বাবে খোৱা পানীৰ যোগান তথা প্ৰতিষেধক প্ৰদানৰ দায়িত্বত নিয়োজিতসকলৰ বাবে লঘু আহাৰৰ ব্যৱস্থাৰ বাবেও সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাৰ আলোচনা মৰ্মে এতিয়াৰে পৰা ৰাজহচক্ৰৰ অধীনস্থ আৰু পৌৰ সভাৰ অধীনস্থ অঞ্চলসমূহত আশাকৰ্মী, গাঁওবুঢ়া তথা গৃহ পৃথকীকৰণ বা আছুতীয়াকৰণ সমিতিৰ সদস্যসকলে ক’ভিড ৰোগীৰ ঘৰে ঘৰে গৈ খবৰ লোৱা প্ৰক্ৰিয়াটো আৰু অধিক সক্ৰিয় কৰি তোলা হ’ব।

# অখিল গগৈৰ শপতগ্ৰহণত মেৰাপানীত উৎফুল্লিত কৃষক মুক্তি-দৈয়াং মুক্তি

**অগ্ৰদূত বাৰ্তা**

**মেৰাপানী, ২১ মে’ ঃ** সংগ্ৰামী নেতা অখিল গগৈয়ে আজি বিধায়কৰূপে শপতগ্ৰহণ কৰাত উৎফুল্লিত হৈ পৰিছে মেৰাপানীৰ একালৰ দৈয়াং মুক্তি সংগ্ৰাম সমিতিৰ সংগ্ৰামী সতীৰ্থসকল। ২০০৪ত দৈয়াং মুক্তি সংগ্ৰাম সমিতিৰ জৰিয়তে সংগ্ৰামী জীৱন আৰম্ভ কৰা অখিল গগৈৰ স’তে দৈয়াংবাসীৰ বহু স্মৃতি জড়িত হৈ আছে। বিশেষকৈ দৈয়াঙৰ ভূমিপট্টন আৰু আন্তঃৰাজ্যিক সীমা সমস্যাক লৈ দশকজোৰা সংগ্ৰাম চলাইছিল অখিল গগৈৰ নেতৃত্বত কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। আজি বিধানসভাত গগৈয়ে শপতবাক্য পাঠ কৰাৰ ঐতিহাসিক মুহূৰ্ত ম’বাইলৰ স্ক্ৰীণতে একেলগে দৰ্শন কৰিলে দৈয়াঙৰ একালৰ সতীৰ্থসকলে। দৈয়াং মুক্তি সংগ্ৰাম সমিতিৰ মুখ্য কাৰ্যালয়ত একাংশ সতীৰ্থ সমবেত হৈ গগৈৰ মুক্তি কামনা কৰাৰ লগতে আজীৱন শোষিত নিষ্পেষিতৰ হকে মাত মাতি যোৱাৰ পোষকতা কৰে। ইফালে শপতগ্ৰহণ অনুষ্ঠানলৈ বিধায়ক অখিল গগৈক অপৰাধীৰ দৰে লৈ যোৱা কাৰ্যক গৰিহণা দিয়ে দৈয়াঙৰ সংগ্ৰামী সতীৰ্থসকলে।

# নিৰ্বিকাৰ বিভাগ ঃ দৈয়াঙৰ পুলিবাগানস্থিত তেলখাদ পথৰ দুৰৱস্থা

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ২১ মে’ ঃ** গোলাঘাট জিলা ঘিলাধাৰী মৌজাৰ দৈয়াং অঞ্চলৰ পুলিবাগান নৱজ্যোতি গাঁৱত অৱস্থিত বৃহৎ তেলখাদ সংযোগী পথটো দুৰৱস্থাৰ হেতুকে বৃহৎ অঞ্চলটোৰ ৰাইজে যাতায়াতত যমৰ যাতনা ভুগিবলগীয়া হৈছে। উল্লেখ্য যে ১৯৯৫ৰ পৰা অ’ এন জি চিয়ে বৃহৎ তেল খাদটোৰ পৰা খাৰুৱা তেল সংগ্ৰহ কৰি কোটি কোটি ধন মুনাফা আদায় কৰি আহিছে যদিও ৰাইজৰ অত্যাৱশ্যকীয় পথটো নিৰ্মাণৰ কোনো পদক্ষেপ গ্ৰহণ নকৰা বুলি ৰাইজে অভিযোগ উত্থাপন কৰিছে। ফলত পথটো দীৰ্ঘদিন মেৰামতিৰ বা নিৰ্মাণৰ অভাৱত পুখুৰী সদৃশ গাঁতত সৃষ্টি হৈ যাতায়াতৰ বাবে একেবাৰে অনুপযোগী হৈ পৰে। এজাক বৰষুণৰ পাছতে এই দ গাঁতবোৰ পানীৰে পৰিপূৰ্ণ হৈ পৰে। উক্ত পথটোৰ নৱজ্যোতি, গোবিনপুৰ, মধুপুৰ, সোণাপুৰ আদি গাঁৱৰ



ৰাইজ বিভিন্ন স্থানলৈ যাতায়াত কৰাৰ লগতে অঞ্চলটোৰ অসংখ্য ছাত্ৰ-ছাত্ৰী বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়লৈ যাতায়াত কৰা এইটো মূল পথ। আৰম্ভণিতে অঞ্চলটোত তেল খাদটো স্থাপন হোৱাৰ পাছত অ’ এন জি চি কৰ্তৃপক্ষই পথটো নিৰ্মাণ কৰিছিল যদিও দিন যোৱাৰ লগে লগে পথটো অতিকৈ বিধ্বস্ত হৈ পৰাৰ পাছতো কোনো কাণসাৰ নিদিয়াত ৰাইজে আশ্চৰ্য প্ৰকাশ কৰি শীঘ্ৰে পথটো মেৰামতিৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ বৃহৎ অঞ্চলটোৰ ৰাইজে অ’ এন জি চি কৰ্তৃপক্ষক দাবী জনাইছে।

**শ্ৰদ্ধাঞ্জলি**

# মুক্তিযুঁজাৰু সাহিত্যিক পেঞ্চনাৰ ফণীন্দ্ৰ নাথ কলিতা



যিসকল সুহৃদ ব্যক্তিয়ে দেশসেৱা, সমাজসেৱা, ভাষা-সাহিত্যৰ লগতে সংবাদ সেৱা আদিৰ যোগেদি অসমৰ বুকুলৈ বোৱাই আনিছিল প্ৰগতিৰ সোঁত সেইসকল স্বনামধন্য ব্যক্তিৰ ভিতৰত শ্ৰদ্ধাৰ ফণীন্দ্ৰ নাথ কলিতাও এজন। কলিতা খুৰা আছিল এগৰাকী স্বাধীনচিতীয়া মনোভাবৰ ব্যক্তি। এটা কথা বঢ়াই কোৱা নহ’ব যে কলিতা খুৰাৰ মনটো ফুলৰ দৰে পৱিত্ৰ আছিল। প্ৰায় প্ৰতিমুহূৰ্ততে মানুহজনৰ হৃদয় জাগৃত হৈ আছিল দেশপ্ৰেমত। জাতীয় পোছাক পৰিহিত কলিতা খুৰাৰ কান্ধত আছিল সাহিত্য, সংবাদ বিষয়কে ধৰি অন্যান্য সম্ভাৰেৰে পৰিপূৰ্ণ এখন কাপোৰৰ মোনা। ভদ্ৰোচিত ব্যৱহাৰ, গহীন খোজ, ভাবনাৰ উদ্দীপনা আৰু প্ৰেৰণাৰ মূৰ্ত প্ৰতীক স্বৰূপ কলিতা খুৰাৰ মন আছিল সদা সৃষ্টিশীল। উৎসাহ আৰু আনন্দদায়ক কাৰ্যৰে তেওঁ চিৰ তৰুণৰ দৰে থাকিব বিচাৰিছিল। পুৱাৰে পৰা মাজনিশালৈকে দেশ বা সমাজৰ কামত ব্যস্ত থাকিও তেওঁ মুহূৰ্তৰ বাবেও ভাগৰ অনুভৱ কৰা নাছিল। খুৰাই শিশুৰ পৰা বৃদ্ধলৈকে সকলোকে মিঠা মাতেৰে সম্ভাষণ জনাই হৃদয় জয় কৰিব পাৰিছিল। কলিতা আছিল এটি নিঃসন্দেহে জ্ঞানৰ ভাণ্ডাৰ। তেওঁৰ জ্ঞানৰ গভীৰতা সাগৰ সদৃশ। সেইবাবেই হয়তো অসমৰ প্ৰায় বৌদ্ধিক মহলে তেওঁৰ পৰা বহু তথ্য আহৰণ কৰিবলৈ আহিছিল। কলিতা খুৰাৰ চিন্তা চেতনাই নলবাৰীৰ সমাজ জীৱনকো বহু পৰিমাণে উত্তৰণৰ ফালে আগবঢ়াই নিছিল। হক কথাত আগবাঢ়ি যাবলৈ তেওঁ অকণো কুণ্ঠাবোধ কৰা নাছিল। সৌ সিদিনালৈকে অৰ্থাৎ আজিৰ পৰা দুবছৰমান আগলৈকে ৮০ৰ ঊৰ্দ্ধৰ ব্যক্তিগৰাকীয়ে চাইকেলখনেৰে সুহৃদসকলৰ হৃদয়ৰ বুজ লৈছিল। মানৱতাৰ সু-নিদৰ্শন দাঙি ধৰা কলিতা খুৰাই কোনোবাজন সুহৃদৰ দুখ-বেদনাৰ খবৰ পোৱা মাত্ৰেই উপস্থিত হৈ নানা ধৰণে সান্ত্বনা দিছিল। সঁচা কথা ক’বলৈ হ’লে কলিতা খুৰাৰ প্ৰেৰণাই আমাৰ হৃদয় উদ্দীপ্ত কৰি ৰাখিছে। গান্ধীজীৰ আদৰ্শৰে অনুপ্ৰাণিত কলিতা খুৰাৰ মূল নীতি আছিল অহিংসাৰ মাজেৰে শান্তি স্থাপন কৰা। কলিতা খুৰাই বিচাৰিছিল এখন শ্ৰেণীহীন সমাজ। তেওঁ স্বাধীনতা আন্দোলনৰ এগৰাকী নিষ্ঠাবান কৰ্মী আছিল। স্বাধীনতা আন্দোলনৰ এগৰাকী নিষ্ঠাবান কৰ্মীৰূপে অসম চৰকাৰৰ পৰা মুক্তিযুঁজাৰুৰ তাম্ৰপত্ৰ আৰু অভিনন্দনপত্ৰ লাভ কৰিছে। তেওঁ এটি আত্মলেখাত লিখিছে যে ‘ষষ্ঠ শ্ৰেণীত পঢ়ি থাকোতে গণ আন্দোলনৰ চেতনাই মোক বাৰুকৈয়ে আকৰ্ষণ কৰিছিল। প্ৰাথমিক বিদ্যালয়ৰ পণ্ডিত বাপুৰাম তালুকদাৰ, তেওঁৰ আত্মীয় সৰস্বতী মজুমদাৰ (ভদ্ৰা), কৃষ্ণ শৰ্মা, শ্ৰীমান প্ৰফুল্ল গোস্বামী, মকচেদ আলী, গৌৰী তালুকদাৰ, গংগাধৰ চৌধুৰী আদিৰ অনুপ্ৰেৰণাত শোভাযাত্ৰাত যোগদান, পোষ্টাৰ গছত আঁৰি দিয়া আদি কামবোৰত মই নিয়োজিত হৈছিলো। পোষ্টাৰবিলাক মই নিজে লিখা আৰম্ভ কৰিছিলো। স্বেচ্ছা সেৱাৰ লগতে প্ৰয়োজনবোধে চোৰাংচোৱাগিৰিও মই কৰিছিলো।’ সুদীৰ্ঘ বছৰে নলবাৰী জিলা মুক্তিযুঁজাৰুৰ সন্মিলনীৰ সাধাৰণ সম্পাদকৰ পদত অধিষ্ঠিত হৈ সেৱা আগবঢ়াইছে। আন এক উল্লিখিত কথা এয়ে যে কলিতা খুৰাৰ সমাজ সেৱা আৰু ভাৰতৰ স্বাধীনতা সংগ্ৰামত নিষ্ঠাৰে সেৱা আগবঢ়োৱা হেতুকে সেই সময়ত সেই সময়ৰ ভাৰতৰ ৰাষ্ট্ৰপতি প্ৰতিভা দেৱী সিং পাটিলে সম্বৰ্ধনা জনায়। প্ৰতি বছৰে অনুষ্ঠিত হোৱা স্বাধীনতা দিৱসৰ পতাকা উত্তোলনস্থলীতো তেওঁ সম্বৰ্ধিত হৈ আহিছিল। সাহিত্য ক্ষেত্ৰতো তেওঁৰ অৱদান উল্লেখনীয়। কলিতা খুৰা আছিল এগৰাকী জনপ্ৰিয় শিশু সাহিত্যিক। তেওঁ সাদিনীয়া অসমীয়া, নতুন অসমীয়া, শান্তিদূত, অসমবাণী, কল্যাণী, অসম সংবাদ, দৈনিক অসম, কাচিজোন, বৰক্ষেত্ৰী সংবাদ আদিৰ লগতে শ্বিলং গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ আদিৰ যোগেৰেও কবিতা প্ৰকাশ আৰু প্ৰচাৰ হৈছে। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহৰ ভিতৰত কাৰাবালাৰ জুই, কয়লাৰ কাহিনী, বাৰমাহী আৰু বিলাপগীত, বিদায়ৰ সুৰ, অকণিৰ নেওতা শিক্ষা, অকণিৰ বুনিয়াদী নেওতা শিক্ষা, ফুলকলি, মদৰ অপকাৰিতা আদি। কলিতা খুৰাৰ বহু চৰ্চিত বাৰমাহী আৰু বিলাপ গীত গ্ৰন্থখন হিন্দীভাষালৈও অনুবাদ হৈছে। গ্ৰন্থখন কবি জিতেন জৈনে অনুবাদ কৰিছে। তেওঁৰ সাহিত্য কৃতিৰ ওপৰত দৃষ্টি ৰাখি ১৯৯৭ৰ পৰা অসম চৰকাৰে সাহিত্যিক পেঞ্চন দিয়ে। নলবাৰী জিলাখনৰ প্ৰায় সাহিত্য, সংবাদ, সামাজিক আদি অনুষ্ঠানসমূহৰ স’তে জড়িত থাকি সামাজিক জীৱন মহীয়ান কৰা কলিতা খুৰা সমন্বয় শিল্পী সাহিত্য পৰিষদ অসমৰো সভাপতি পদত অধিষ্ঠিত আছিল। ভাৰতীয় দলিত সাহিত্য একাডেমী নতুন দিল্লীৰ ৰাষ্ট্ৰীয় বঁটাৰে বিভূষিত হোৱা কলিতা খুৰাৰ স’তে প্ৰায়ে মই জড়িত আছিলো। শেষত কলিতা খুৰাৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈও সমবেদনা জনালো।

**দিলীপ বৰ্মন**

## মধ্য চাওখাতত বাগৰি পৰিল লাখটকীয়া ষ্ট্ৰীট লাইট

**অগ্ৰদূত বাৰ্তা**
**লাহদৈগড়, ২১ মে’ ঃ** মধ্য যোৰহাট উন্নয়ন খণ্ড চিপাহীখোলাস্থ ২৭ নম্বৰ মধ্য চাওখাত হাতীগড় গাঁও পঞ্চায়তত ষ্ট্ৰীট লাইট আঁচনি ৰূপায়ণত আসোঁৱাহৰ অভিযোগ উঠিছে। ২০১৯-২০২০ত পাঁচ লাখ টকা ব্যয়েৰে পথপথত ষ্ট্ৰীট লাইট আঁচনিখন চলিত বৰ্ষত ৰূপায়ণ কৰিছিল। গাঁও পঞ্চায়তৰ কনিষ্ঠ অভিযন্তাৰ গাফিলতিৰ বাবে কাৰিকৰী আসোঁৱাহ থকাত তিনি মাহতে পদপথৰ ষ্ট্ৰীট লাইট বাগৰি পৰাত ৰাইজে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে।

### নতুন শিক্ষামন্ত্ৰীলৈ অসম সত্ৰ মহাসভাৰ স্মাৰকপত্ৰ

## সত্ৰীয়া সংগীতক শিক্ষানুষ্ঠানত স্থায়ী বিষয় হিচাপে অন্তৰ্ভুক্ত কৰাৰ দাবী

**অগ্ৰদূত বাৰ্তা**
**বৰহোলা, ২১ মে’ ঃ** কেন্দ্ৰীয় চৰকাৰে নতুন শিক্ষা নীতিত গীত, নৃত্য, অভিনয়ক গুৰুত্ব প্ৰদান কৰি পাঠ্যক্ৰমত উক্ত বিষয়সমূহ অন্তৰ্ভুক্ত কৰাত অগ্ৰাধিকাৰ দিয়া বিষয়টো অসম সত্ৰ মহাসভাই আদৰণি জনাইছে। গুৰুজনাৰ অমৰ সৃষ্টি ৰাজিক অসম সত্ৰ মহাসভাই প্ৰচাৰ-প্ৰসাৰ আৰু গৱেষণাত গুৰুত্ব প্ৰদান কৰি কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰি আহিছে। অসম সত্ৰ মহাসভাই ১৯৮৪ তেই পৰীক্ষা পৰিষদ গঠন কৰা ব’ৰ্ডৰ অধীনত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলক ডিগ্ৰী প্ৰদান কৰি আহিছে। অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনৰ ফলত হোৱা চুক্তিৰ ছয় নম্বৰ দফাত ভাষা, সংস্কৃতি সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ বিষয়ে উল্লেখ কৰা হৈছে। গুৱাহাটী, ডিব্ৰুগড় আৰু শংকৰদেৱ বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলাত এম মিউজ ডিগ্ৰী যুৱক-যুৱতীসকলক প্ৰদান কৰা হৈছে। যাৰ বাবে গুৰুজনাৰ সৃষ্ট গীত, নৃত্য, বাদ্যৰ চৰ্চাৰ প্ৰতি যুৱক-যুৱতীসকল আগ্ৰহী হৈছে। এনে বিষয়ৰ প্ৰতি লক্ষ্য ৰাখি অসম সত্ৰ মহাসভাৰ প্ৰধান সম্পাদক কুসুম মহন্ত আৰু পৰীক্ষা পৰিষদৰ সচিব পংকজ শইকীয়াই অসমৰ শিক্ষামন্ত্ৰীলৈ ১৯ মে’ত এক স্মাৰকপত্ৰ প্ৰদান কৰি অসম সত্ৰ মহাসভাৰ কে’বাটাও দাবী অৱগত কৰিছে। নিম্ন উল্লিখিত বিষয়কেইটা অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰীয়ে সমাধান কৰি সত্ৰ মহাসভাক গতিশীলতা প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰিছে। ১৯৮৪তে প্ৰতিষ্ঠা হোৱা অসম সত্ৰ মহাসভাৰ পৰীক্ষা পৰিষদক স্বীকৃতি প্ৰদান কৰা। বিদ্যালয়, মহাবিদ্যালয়সমূহত সত্ৰীয়া সংগীত ডিপ্ল’মাধাৰীসকলক এটা স্বতন্ত্ৰ বিষয় হিচাপে স্থায়ী নিযুক্তি দিব লাগে আৰু সত্ৰীয়া সংগীত গৱেষণাৰ বাবে জলপানি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অসম সত্ৰ মহাসভাৰ পৰীক্ষা পৰিষদক অসম সাহিত্য সভাৰ দৰে আৰ্থিক অনুদান দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে অসম সত্ৰ মহাসভাৰ পৰীক্ষা পৰিষদৰ অন্তৰ্গত বিদ্যালয়, মহাবিদ্যালয়ৰ শিক্ষকসকলক দৰমহা দিয়াৰ ব্যৱস্থা তৎকালীনভাৱে কৰিব লাগে। যিহেতুকে সত্ৰীয়া সংস্কৃতিক কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে ৰাষ্ট্ৰীয় স্বীকৃতি প্ৰদান কৰিছে।

## ক’ভিড টিকাকৰণৰ ক্ষেত্ৰত বৰবৰুৱাত হাহাকাৰ অৱস্থা

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২১ মে’ ঃ** ক’ভিড মহামাৰীয়ে ৰাজ্যজুৰি যি সময়ত ব্যাপক সংক্ৰমণৰ ৰূপ লৈছে, তেনে অৱস্থাত বৰ্তমান ডিব্ৰুগড় জিলাৰ বৰবৰুৱা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত বহুকেইখন গাঁও আৰু চাহ বাগিচা অঞ্চললৈ এই ৰোগৰ তীব্ৰ সংক্ৰমণ ঘটিছে। দৈনিক পজিটিভ ৰোগীৰ সংখ্যা বৃদ্ধি পাই আহিছে আজি কিছুদিন ধৰি। সমীক্ষা মতে পজিটিভ ৰোগীৰ সংখ্যা দৈনিক হৈছেগৈ গড় হিচাপে ৩৫ গৰাকী। তাৰ বিপৰীতে কিন্তু যেনে ধৰণে টিকাকৰণ ব্যৱস্থা ক্ষিপ্ৰ হ’ব লাগিছিল তেনে অনুপাতে হোৱা নাই। বৰবৰুৱা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা স্বাস্থ্য বিষয়া ডাঃ প্ৰশান্ত দত্তৰ আগত এই অভিযোগ উত্থাপন কৰে নেতৃস্থানীয় তথা জ্যেষ্ঠ সাংবাদিক শৰৎ চন্দ্ৰ নেওগে। নেওগে অভিযোগ উত্থাপন কৰি কয় যে বৃহত্তৰ বৰবৰুৱা গ্ৰামীণ অঞ্চল আৰু চাহ অধ্যুষিত অঞ্চলসমূহত এনে বহু হেজাৰ হেজাৰ লোক আছে, যিসকল এতিয়াও টিকাকৰণৰ পৰা বঞ্চিত হৈ আছে, আনকি তেওঁলোকৰ মাজত টিকাকৰণো কৰিব পৰা নাই। উল্লেখ্য যে ১৮ ঊৰ্ধ্বৰ বয়সৰ লোকৰ ক্ষেত্ৰত প্ৰতিষেধক লোৱা অনলাইন ব্যৱস্থাটোও প্ৰায়োগিক দিশৰ অক্ষমতাৰ বাবে এই বৰবৰুৱাত একপ্ৰকাৰ প্ৰহসনতহে পৰিণত হৈছে। মহকুমা স্বাস্থ্য বিষয়াক তৎকালে সকলোকে টিকাকৰণৰ ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা হাতত ল’বলৈ সাংবাদিকজনে অনুৰোধ জনায়।

## ৰঙাপৰাত লক্ষী ফেঁচা উদ্ধাৰ



**বিশেষ সংবাদদাতা**
**ৰঙাপৰা, ২১ মে’ ঃ** ৰঙাপৰাত বিলুপ্ত প্ৰজাতিৰ ফেঁচা উদ্ধাৰ হোৱা ঘটনাই প্ৰকৃতি প্ৰেমীসকলৰ মাজত কৌতুহলৰ সৃষ্টি কৰিছে। ৰঙাপৰা ৰেলৰে লকো কলনিত উদ্ধাৰ হয় বিলুপ্ত প্ৰায় প্ৰজাতিৰ ফেঁচাটো। তথ্য অনুসৰি আজি পুৱা ১১ মান বজাত ৰঙাপৰা ৰেলৰে পাৱাৰ হাউছৰ সমীপৰ এটা ৰেলৰে আৱাসগৃহত ৰেলৰে কৰ্মচাৰী অসীম ডেকাই ফেঁচাটো প্ৰত্যক্ষ কৰে। তেওঁ লগে লগে সংবাদ মাধ্যমক অৱগত কৰে। সংবাদ মাধ্যমে ততাতৈয়াকৈ আমাৰিবাৰী আঞ্চলিক বন বিভাগৰ কাৰ্যালয়ত যোগাযোগ কৰাত বন বিভাগৰ বিষয়া অনিল বৰঠাকুৰ ঘটনাস্থলীত উপস্থিত হৈ লক্ষী ফেঁচা বুলি চিনাক্ত কৰি উদ্ধাৰ কৰে। বৰ্তমান আমাৰিবাৰী বনৰক্ষীয়ে ফেঁচাটো নিজৰ জিম্মাত ৰাখিছে।

## দৃষ্টিনন্দন বেলি ফুলৰ খেতিত অচিন কীটৰ সন্ত্ৰাস

### মূৰে কপালে হাত আত্মসহায়ক গোটৰ মহিলাৰ

**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ২১ মে’ ঃ** অতিমাৰী ক’ভিডৰ দ্বিতীয় লহৰত সৰ্বস্তৰৰ জনতাই ত্ৰাহিমধুসূদন দেখি থকাৰ মাজতে আকৌ ভূতৰ ওপৰত দানহ পৰাদি পৰিছে এবিধ অচিন কীটে। কামৰূপ জিলাৰ কৃষিপ্ৰধান হালোগাঁৱৰ মা কালী নামৰ আত্মসহায়ক গোটে এইবাৰ কৰিছে আটকধুনীয়া বেলি ফুলৰ খেতি। ব্ৰহ্মপুত্ৰৰ চাপৰিত আত্মসহায়ক গোটৰ ১২গৰাকী মহিলাৰ সম্মিলিত প্ৰচেষ্টাত পাঁচ বিঘা মাটিত কৰা বেলি ফুলৰ খেতিয়ে আন মহিলাৰ লগতে পুৰুষসমাজৰ বাবেও আদৰ্শ স্বৰূপ হৈ পৰিছিল। পৰ্যটকৰ আকৰ্ষণীয় হৈ লহপহকৈ ঠনধৰা বেলি ফুলৰ খেতিডৰাত আকস্মিকভাৱে এক অচিন কীটৰ সন্ত্ৰাসে মহিলাসকলৰ সপোন নষ্ট কৰাত মূৰে কপালে হাত দিব লগাত পৰিছে। অসম চৰকাৰৰ কনকলতা আঁচনিৰ ৫০ হেজাৰ টকা ব্যয় সাপেক্ষে মূৰৰ ঘাম মাটিত পেলাই কৰা উক্ত ফুলনিডৰা মাৰাত্মক পোকবিধৰ পৰা কিদৰে ৰক্ষা কৰিব পাৰি তাকে লৈ চিন্তাত পৰিছে মহিলাসকল। গোটৰ সদস্যাসকলে ৰামদিয়া কৃষি চক্ৰ বিষয়াৰ পৰা দিহা- পৰামৰ্শ বিচাৰে যদিও বিশেষ সঁহাৰি পোৱা নাই। স্থানীয় কৃষকসকলৰ পৰামৰ্শ মতে পোক খেদাৰ ব্যৱস্থা কৰিছে যদিও কামত অহা নাই। কৃষি বিভাগৰ ঊৰ্দ্ধতন কৰ্তৃপক্ষক অচিন পোকবোৰ খেদাৰ ব্যৱস্থা গ্ৰহণ কৰি আত্মসহায়ক গোটৰ মহিলাসকলক সহায়ৰ বাবে ৰাইজে দাবী জনাইছে।

## কৰ’নাৰ নিয়ম মানি মেৰাপানীত সাধাৰণ জনসাধাৰণৰ দুৰ্ভোগ

### বেংকৰ পৰা পইচা উলিয়াবলৈ পুৱা চাৰি বজাতে গ্ৰাহকৰ শাৰী



**অগ্ৰদূত বাৰ্তা**
**মেৰাপানী, ২১ মে’ ঃ** সাম্প্ৰতিক সময়ত দেশত কৰ’না মহামাৰীৰ বাবে চৰকাৰে জাৰি কৰা এছ অ’ পিৰ বাবে সাধাৰণ জনসাধাৰণে দুৰ্ভোগ ভুগিব লগা হৈছে। চৰকাৰী এছ অ’ পি অনুযায়ী পুৱা ১১ বজাতে দোকান-পোহাৰ, কাৰ্যালয়, বেংক আদি বন্ধ হৈ পৰে। বেংকৰ পৰা জমা ধন উলিওৱাবলৈ আহি গ্ৰাহকে টকা উলিয়াব নোৱাৰি সদায় বিমুখ হৈ উভতি যাব লগা হৈছে। পুৱা চাৰি বজাতেই বেংকত শাৰী পাতি থাকিও নিজৰ জমা ধনকেইটা উলিওৱাব নোৱাৰি হতাশ মনেৰে ঘৰলৈ উভতি যাব লগা হৈছে। এনে ঘটনা সংঘটিত হৈছে গোলাঘাট জিলাৰ মেৰাপানীত। মেৰাপানীৰ মাজমজিয়াত থকা পাঞ্জাৱ নেছনেল বেংকৰ সন্মুখত সদায় পুৱা চাৰি বজাত পইচা উলিওৱাবলৈ অহা গ্ৰাহকৰ শাৰী দেখিবলৈ পোৱা গৈছে। বেংকৰ পৰিচালক তথা কৰ্মচাৰীয়ে পুৱা ১০ বজাৰ পৰা এঘণ্টাৰ ভিতৰত মাত্ৰ ২০-৩০ জন গ্ৰাহকৰ লগতহে লেনদেন তথা পইচা দিব পাৰে। বাকী শাৰী পাতি থকা গ্ৰাহকসকল এছ অ’ পি নিয়ম অনুযায়ী সেই স্থান ত্যাগ কৰি হতাশ মনেৰে ঘৰলৈ উভতি যাব লগা হয়। এইদৰে এজন গ্ৰাহকে বহু কষ্টৰে এসপ্তাহৰ মুৰত নিজৰ জমা ধনকেইটা বেংকৰ পৰা উলিয়াব পাৰে। আজি পুৱা পাঁচ বজাত বেংকৰ সন্মুখত শাৰী পাতি থকা এগৰাকী মহিলাক ‘দৈনিক অগ্ৰদূত’ৰ পৰা সোধাত কয় যে প্ৰায় ১৬ কিলোমিটাৰ নিলগৰ কাছমাৰী অঞ্চলৰ পৰা পুৱা চাৰি বজাত আহিও আজি তিনিদিন ধৰি বেংকৰ পৰা পইচা উলিয়াবলৈ সক্ষম হোৱা নাই। তেওঁ জানিবলৈ দিয়া মতে শাৰী পাতি থাকে যদিও সময় উকলি যোৱাৰ লগে লগে বেংক বন্ধ কৰি দিয়ে, তেতিয়া তেওঁলোক ঘৰলৈ উভতি যাব লগা হয়। মাত্ৰ এঘণ্টাৰ সময়ত ২০-৩০ জনমান গ্ৰাহকে পইচা উলিয়াবলৈ সক্ষম হয়। এনেদৰেই সাধাৰণ ৰাইজ দুৰ্ভোগ ভুগিব লগা হোৱা বুলি অভিযোগ কৰে। আনহাতে, বেংক কৰ্তৃপক্ষও নিৰুপায় হোৱা বুলি সদৰী কৰি কয় যে এঘণ্টাৰ ভিতৰত শাৰীৰ আগত থকা গ্ৰাহককেইজনৰ লগতেই বেংকৰ লেনদেন কৰা হয়। এছ অ’ পি অনুযায়ী ১১ বজাত বেংক বন্ধ কৰা হয়। সেয়েহে বেংকৰ পৰা পইচা উলিয়াবলৈ অহা বহু গ্ৰাহক উভতি যাব লগা হৈছে। একেজন মানুহে নিজৰ জমা ধনকেইটা নিবলৈ চাৰি-পাঁচদিনকৈ বেংকলৈ আহিব লগা হৈছে। সাধাৰণ ৰাইজৰ আহ্বান বেংকসমূহ পুৱা ন বজাৰ দিনৰ ১২ বজালৈকে লেনদেনৰ সময়সীমা নিৰ্ধাৰণ কৰি চৰকাৰে দুখীয়া লোকসকলক সহায় কৰক, যিহেতু কৰ’নাৰ বাবে ৰাইজ জুৰুলা হৈ আছে, এনে পৰিপ্ৰেক্ষিতত ঘৰখন চলিবলৈ জমা ধনকেইটা বেংকৰ পৰা উলিয়াবৰ বাবে চৰকাৰে এই ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাইজে কৰযোৰে অসমৰ মুখ্যমন্ত্ৰীক কাতৰে প্ৰাৰ্থনা জনাইছে।

## ডিব্ৰুগড় জিলাত ক’ভিড প্ৰতিষেধক কেন্দ্ৰ বৃদ্ধি কৰিবলৈ চুতীয়া ছাত্ৰ সন্থাৰ আহ্বান

**অগ্ৰদূত বাৰ্তা**
**টেঙাখাত, ২১ মে’ ঃ** ডিব্ৰুগড় জিলাত মহামাৰী ক’ভিড সংক্ৰমণ ৰোধ কৰাৰ বাবে জিলাখনৰ প্ৰতিখন গাঁও, চাহ বাগিচা আৰু চহৰৰ প্ৰতিটো ৱাৰ্ডতে ক’ভিড প্ৰতিষেধক প্ৰদানৰ কেন্দ্ৰ স্থাপন কৰিবলৈ আৰু ১৮ বছৰ ঊৰ্ধ্বৰ বয়সৰ লোকক অফলাইনতো পঞ্জীয়ন কৰি ক’ভিড প্ৰতিষেধক প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰক আহ্বান জনাইছে সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতিয়ে। এক বিবৃতিযোগে সন্থাৰ জিলা সমিতিৰ সভাপতি জিতু শইকীয়া, উপসভাপতি ত্ৰিদিপ চুতীয়া আৰু সাধাৰণ সম্পাদক ত্ৰিদিপ চুতীয়াই জিলাখনত কম সংখ্যক প্ৰতিষেধক কেন্দ্ৰ থকাৰ বাবে বহুসংখ্যক লোক প্ৰতিষেধক লোৱাৰ পৰা বঞ্চিত হ’বলগীয়া হৈছে বুলি দাবী কৰে। তদুপৰি লোকক স্বাস্থ্য বিভাগে অনলাইনৰ যোগেদি প্ৰতিষেধক দিয়াৰ যি ব্যৱস্থা কৰিছে যদিও সেই ব্যৱস্থাৰ সুবিধা গাঁও আৰু চাহ বাগিচাৰ সাধাৰণ লোকে ল’বলৈ সক্ষম হোৱা নাই। সেইবাবে প্ৰতিষেধক ল’বলৈ যাতে সকলোৰে সুবিধা নাই তাৰ প্ৰতি লক্ষ্য ৰাখি জিলাখনত প্ৰতিষেধক প্ৰদান কেন্দ্ৰ বৃদ্ধি কৰাৰ লগতে ১৮ বছৰ ঊৰ্ধ্বৰ লোকৰ বাবে অফলাইনৰ ব্যৱস্থা কৰিবলৈ ৰাজ্য চৰকাৰ আৰু জিলা প্ৰশাসনক আহ্বান জনাইছে।

### জনস্বাস্থ্য কাৰিকৰী বিভাগে লৈছে ছেনিটাইজেছন কাৰ্যসূচী

## কলিয়াবৰৰ শালনাৰ নৈে চাহ বাগানৰ এক নম্বৰ লাইনত কণ্টেইনমেণ্ট জ’ন ঘোষণা




**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ২১ মে’ ঃ** ভয়াৱহ ৰূপ লৈছে কলিয়াবৰত ক’ভিড-১৯ৰ সংক্ৰমণে। বিশেষকৈ চাহ বাগান অঞ্চলসমূহত কৰ’নাই লৈছে ভয়ংকৰ ৰূপ। কলিয়াবৰৰ কে’বাখনো চাহ বাগানত ইতিমধ্যে ক’ভিড-১৯ত আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে। জগদম্বা চাহ বাগান, শাগমুটীয়া চাহ বাগানৰ পাছত এইবাৰ কলিয়াবৰৰ শালনাৰ নৈে চাহ বাগানৰ এক নম্বৰ লাইনত বৃদ্ধি পাইছে ক’ভিড-১৯ত আক্ৰান্তৰ সংখ্যাই। বাগিচাখনৰ এক নম্বৰ লাইনত একেদিনাই আঠজন লোক আক্ৰান্ত হয় কৰ’নাত। তাৰ পাছতেই কলিয়াবৰ মহকুমা প্ৰশাসনে শালনাৰ নৈে চাহ বাগানৰ এক নম্বৰ লাইন কণ্টেইনমেণ্ট জ’ন ঘোষণা কৰে। ইফালে, চুলুঙৰ গেমন ইণ্ডিয়া নামৰ ইণ্ডাষ্ট্ৰীটোৰ লগতে ঝাৰনি গাঁৱত ইতিমধ্যেই কণ্টেইনমেণ্ট জ’ন ঘোষণা কৰিছে প্ৰশাসনে। লগতে কলিয়াবৰৰ বহুকেইটা অঞ্চলতে কণ্টেইনমেণ্ট জ’ন হোৱাৰ সম্ভাৱনা শীঘ্ৰেই প্ৰকট হৈ উঠিছে। আনহাতে, বাগিচা অঞ্চলত তীব্ৰ গতিত চলিছে ক’ভিড পৰীক্ষণ প্ৰক্ৰিয়া। মহকুমাটোত এনে জটিল সময়ৰ প্ৰতি লক্ষ্য ৰাখি জনস্বাস্থ্য কাৰিকৰী বিভাগে কলিয়াবৰৰ ভিন্ন স্থানত ছেনিটাইজেছন কৰে। তিনিটাকৈ কণ্টেইনমেণ্ট জ’নৰ লগতে কলিয়াবৰত মৃত্যু হৈছে চাৰিজনকৈ ক’ভিড আক্ৰান্তৰ। কালি দুপৰীয়াৰ পৰা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কলিয়াবৰ সংমণ্ডলে কলিয়াবৰৰ বিভিন্ন অঞ্চলত ছেনিটাইজেছন আৰম্ভ কৰিছে। কলিয়াবৰৰ জখলাবন্ধাৰ লগতে আন আন বিভিন্ন স্থানত কালি ছেনিটাইজেছনৰ কাম সম্পন্ন কৰে বিভাগটোৱে।

## অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক কৃষ্ণকান্ত ঠাকুৰীয়াৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**টিহু, ২১ মে’ ঃ** টিহু মহকুমাৰ নিজ নমাটি গাঁও নিবাসী অতি অমায়িক, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষকৰ কৃষ্ণকান্ত ঠাকুৰীয়া (৭৬)ৰ যোৱা নিশা আকস্মিকভাৱে মৃত্যু হয়। উল্লেখ্য যে অৱসৰপ্ৰাপ্ত শিক্ষক ঠাকুৰীয়াই যোৱা বুধবাৰে কদমতল চ’কৰ পৰা নিজৰ চাইকেলখনেৰে নিজ গৃহলৈ গৈ থকা অৱস্থাত হঠাৎ বাগৰি পৰি ভৰি এখন আঘাতপ্ৰাপ্ত হয়। পৰিয়ালৰ লোকে তেওঁক চিকিৎসালয়লৈ নি চিকিৎসা প্ৰদান কৰি ঘৰলৈ আনে। কিন্তু যোৱা নিশা তেওঁৰ হঠাৎ অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ চিকিৎসালয়লৈ নিয়াৰ পথত হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ আকস্মিকভাৱে মৃত্যু হয়। কৃতী শিক্ষক ঠাকুৰীয়াই ২০০৬ৰ ২৮ এপ্ৰিলত নমাটি মৌজা হাইস্কুলৰ পৰা শিক্ষকতা জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। পিছলৈ তেওঁ নমাটি অঞ্চলৰ বিভিন্ন সামাজিক কামত জড়িত হৈ সেৱা আগবঢ়ায়। কৃতী শিক্ষকজনৰ মৃত্যুত বিভিন্ন অনুষ্ঠানে শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত পত্নীসহ দুই পুত্ৰ আৰু কন্যাক এৰি যায়।

## লাহৰীঘাটত ড্ৰাগছ ব্যৱসায়ীক গ্ৰেপ্তাৰ





**অগ্ৰদূত বাৰ্তা**
**লাহৰীঘাট, ২১ মে’ ঃ** লাহৰীঘাটৰ বৰছলাত কালি ড্ৰাগছ ব্যৱসায়ী এজনক গ্ৰেপ্তাৰ কৰে। বৰছলা আৰক্ষী চকীৰ আৰক্ষীৰ এটা দলে অভিযান চলাই পশ্চিম গৰৈমাৰীৰ পৰা হাৰুন ৰছিদ নামৰ ড্ৰাগছ ব্যৱসায়ীজনক আটক কৰে। ড্ৰাগছ ভৰ্তি ৩৪ টা কন্টেইনাৰসহ গাঁওখনৰ পৰাই গ্ৰেপ্তাৰ কৰে। ড্ৰাগছ বিক্ৰীৰ বাবে ৰৈ থকা অৱস্থাত বিশেষ খবৰৰ ভিত্তিত বৰছলা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। লগতে তেওঁ ব্যৱহাৰ কৰা এ এছ-২১ এইছ-৯৯৭৮ নম্বৰৰ মটৰ চাইকেলখন জব্দ কৰে।

## টীয়কত বিদ্যুৎস্পৃষ্ট হৈ মৃত্যুৰে যুঁজিছে শ্ৰমিক

### ঠিকাদাৰৰ অধীনত কাম কৰিছিল দুই আহত শ্ৰমিকে

**অগ্ৰদূত বাৰ্তা**
**টীয়ক, ২১ মে’ ঃ** টীয়কৰ ৰাষ্ট্ৰীয় ঘাইপথ সম্প্ৰসাৰণৰ কামত বিদ্যুৎ বিভাগৰ কামত নিয়োজিত দুজন শ্ৰমিক আজি ঠিকাদাৰৰ গাফিলতিৰ বাবে বিদ্যুৎস্পৃষ্ট হয়। উল্লেখ্য যে আজাদ পানতাঁতী আৰু দয়াল মুণ্ডা নামৰ শ্ৰমিক দুজনে টীয়ক নগৰৰ জগদুৱাৰ তিনিআলিৰ সমীপৰ এটা ট্ৰেন্সফৰ্মাৰত কাম কৰি থকা অৱস্থাতে বিদুৎস্পৃষ্ট হৈ বিদ্যুৎতৰ খুঁটাৰ পৰা তলত পৰি গুৰুতৰভাৱে আহত হয়। বিদ্যুৎ বিভাগে জনোৱা মতে ঠিকাদাৰী প্ৰতিষ্ঠানে বিদ্যুৎ বিভাগৰ ওচৰত বিদ্যুৎ কৰ্তনৰ সন্দৰ্ভত কোনো আনুষ্ঠানিক চুক্তি নকৰাকৈয়ে এইদৰে সম্পূৰ্ণ নিজ খেয়ালখুচিত কৰ্তব্য সমাপন কৰিছে। উল্লেখ্য যে ঠিকাদাৰী প্ৰতিষ্ঠানত কৰ্মৰত মেলেং চাহ বাগিচাৰ দুই যুৱকৰ ভিতৰত এজন যুৱকৰ বয়স ১৮ বছৰতকৈ কম। তেনস্থলত শিশু শ্ৰমিক আইন উলংঘা কৰি কিদৰে ঠিকাদাৰে শিশু শ্ৰমিক নিয়োগ কৰিছে তাক লৈ প্ৰশ্ন উত্থাপিত হৈছে।

### একাংশ লোকৰ অসচেতনতাৰ বাবে গণসংক্ৰমণৰ দিশে চতিয়া

## চতিয়াত ক’ভিডৰ নিয়মক ভেঙুচালি

**অগ্ৰদূত বাৰ্তা**
**চতিয়া, ২১ মে’ ঃ** দেশ তথা ৰাজ্যত ক’ভিডৰ দ্ৰুত সংক্ৰমণ প্ৰতিৰোধৰ বাবে চৰকাৰে সান্ধ্য আইন, সাপ্তাহিক বজাৰ, ১১ বজাতে দোকান-পোহাৰ বন্ধ, ১২ বজাৰ পৰা সান্ধ্য আইনৰ দৰে দৃঢ় পদক্ষেপ গ্ৰহণ কৰাৰ সময়তে চতিয়াত একাংশ লোকে ক’ভিড নিয়মক চৰম ভেঙুচালি কৰা পৰিলক্ষিত হৈছে। ফলত চতিয়া গণ সংক্ৰমণৰ দিশে অগ্ৰসৰ হৈছে। যোৱা ১৯ মে’লৈকে চতিয়াত ক’ভিড আক্ৰান্তৰ সংখ্যা দুশৰো অতিক্ৰম কৰাৰ লগতে ছয়জন লোকৰ মৃত্যু ঘটিছে। চতিয়াস্থিত অসম গ্ৰামীণ বিকাশ বেংক, চতিয়া এপেক্স বেংকৰ শাখাত কোনো ধৰণৰ সামাজিক দূৰত্ব নমনাকৈয়ে শাৰী পাতি থিয় হৈ থকা দৃশ্যই চতিয়াত গণ সংক্ৰমণ হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। তদুপৰি বিশ্বনাথ জিলাৰ উপায়ুক্তই চতিয়াৰ দৈনিক বজাৰ বন্ধ কৰা সত্ত্বেও একাংশ লোকে চাইকেল, ঠেলাৰ ওপৰতে বজাৰ মেলাত জনসমাগম হোৱা দেখা গৈছে। ইফালে, চতিয়াৰ গ্ৰামাঞ্চলত যেনে নলবাৰী, ঘিলাধাৰীমুখ, তেৰাৰী পাল, গড়পাল, চৰাইজনীয়া, মনাই জয়সিদ্ধি, বেজবৰুৱা পথ, আমলখিআটি আদি গাঁৱত ক’ভিড পজিটিভ ধৰা পৰিছে। সেয়ে আৰক্ষী প্ৰশাসনে দৃঢ় পদক্ষেপ গ্ৰহণ নকৰিলে চতিয়াত ক’ভিড পজিটিভৰ সংখ্যা বৃদ্ধি হোৱাতো নিশ্চিত।

## উত্তৰ লখিমপুৰ মহাবিদ্যালয়ৰ স্বায়ত্ত শাসনৰ সময় বৃদ্ধি




**বিশেষ সংবাদদাতা**
**লখিমপুৰ, ২১ মে’ ঃ** অসমৰ ভিতৰত প্ৰথম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত স্বায়ত্তশাসিত মহাবিদ্যালয়ৰূপে পৰিচিত উত্তৰ লখিমপুৰ মহাবিদ্যালয়ৰ স্বায়ত্ত শাসনৰ সময় আৰু পাঁচ বছৰলৈ বৃদ্ধি কৰা হৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ যুটীয়া সচিব ড° সুৰেন্দ্ৰ সিঙে এক পত্ৰযোগে এই কথা জানিবলৈ দিয়ে। অহা ২০২৬ লৈকে মহাবিদ্যালয়খনক স্বায়ত্ত শাসন প্ৰদান কৰা হৈছে। উল্লেখ্য যে ২০১৩ত এই মহাবিদ্যালয়ে স্বায়ত্ত শাসনৰ মৰ্যাদা লাভ কৰিছিল। বিধিমতে প্ৰথমে পাঁচ বছৰৰ বাবে স্বায়ত্ত শাসন প্ৰদান কৰা হয় আৰু এই সময়খিনিৰ শৈক্ষিক প্ৰতিবেদন আৰু পৰ্যবেক্ষকৰ ওপৰত ভিত্তি কৰি পৰৱৰ্তী সময়ৰ বাবে স্বায়ত্ত শাসনৰ সময় বৃদ্ধি দিশটো বিবেচনা কৰা হয়। ২০১৩তে স্বায়ত্ত শাসন লাভ কৰা এইখন মহাবিদ্যালয়ৰ পুনৰ মূল্যায়ন ২০১৮-১৯তে হ’ব লাগিছিল যদিও আয়োগে মাজৰ দুটা বছৰত স্বীকৃতি অটুট ৰাখি ২০২১ৰ মাৰ্চত মূল্যায়নৰ ব্যৱস্থা কৰে। স্বায়ত্ত শাসনৰ এই সময়খিনিত মহাবিদ্যালয়খনৰ শৈক্ষিক দিশত আমূল পৰিৱৰ্তন সাধন হৈ ৰাজ্যৰ ভিতৰতে নহয় দেশৰ আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠানৰে ফেৰ মাৰিব পৰা হ’ল। যাৰ বাবে অনুমোদন আয়োগৰ দ্বাৰা উচ্চ প্ৰশংসিত এই মহাবিদ্যালয়খনক পৰৱৰ্তী পাঁচ বছৰৰ বাবে স্বায়ত্তশাসনৰ ম্যাদ বৃদ্ধি কৰে। মহাবিদ্যালয়খনৰ এনে সুনাম তথা সফলতাৰ বাবে মহাবিদ্যালয়খনৰ অধ্যাপক ড° বিমানে চেতিয়াই সকলোলৈকে কৃতজ্ঞতা জ্ঞাপন কৰে। মহাবিদ্যালয়খনলৈ অবদান আগবঢ়াই যোৱা সকলোৰে প্ৰতি কৃতজ্ঞতা জনায়।

## টিহুত স্বচ্ছ ভাৰত অভিযান ধোঁৱাচাঙত

### কৰ’না কালত জাৱৰৰ দম-নলা-নৰ্দমাৰ কদৰ্য ৰূপে কঢ়িয়াই আনিছে জনস্বাস্থ্যৰ প্ৰতি তীব্ৰ ভাবুকি



**অগ্ৰদূত বাৰ্তা**
**টিহু, ২১ মে’ ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বচ্ছ ভাৰত গঢ়াৰ বাবে সময়ে সময়ে আহ্বান জনায় থকাৰ সময়তে নলবাৰী জিলাৰ দ্বিতীয় প্ৰধান নগৰ টিহুত জাৱৰ-জোঁথৰৰ দম আৰু নলা-নৰ্দমাই কদৰ্য ৰূপ ধাৰণ কৰি জনস্বাস্থ্যৰ প্ৰতি তীব্ৰ ভাবুকিৰ সৃষ্টি কৰাত সচেতন নাগৰিকসকলৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে ১৯৫১তে নগৰৰ স্বীকৃতি লাভ কৰা টিহু নগৰত আৱৰ্জনা তথা জাৱৰৰ দমৰ কদৰ্যতাৰ বাবে টিহুবাসীৰ চৰম যাতনা ভোগ কৰিব লগাত পৰিছে। অভিযোগ অনুসৰি, নগৰখনত থকা জাৱৰৰ দম আৰু নলা-নৰ্দমাসমূহ টিহু পৌৰসভাই নিয়মীয়াকৈ চাফ-চিকুণ নকৰাৰ ফলত দীৰ্ঘদিন জমা হৈ থকা আৱৰ্জনা আৰু নৰ্দমাৰ লেতেৰা পানীৰ পৰা সৃষ্টি হোৱা উৎকট দুৰ্গন্ধই টিহুবাসীৰ স্বাস্থ্যৰ প্ৰতি তীব্ৰ ভাবুকি কঢ়িয়াই আনিছে। নগৰখনৰ নলা-নৰ্দমাসমূহ পৰিকল্পিত আৰু বিজ্ঞানসন্মতভাৱে নিৰ্মাণ নকৰাৰ ফলত লেতেৰা পানী নিষ্কসন নোহোৱা বাবেই টিহু নগৰৰ বিভিন্ন অংশত দুৰ্গন্ধই ছানি ধৰিছে। আনকি এনে অস্বাস্থ্যকৰ পৰিৱেশতে একাংশই ব্যৱসায়-বাণিজ্য চলাই থাকিবলগীয়া হৈছে। সম্প্ৰতি টিহু অঞ্চলতো কৰ’না সংক্ৰমণ বৃদ্ধি পোৱা সত্ত্বেও টিহু পৌৰসভাৰ কাৰ্যবাহী বিষয়াজনে দেশৰ প্ৰধানমন্ত্ৰী স্বচ্ছ ভাৰত অভিযান ধোঁৱাচাঙত তুলি নগৰখন নিয়মীয়া চাফ-চিকুণত গুৰুত্ব নিদিয়াত এই জাৱৰৰ দম আৰু নলা-নৰ্দমাসমূহৰ কদৰ্য পৰিৱেশে কৰ’না সংক্ৰমণৰ অভিকেন্দ্ৰৰ ৰূপ লোৱাৰ সম্ভাৱনাই দেখা দিছে। এই সন্দৰ্ভত স্থানীয়ভাৱে ইতিমধ্যে টিহু পৌৰসভাৰ কাৰ্যবাহী বিষয়াক সু-ব্যৱস্থা গ্ৰহণৰ বাবে অনুৰোধ জনোৱা হৈছিল যদিও পৌৰসভা কৰ্তৃপক্ষই কোনো গুৰুত্ব নিদিয়াৰ অভিযোগ উঠিছে। সেয়ে টিহুৰ সৰ্বস্তৰৰ ৰাইজে শীঘ্ৰে টিহু নগৰৰ জাৱৰৰ দম আৰু নলা-নৰ্দমাসমূহ পৰিষ্কাৰ কৰাৰ ব্যৱস্থা কৰি টিহু নগৰত এক স্বাস্থ্যসন্মত পৰিৱেশ গঢ়ি তুলিবলৈ টিহু পৌৰসভাক কাৰ্যবাহী বিষয়া দাবী জনাইছে।

## ভাওৰাগুৰীত ক’ভিড পৰীক্ষাৰ ব্যৱস্থা



**অগ্ৰদূত বাৰ্তা**
**দোতমা/ফকিৰাগ্ৰাম, ২১ মে’ ঃ** সমগ্ৰ ৰাজ্যতে এতিয়া ক’ভিডে সংহাৰী ৰূপ ধাৰণ কৰিছে। তাৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে গ্ৰামাঞ্চলত ক’ভিড প্ৰতিষেধক প্ৰদানৰ লগতে ইয়াৰ পৰীক্ষা কৰাৰ ব্যৱস্থা হাতত লৈছে। সেইমৰ্মে গোসাঁইগাঁৱৰ ভিন্ন গ্ৰামাঞ্চলত ক’ভিড পৰীক্ষা কৰা পৰিলক্ষিত হৈছে। সমান্তৰালকৈ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত ভাওৰাগুৰী মধ্য ইংৰাজী বিদ্যালয়ত আজি ক’ভিড পৰীক্ষাৰ ব্যৱস্থা কৰা হয়। পুৱা ন বজাৰ পৰা ক’ভিড পৰীক্ষা আৰম্ভ হয়। ভাওৰাগুৰী অঞ্চলৰ ৰাইজে ক’ভিড পৰীক্ষাৰ প্ৰতি যথেষ্ট সঁহাৰি জনাইছে বুলি ভাওৰাগুৰী ভিচিডিচিৰ অধ্যক্ষ পাৰ্থ পাল (গনো)-এ জানিবলৈ দিছে।






# বাৰ্চিলোনাৰ হৈ অন্তিম মেচ খেলিলে মেছিয়ে?

**বাৰ্চিলোনা, ২১ মে' ঃ** স্পেনিছ লা-লিগাত কাইলৈ অন্তিম মেচ খেলিব বাৰ্চিলোনাই। উল্লেখ্য যে কাইলৈ বাৰ্চিলোনা মুখামুখি হ'ব ইবাৰৰ। বাৰ্চিলোনাই 37 খন মেচত 76 পইণ্ট লাভ কৰি তৃতীয় স্থানত আছে। উল্লেখ্য যে চলিত স্পেনিছ লা-লিগাত এথলেটিকো মাদ্ৰিদ আৰু ৰিয়াল মাদ্ৰিদে খিতাপ জয়ৰ আশা সজীৱ ৰখাৰ বিপৰীতে বাৰ্চিলোনা খিতাপ জয়ৰ দৌৰৰ পৰা আঁতৰি আহিছে। গতিকে এই মেচৰ গুৰুত্ব নাই। কাইলৈৰ মেচত অংশ নলয় বাৰ্চিলোনাৰ তাৰকা লিয়োনেল মেছিয়ে। আজি মেছিয়ে অনুশীলন নকৰিলে। উল্লেখ্য যে মেছিয়ে নতুন ছিজনৰ বাবে বাৰ্চিলোনাৰ লগত চুক্তি কৰা নাই। ক্লাব সলনি কৰাৰ খবৰো ওলাইছে। তেন্তে স্পেনিছ লা-লিগাত বাৰ্চিলোনাৰ অন্তিম মেচখনে মেছিৰ ক্লাবৰ হৈ অন্তিম মেচ হ'ব নেকি? এই লৈ চৰ্চা অব্যাহত আছে। উল্লেখ্য যে স্পেনিছ লা-লিগাৰ অন্তিম মেচত বাৰ্চিলোনা পৰাস্ত হয়। চেল্টা ভিগোৰ বিৰুদ্ধে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত হয় বাৰ্চিলোনা। এই ব্যৰ্থতাই দলক খিতাপ জয়ৰ দৌৰৰ পৰা আঁতৰাই আহিছে। ইয়াৰপূৰ্বে বাৰ্চিলোনাই অন্তিম মেচত লেভাণ্টেৰ বিৰুদ্ধে 2-0 গ'লৰ অগ্ৰগতি লাভ কৰাৰ লগতে দুবাৰকৈ আগবাঢ়ি থাকিও অৱশেষত 3-3 গ'লত ড্ৰ খেলি পইণ্ট ভগাই লয়।



### আই পি এলৰ বাকী থকা মেচ আয়োজনৰ যো-যা বি চি চি আইৰ

# ই চি বিক ভাৰত-ইংলণ্ডৰ পাঁচ খনীয়া টেষ্ট শৃংখলা আগুৱাই দিয়াৰ প্ৰস্তাৱ দিলে ব'ৰ্ডে

**নতুন দিল্লী, ২১ মে' ঃ** ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে ভাৰত আৰু ইংলণ্ডৰ মাজৰ পাঁচখনীয়া টেষ্ট শৃংখলাটো আগুৱাই দিয়াৰ আহ্বান জনাইছে ইংলণ্ড ক্ৰিকেট ব'ৰ্ডক। ইয়াৰ কাৰণ হ'ল আই পি এলৰ বাকী থকা মেচ কেইখন আয়োজনৰ বাবে সময় লাগে ব'ৰ্ডক। উল্লেখ্য যে কৰ'নাৰ বাবে এইবাৰ মাজতে বন্ধ হয় আই পি এল। কিন্তু এতিয়াও আই পি এলৰ 23 খন মেচ খেলিবলৈ বাকী আছে। অহা মাহত ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা আৰু প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচত অংশ লোৱাৰ বাবে টীম ইণ্ডিয়া ৰাওনা হ'ব ইংলণ্ড দললৈ। অহা 18 জুনত অনুষ্ঠিত হ'ব প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন। ভাৰতে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত মুখামুখি হ'ব নিউজিলেণ্ডৰ। তাৰপাছত আৰম্ভ হ'ব ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা। অহা চাৰি আগষ্টত ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলাৰ প্ৰথম মেচ খেলিব টীম ইণ্ডিয়াই। আনহাতে শৃংখলা সামৰণি পৰিব 14 ছেপ্টেম্বৰত। কিন্তু বি চি চি আয়ে পাঁচখনীয়া টেষ্ট শৃংখলা আগুৱাই দিয়াৰ আহ্বান জনাইছে ইংলণ্ড ক্ৰিকেট ব'ৰ্ডক। তেতিয়া আই পি এল অনুষ্ঠিত কৰাৰ সময় পাব বি চি চি আয়ে। অৱশ্যে ইংলণ্ড ক্ৰিকেট ব'ৰ্ড বা বি চি চি আয়ে এই বিষয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই।






### ২১ মে'ৰ পৰা গ্ৰেণ্ডশ্লাম টেনিছ ফ্ৰেন্স অপেন

# আঘাতৰ বাবে নাম প্ৰত্যাহাৰ পূৰ্ব চেম্পিয়ন ছিমনা হালেপৰ

**পেৰিছ, ২১ মে' ঃ** বিশ্ব ৰেংকিঙৰ তৃতীয় স্থান প্ৰাপ্ত মহিলা টেনিছ খেলুৱৈ ছিমনা হালেপে আসন্ন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনত নেখেলে। ৰোমানিয়াৰ তাৰকাগৰাকীয়ে আজি এয়া নিশ্চিত কৰিছে। উল্লেখ্য যে আঘাতৰ বাবে ছিমনা হালেপে আসন্ন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনত নেখেলে। অহা 30 মে'ৰ পৰা আৰম্ভ হ'ব গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেন। উল্লেখ্য যে বিশ্ব ৰেংকিঙৰ তৃতীয় স্থান প্ৰাপ্ত ৰোমানিয়াৰ তাৰকা মহিলা টেনিছ খেলুৱৈ ছিমনা হালেপে 2018 ত লাভ কৰিছিল গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ খিতাপ। ইফালে, উইম্বলডনৰ প্ৰাক্তন চেম্পিয়ন হালেপে এইবাৰ গ্ৰাছকৰ্ট গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতাখনত খেলিব নে নাই সেয়া নিশ্চিত হোৱা নাই। উল্লেখ্য যে অহা 28 জুনৰ পৰা আৰম্ভ হ'ব গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উইম্বলডন।



### অহা বৰ্ষৰ ১১-৩০ অক্টোবৰলৈ প্ৰতিযোগিতা

# ভাৰতত হ'ব লগা ১৭ অনূৰ্ধ ফিফা মহিলা বিশ্বকাপৰ সূচী ঘোষণা




**নতুন দিল্লী, ২১ মে' ঃ** ভাৰতত হ'বলগা 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ নতুন দিন নিৰ্ধাৰণ কৰিছে আন্তৰ্জাতিক ফুটবল সন্থাই। সেই অনুসৰি এতিয়া অহা বৰ্ষতহে অনুষ্ঠিত হ'ব 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা। ফিফাই নতুনকৈ ঘোষণা কৰা সূচী অনুসৰি 2022 ৰ 11-30 অক্টোবৰলৈ ভাৰতত অনুষ্ঠিত হ'ব 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা। উল্লেখ্য যে কৰ'নাৰ বাবে তিনিবাৰ পিছুৱাই গ'ল ভাৰতত অনুষ্ঠিত হ'বলগা 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা। পূৰ্বৰ সূচী অনুসৰি 2020 ৰ দুইৰ পৰা 21 নৱেম্বৰলৈ ভাৰতত অনুষ্ঠিত হোৱাৰ কথা আছিল 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা। কিন্তু কৰ'নাৰ বাবে সেয়া পিছুৱাই নতুন দিন নিৰ্ধাৰণ কৰে ফিফাই। আন্তৰ্জাতিক ফুটবল ফেডাৰেছনে 2021 ত অনুষ্ঠিত কৰিব বিচাৰিছিল প্ৰতিযোগিতাখন। ফিফাই তেতিয়া জনোৱা মতে 2021 ৰ 17 ফেব্ৰুৱাৰীৰ পৰা সাত মাৰ্চলৈ অনুষ্ঠিত কৰাৰ কথা আছিল 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা। কিন্তু পুনৰ কৰ'নাৰ বাবে সেয়া আকৌ এবাৰ পিছুৱাই দিয়া হয়। উল্লেখ্য যে ভাৰতৰ মুঠ পাঁচটা স্থানত এই ফুটবল প্ৰতিযোগিতাৰ মেচ অনুষ্ঠিত হ'ব। গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামো 17 বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ অন্যতম স্থান।

### বিশ্ব টেষ্টৰ ফাইনেলক লৈ নিউজিলেণ্ডৰ ছাউথীৰ মন্তব্য

# ইংলণ্ডৰ লগত খেলা টেষ্ট শৃংখলাই ভাৰতৰ বিৰুদ্ধে আমাক সহায় কৰিব



**লণ্ডন, ২১ মে' ঃ** 'ভাৰতৰ বিৰুদ্ধে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল খেলাৰ পূৰ্বে আমি ইংলণ্ডৰ বিৰুদ্ধে যি দুখন টেষ্ট খেলিম সেয়া আমাৰ বাবে অতি গুৰুত্বপূৰ্ণ। আমি পৰিৱেশ বুজি ল'ম লগতে চাপ আঁতৰাই খেলিব পাৰিম।' এই মন্তব্য নিউজিলেণ্ডৰ পেচাৰ টিম ছাউথীৰ। তেওঁ লগতে কয় যে ভাৰতৰ বিৰুদ্ধে টেষ্ট খেলাটো সদায়ে এক প্ৰত্যাহ্বান। কিন্তু এইবাৰৰ টেষ্টৰ গুৰুত্ব আৰু অধিক। এয়া প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল। বিৰাট কোহলি নেতৃত্বনাধীন টীম ইণ্ডিয়াৰ বিৰুদ্ধে এখন বিশেষ টেষ্ট মেচ খেলাটো স্বাভাৱিকতে ৰোমাঞ্চকৰ। উল্লেখ্য যে ভাৰতৰ বিৰুদ্ধে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন খেলাৰ লগতে ইংলণ্ডৰ বিৰুদ্ধে দুখনীয়া টেষ্ট শৃংখলাত অংশ লোৱাৰ বাবে ইতিমধ্যে ইংলণ্ডত উপস্থিত হৈছে নিউজিলেণ্ড দল। আসন্ন ইংলণ্ড ভ্ৰমণত নিউজিলেণ্ডে এটা দুখনীয়া টেষ্ট শৃংখলাত অংশ লোৱাৰ লগতে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখনো খেলিব। উল্লেখ্য যে নিউজিলেণ্ডে ইংলণ্ডৰ বিৰুদ্ধে খেলিব লগা দুখনীয়া টেষ্ট শৃংখলাটো আৰম্ভ হ'ব অহা দুই জুনৰ পৰা। প্ৰথমখন টেষ্ট দুইৰ পৰা ছয় জুনলৈ। আনহাতে, দ্বিতীয়খন টেষ্ট 10 ৰ পৰা 14 জুনলৈ আৰম্ভ হ'ব। আনহাতে, প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন অহা 18 জুনৰ পৰা আৰম্ভ হ'ব।

### আজি নিৰ্ণয় হ'ব স্পেনিছ লা-লিগাৰ চেম্পিয়ন

# খিতাপৰ বাবে মৰণপণ মেচত এথলেটিকো-ৰিয়াল মাদ্ৰিদ






**মাদ্ৰিদ, ২১ মে' ঃ** স্পেনিছ লা-লিগাত কাইলৈ নিৰ্ণয় হ'ব চেম্পিয়ন কোন। উল্লেখ্য যে চলিত স্পেনিছ লা-লিগাত এথলেটিকো মাদ্ৰিদ আৰু ৰিয়াল মাদ্ৰিদে খিতাপ জয়ৰ আশা সজীৱ ৰখাৰ বিপৰীতে বাৰ্চিলোনা খিতাপ জয়ৰ দৌৰৰ পৰা আঁতৰি আহিছে। কাইলৈ এথলেটিকো মাদ্ৰিদ আৰু ৰিয়াল মাদ্ৰিদে গুৰুত্বপূৰ্ণ মেচ খেলিব। বাৰ্চিলোনায়ো নিজৰ অন্তিম মেচ খেলিব কিন্তু সেয়া দলৰ বাবে গুৰুত্বহীন। উল্লেখ্য যে স্পেনিছ লা-লিগাত এথলেটিকো মাদ্ৰিদে 37 খন মেচত 83 পইণ্ট লাভ কৰি শীৰ্ষ স্থানত আছে। ইফালে, ৰিয়াল মাদ্ৰিদে 37 খন মেচত 81 পইণ্ট লাভ কৰি দ্বিতীয়ত আছে। কাইলৈ এথলেটিকো মাদ্ৰিদৰ জয়-পৰাজয়ে নিৰ্ণয় কৰিব স্পেনিছ লা-লিগাৰ চেম্পিয়ন। স্পেনিছ লা-লিগাত কাইলৈ এথলেটিকোই খেলিব ৰিয়াল ভাল্লাড'লিডৰ বিৰুদ্ধে। আনহাতে, ৰিয়াল মাদ্ৰিদে খেলিব ভিল্লাৰিয়ালৰ বিৰুদ্ধে। উল্লেখ্য যে কাইলৈ বাৰ্চিলোনা মুখামুখি হ'ব ইবাৰৰ। বাৰ্চিলোনাই 37 খন মেচত 76 পইণ্ট লাভ কৰি তৃতীয় স্থানত আছে। আনহাতে, ছেভিলাই 37 খন মেচত 74 পইণ্ট লাভ কৰি চতুৰ্থস্থানত আছে। উল্লেখ্য যে জয়যাত্ৰা অব্যাহত ৰখা ৰিয়াল মাদ্ৰিদে অন্তিম মেচত 4-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে গ্ৰানাডাক। ইফালে, অন্তিম মেচত এথলেটিকো মাদ্ৰিদে 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ৰিয়াল ছ'ছিয়েদাদক।

### ইউৰো কাপলৈ পৰ্তুগাল দল ঘোষণা

# অধিনায়ক ক্ৰিষ্টিয়ানো ৰোণাল্ডো

**লিছবন, ২১ মে' ঃ** ক্ৰিষ্টিয়ানো ৰোণাল্ডোৰ নেতৃত্বতেই আসন্ন ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত অংশ ল'ব বিগত বৰ্ষৰ চেম্পিয়ন পৰ্তুগালে। আজি ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ বাবে পৰ্তুগাল দলটো ঘোষণা কৰা হৈছে। প্ৰত্যাসিতভাবে অধিনায়ক পদ দিয়া হৈছে তাৰকা ষ্ট্ৰাইকাৰ ক্ৰিষ্টিয়ানো ৰোণাল্ডোক। উল্লেখ্য যে ৰোণাল্ডোৰ নেতৃত্বত খেলিয়েই যোৱা ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত চেম্পিয়ন হৈছিল পৰ্তুগাল। ক্লাব ফুটবলত গৌৰৱৰ মালা পিন্ধা ক্ৰিষ্টিয়ানো ৰোণাল্ডোৰ এইটোৱে হৈছে দেশক দিয়া কেৰিয়াৰৰ শ্ৰেষ্ঠ আৰু এতিয়ালৈকে একমাত্ৰ অনন্য সফলতা। ৰোণাল্ডোৰ লগতে আসন্ন ইউৰো কাপ ফুটবল প্ৰতিযোগিতাত অংশ ল'বলগা বিগত বৰ্ষৰ চেম্পিয়ন পৰ্তুগালৰ 26 জনীয়া দলত স্থান লাভ কৰিছে চলিত ছিজনত ইউৰোপৰ ক্লাব ফুটবলত ধাৰাবাহিকতা ৰক্ষা কৰি অনবদ্য প্ৰদৰ্শন কৰা ডিয়েগো ক'ষ্টা, বাৰ্ণাল্ডো ছিলভা, অভিজ্ঞ পেপে, পেৰেৰিয়া, ব্ৰুন ফাৰ্ণাণ্ডেজ, অ'লিভেৰিয়া। উল্লেখ্য যে অহা 11 জুনৰ পৰা আৰম্ভ হ'ব ইউৰো কাপ ফুটবল। পৰ্তুগাল ইউৰো কাপত গ্ৰুপ 'এফ'ত আছে। এই গ্ৰুপৰ অন্য তিনিটা দল হ'ল পূৰ্বৰ বিশ্ব চেম্পিয়ন জাৰ্মানী, হাংগেৰী আৰু বৰ্তমানৰ বিশ্ব চেম্পিয়ন ফ্ৰান্স।



### ইংলণ্ড ভ্ৰমণৰ পূৰ্বে সাহাৰ মন্তব্য

# উইকেটৰক্ষক হিচাপে টেষ্টৰ মূল একাদশত প্ৰথম সুযোগ ঋষভ পণ্টৰ

**নতুন দিল্লী, ২১ মে' ঃ** ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা আৰু প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচত ভাৰতীয় দলৰ উইকেটৰক্ষক হ'ব ঋষভ পণ্ট। এই মন্তব্য ভাৰতীয় দলৰ উইকেটৰক্ষক ঋদ্ধিমান সাহাৰ। উল্লেখ্য যে ইংলণ্ড ভ্ৰমণত সাহাও ভাৰতীয় দলৰ সদস্য যদিও পণ্টে মূল একাদশত স্থান পাব বুলি কয় স্বয়ং সাহাই। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে ইতিমধ্যে ইংলণ্ড ভ্ৰমণ আৰু প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচৰ বাবে ভাৰতীয় দল ঘোষণা কৰিছে। বিৰাট কোহলিৰ নেতৃত্বত ঘোষণা কৰা দলৰ সদস্যসকল হ'ল ঃ ৰোহিত শৰ্মা, শুভমন গিল, মায়ংক আগৰৱাল, চেতেশ্বৰ পূজাৰা, অজিংক্য ৰাহানে (সহঃ অধিনায়ক), হনুমা বিহাৰী, ঋষভ পণ্ট (উইকেট ৰক্ষক), ৰবিচন্দ্ৰন অশ্বিন, ৰবীন্দ্ৰ জাডেজা, অক্ষৰ পেটেল, ৱাশ্বিংটন সুন্দৰ, যশপ্ৰীত বুমৰাহ, ঈশান্ত শৰ্মা, মহম্মদ ছামি, মহম্মদ ছিৰাজ, শ্বাৰ্দুল ঠাকুৰ, উমেশ যাদব, লোকেছ ৰাহুল, আৰু ঋদ্ধিমান সাহা। উল্লেখ্য যে 20 জনীয়া দলে ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা আৰু প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচত অংশ ল'ব। প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত ভাৰত মুখামুখি হ'ব নিউজিলেণ্ডৰ। অহা 18 জুনত অনুষ্ঠিত হ'ব প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন। তাৰপাছত আৰম্ভ হ'ব ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা। অহা চাৰি আগষ্ট ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলাৰ প্ৰথম মেচ খেলিব টীম ইণ্ডিয়াই। আনহাতে শৃংখলা সামৰণি পৰিব 14 ছেপ্টেম্বৰত।



### বি চি চি আইৰ মহিলা ক্ৰিকেটাৰৰ বাৰ্ষিক পঞ্জীয়নত গ্ৰেড 'এ'ত স্থান নাপালে মিতালী ৰাজ-ঝুলন গোস্বামীয়ে



# স্মৃতি-হৰমনপ্ৰীত-পুনমক শীৰ্ষস্থান

**মুম্বাই, ২১ মে' ঃ** ভাৰতীয় মহিলা ক্ৰিকেট দলৰ দুই অভিজ্ঞ সদস্য তথা অধিনায়ক মিতালী ৰাজ আৰু ঝুলন গোস্বামীয়ে বি চি চি আইৰ নতুন বৰ্ষৰ খেলুৱৈৰ বাৰ্ষিক পঞ্জিয়নত 'এ' গ্ৰেড হেৰুৱাইছে। ভাৰতীয় মহিলা ক্ৰিকেট দলৰ নতুন বৰ্ষৰ খেলুৱৈৰ বাৰ্ষিক পঞ্জিয়নত 'এ' গ্ৰেড লাভ কৰিছে মাত্ৰ তিনিগৰাকী খেলুৱৈয়ে। তেওঁলোক হ'ল হৰমনপ্ৰিত কৌৰ, স্মৃতি মানধানা আৰু পুনম যাদব। তেওঁলোকে লাভ কৰিব 50 লাখ টকা। ইফালে, মিতালী ৰাজ আৰু ঝুলন গোস্বামী গ্ৰেড 'বি'ত আছে। গ্ৰেড 'বি'ৰ ক্ৰিকেটাৰে পাব বছৰি 30 লাখ টকা। আনহাতে, 10 লাখ টকা পাব গ্ৰেড 'চি'ৰ ক্ৰিকেটাৰে।' অভিজ্ঞ মানসী যোশী আছে গ্ৰেড 'চি'ত। উল্লেখ্য যে ভাৰতীয় মহিলা ক্ৰিকেট দলে এইবছৰ বিদেশত দুখন টেষ্ট খেলিব। তদুপৰি পোন প্ৰথমবাৰৰ বাবে দিবা-নৈশ টেষ্ট খেলিব ভাৰতীয় মহিলা ক্ৰিকেট দলে। অষ্ট্ৰেলিয়া ভ্ৰমণলৈ যাব লগা ভাৰতীয় মহিলা ক্ৰিকেট দলে পাৰ্থত অহা 30 ছেপ্টেম্বৰৰ পৰা তিনি অক্টোবৰলৈ ঘৰুৱা দলৰ বিৰুদ্ধে দিবা-নৈশ টেষ্টখন খেলিব। ইফালে, অষ্ট্ৰেলিয়া ভ্ৰমণত ভাৰতীয় মহিলা ক্ৰিকেট দলে তিনিখন এদিনীয়া আৰু টি-20 মেচো খেলিব। উল্লেখ্য যে ইংলণ্ড ভ্ৰমণ কৰাৰ পাছতে অষ্ট্ৰেলিয়ালৈ যাব ভাৰতীয় মহিলা ক্ৰিকেট দল। ইংলণ্ডত ভাৰতীয় মহিলা ক্ৰিকেট দলে এখন টেষ্ট খেলাৰ লগতে তিনিখন এদিনীয়া আৰু তিনিখন টি-20 মেচ খেলিব। সাত বছৰ পাছত অহা 16 জুনত ভাৰতীয় মহিলা ক্ৰিকেট দলে একমাত্ৰ টেষ্ট খেলিব ইংলণ্ডৰ বিৰুদ্ধে। অহা দুই জুনত ভাৰতৰ পুৰুষ আৰু মহিলা ক্ৰিকেট দল একেলগে যাব ইংলণ্ডলৈ। ভাৰতৰ পুৰুষ আৰু মহিলা ক্ৰিকেট দল মুম্বাইৰ পৰা ৰাওনা হ'ব ইংলণ্ডলৈ।



# মন কী বাত

**এই** দুনিয়াত সচৰাচৰ দুটা কথাই চলে। এটা হ'ল 'কাম কী বাত', মানে 'কামৰ কথা' আৰু আনটো হ'ল 'মন কী বাত', মানে 'মনৰ কথা'। পাৰ্থক্য ইমানেই যে যেতিয়া 'কাম কী বাত' কৰা হয়, তাত মনৰ কথা কোৱাৰ কোনো সুবিধা নাথাকে বা ইচ্ছাও নাথাকে। আৰু যেতিয়া কামৰ কথা ক'বলৈ একো নাথাকে, তেতিয়া আৰম্ভ কৰি দিয়া যায় 'মন কী বাত'। আৰু এটা সৰু পাৰ্থক্য আছে। কামৰ কথা ক'বলৈ কোনো খাটাং টাইম টেবল নাথাকে। যেতিয়া কামৰ তাগিদা আহে, তেতিয়াই 'কাম কী বাত' আৰম্ভ কৰি দিয়া যায়। কিন্তু 'মন কী বাত'ৰ কাৰণে এডভান্স জনাব লগা হয় যে আজি অমুক বজাত ৰেডিঅ'ৰ অমুক চেনেলত মনৰ কথা কোৱা হ'ব।

'মন কী বাত'ৰ কাৰণে কোনো খাটাং বিষয়বস্তু থাকিব লাগিব বুলি কোনো কথা নাই বা এনেকৈও ক'ব পাৰি যে একো বিষয়বস্তু নোহোৱাকৈও 'মন কী বাত' কৈ শেষ কৰি দিব পাৰি। যেনেকৈ ল'ৰা-ছোৱালী, পঢ়া-শুনা, ঘৰ-সংসাৰ এইবোৰৰ পৰা অলপমান ফুৰছত্ পালেই শ্ৰীমান-শ্ৰীমতীয়ে পৰস্পৰৰ আগত নিজৰ মনৰ কথা ক'বলৈ আৰম্ভ কৰি দিয়ে। তেওঁলোকৰ মনৰ কথাত কাষৰ ঘৰৰ ছোৱালীজনীৰ কিয় বিয়া ভাগিল, তাৰ পৰা আৰম্ভ কৰি বজাৰৰ তেল-চাউল কিনালৈকে সৰ টপিকেই নিৰ্বিবাদে সোমাব পাৰে। ঠিক তেনেকৈ 'মন কী বাত'তো যিকোনো টপিকেই সোমাব পাৰে। টপিকবোৰ এনেকুৱাই হয় যেনে অমুকে আকৌ পেঞ্চিলেৰে ছবি আঁকিছে। অমুকে মোনা লৈ বজাৰ কৰিবলৈ গৈছে। তমুকে চাইকেল চলাব জানে। ঘৰত চাইকেল আছে। কিন্তু চাইকেলত নগৈ ৰিক্সাত গৈছে, যাতে ৰিক্সাৱালাই দুটকা পায়। অমুক প্ৰকৃতিপ্ৰেমীৰ পুতেকে পঢ়া-শুনা এৰি দিছে। কিয়নো কিতাপবোৰ কাগজৰ আৰু বহীবোৰো কাগজৰ। আৰু এই কিতাপ-বহীবোৰ বনাওঁতে কিমান যে গছ কটা গৈছে। গতিকে পঢ়া-শুনা এৰি পলিথিনৰ সৰু সৰু থোঙাবোৰকে শংখ কৰি ফুকোৱাত ব্যস্ত হৈছে। অমুকজনাই আকৌ অক্সিজেন চিলিণ্ডাৰৰ ক্ৰাইচিচ হোৱা বুলি শুনি নিজৰ ঘৰতে পৰি থকা তিনিটাকৈ ৰন্ধন গেছৰ খালী চিলিণ্ডাৰ দান দি দিছে।




এইবোৰেই হ'ল 'মন কী বাত'। মানে মনৰ কথা। এইবোৰ কথা টিভিতো ক'ব পৰা গ'লহেঁতেন, ৰাতি আঠ বজাত, হঠাতে! কিন্তু নাই ৰিস্ক আছে। টিভিত চেনেল পকাই ছিৰিয়েল বা খেলা চোৱাৰ চান্স এটা থাকি যায়। কিয়নো টিভিত বহু কিবাকিবি চাবলগীয়া থাকে।ৰেডিঅ'ত বেলেগ একো শুনিবলগীয়া নাই 'মন কী বাত'ৰ বাহিৰে। আৰু এটা কথা ৰেডিঅ'টো দেৱালৰ কাষত থৈয়ো বেলেগ বেলেগ কাম কৰি থাকিব পাৰি। কোনো প্ৰব্লেম নাই। দেৱালৰ আগতো 'মন কী বাত' চলি থাকিব। কিয়নো দেৱালৰো কাণ থাকে। অৱশ্যে 'মন কী বাত' কৰাসকলে কথাবোৰ অলপ উল্টাকৈ ভাবে যে যাৰ কাণ থাকে, সি আচলতে এখন দেৱালহে।

বহু অকালপক্কই মাজে মাজে প্ৰশ্ন কৰে যে 'মন কী বাত' বহু হ'ল, 'কাম কী বাত' কেতিয়া হ'ব? সিহঁতে এটা কথা বুজি নাপায় যে কামৰ কথা পাতিব লাগিলে কিবা কাম কৰাটো জৰুৰী। কিন্তু একো কাম নকৰাকৈয়ে 'মন কী বাত' চলাই যাব পাৰি।

অৱশ্যে 'মন কী বাত'ৰ জৰিয়তে আমি সকলোৱে এটা শিক্ষা পাইছো। বহুতে কয় যে বিয়া মানেই বৰবাদী, বিয়া কৰালে অমুক হয় তমুক হয় ইত্যাদি ইত্যাদি! এইবোৰ যে ভুল ধাৰণা, এগৰাকী পত্নী বা স্বামীৰ যে জীৱনত কিমান দৰকাৰ, সেয়া আজি আমি সকলোৱে ফিল কৰিছো। সেইকাৰণে কৈছো নিজৰ পত্নী বা স্বামীক সদায় লগত ৰাখক। নহ'লে 'মন কী বাত' মানে মনৰ কথাবোৰ ৰেডিঅ'ত কৈ ফুৰিব লাগিব।

আঁতৰি গৈছে ঘন কুঁৱলিৰ আচ্ছাদন। যাৰ ফলত এতিয়া উত্তৰপ্ৰদেশৰ ছাহাৰানপুৰৰ পৰাই স্পষ্টৰূপত দেখা গৈছে বৰফৰ চাদৰেৰে ঢকা হিমালয় পৰ্বত। এনে এখন ফটোৱেই সম্প্ৰতি সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে।

# পুনৰ পৰিস্ফূট হৈছে তলাবন্ধৰ ইতিবাচক দিশ

## ছাহাৰানপুৰৰ পৰাই প্ৰত্যক্ষ বৰফে ঢকা হিমালয়

■ **নিউজ ব্যুৰ'**
**বুলন্দচহৰ (উত্তৰপ্ৰদেশ), ২১ মে'** ঃ তলাবন্ধৰ বাবে চৌদিশে আৰ্থিক হাহাকাৰ সৃষ্টি হোৱাৰ সময়তে পৰিস্ফূট হৈ উঠিছে কেতবোৰ ইতিবাচক দিশো। ইয়াৰ ভিতৰত অন্যতম হৈছে প্ৰদূষণমুক্ত পৰিৱেশ। আঁতৰি গৈছে ঘন কুঁৱলিৰ আচ্ছাদন। যাৰ ফলত এতিয়া উত্তৰপ্ৰদেশৰ ছাহাৰানপুৰৰ পৰাই স্পষ্টৰূপত দেখা গৈছে বৰফৰ চাদৰেৰে ঢকা হিমালয় পৰ্বত। এনে এখন ফটোৱেই সম্প্ৰতি সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে।

নিজগৃহৰ ছাদৰ পৰা তোলা এই ফটোখন সামাজিক মাধ্যমত প'ষ্ট কৰিছে ছাহাৰানপুৰৰ দুষ্মন্ত কুমাৰ নামৰ এজন চৰকাৰী চাকৰিয়ালে। চখৰ ফটোগ্ৰাফাৰজনে এক সংবাদ সংস্থাক জনাইছে যে তলাবন্ধৰ ফলত বায়ু প্ৰদূষণ একেকোবত বহুখিনি হ্ৰাস পোৱাৰ বাবে যোৱা বছৰৰ এপ্ৰিলতো ছাহাৰানবাসীয়ে ঘৰৰ ছাদৰ পৰা হিমালয়ৰ সৌন্দৰ্য প্ৰত্যক্ষ কৰিছিল। ৰমেশ পাণ্ডে নামৰ এজন বনকৰ্মীয়েও হিমালয়ৰ ফটো টুইটাৰত প'ষ্ট কৰিছে। বনকৰ্মীজনে লিখিছে, 'বৰষুণৰ পাছত আকাশ পৰিষ্কাৰ হৈ পৰিছে। বায়ু প্ৰদূষণৰ সূচক ৮৫।' আনহাতে, আইএএছ বিষয়া সঞ্জয় কুমাৰে হিমালয়ৰ এখন ফটো টুইটাৰত প'ষ্ট কৰি লিখিছে, 'ছাহাৰানপুৰৰ পৰা চহৰৰ পৰা প্ৰায় ১৫০ কিলোমিটাৰৰ দূৰত আছে হিমালয়। দুদিনৰ পূৰ্বে ঘূৰ্ণী ধুমুহা তাওকতেৰ প্ৰকোপত সমগ্ৰ উত্তৰপ্ৰদেশতে প্ৰচুৰ বৰষুণ হৈছে। প্ৰদূষণ, কুঁৱলী এতিয়া বতাহত নাই বাবেই এই বিৰল দৃশ্য পৰিস্ফূট হৈ পৰিছে।'





মাজুলীত ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ ভয়াৱহ ৰূপ, শুকুৰবাৰে।

# দেশত এদিনৰ ব্যৱধানত পুনৰ চাৰি হেজাৰলৈ বৃদ্ধি মৃত্যু, হ্ৰাস সংক্ৰমণ

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২১ মে'** ঃ দেশত কৰ'নাৰ আক্ৰান্তৰ দৈনিক সংখ্যা হ্ৰাস পাই আঢ়ৈ লাখৰ কাষ চাপিল। সংক্ৰমণ পুনৰ হ্ৰাস পালেও বৃহস্পতিবাৰৰ তুলনাত দেশত ক'ভিডত দৈনিক মৃত্যুৱে পুনৰ চাৰি হেজাৰৰ সীমা অতিক্ৰম কৰিলে। ইফালে, যোৱা ২৪ ঘণ্টাত ভাৰতত ২০ লাখৰো অধিক লোকৰ ক'ভিডৰ নমুনা পৰীক্ষণ সম্পন্ন হ'ল। একেৰাহে তৃতীয় দিনৰ বাবে দেশত ২০ লাখৰ অধিক ক'ভিড পৰীক্ষণ হ'ল। কিন্তু স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল দুই লাখ ৪৯ হেজাৰ ৯৯১ জন লোক। বৰ্তমানলৈকে ভাৰতত মুঠ দুই কোটি ৬০ লাখৰো অধিক লোক ক'ভিডত সংক্ৰমিত হ'ল। দেশত এতিয়ালৈকে দুই লাখ ৯১ হেজাৰ লোকৰ কৰ'নাত মৃত্যু হৈছে। বিগত ২৪ ঘণ্টাত দেশত পুনৰ কৰ'নাত মৃত্যু হ'ল ৪,২০৯ জন লোকৰ। দৈনিক সংক্ৰমণ হ্ৰাসৰ ফলত বিগত কে'বাদিন ধৰি ভাৰতত সক্ৰিয় ৰোগীৰ সংখ্যা কিছু হ্ৰাস পাইছে। বিগত ২৪ ঘণ্টাত সক্ৰিয় ৰোগী হ্ৰাস পালে এক লাখৰো অধিক। বৰ্তমানে ভাৰতত প্ৰায় ৩০ লাখ সক্ৰিয় ক'ভিড ৰোগী আছে।



কে'বাখনো ৰাজ্যত সংক্ৰমণ নিয়ন্ত্ৰিত হ'বলৈ ধৰাত দেশৰ ক'ভিড পৰিস্থিতি কিছু উন্নত হ'বলৈ ধৰিছে। দিল্লী, বিহাৰ, ঝাৰখণ্ড, উত্তৰ প্ৰদেশ, ৰাজস্থান, গুজৰাট, মধ্য প্ৰদেশত সংক্ৰমণ সম্প্ৰতি নিয়ন্ত্ৰণলৈ আহিছে। মহাৰাষ্ট্ৰত দৈনিক সংক্ৰমণ এতিয়া ৩০ হেজাৰৰ তললৈ নামিছে। কেৰালাত দৈনিক সংক্ৰমণ কিছু হ্ৰাস পালেও ৩০ হেজাৰৰ আশে-পাশে আছে। কিন্তু কৰ্ণাটকত ক'ভিড পৰিস্থিতি এতিয়াও নিয়ন্ত্ৰণৰ বাহিৰত। ৰাজ্যখনত দৈনিক আক্ৰান্তৰ সংখ্যা প্ৰতিদিনে বৃদ্ধি পাইছে। ইফালে, তামিলনাডুত এই মুহূৰ্তত ক'ভিড পৰিস্থিতি সবাতোকৈ শোচনীয় হৈছে। ৰাজ্যখনত দৈনিক সংক্ৰমণে ইতিমধ্যে ৩৫ হেজাৰৰ সীমা অতিক্ৰম কৰিলে। অন্ধ্ৰ প্ৰদেশতো দৈনিক সংক্ৰমণ ২০ হেজাৰৰ আশে-পাশে আছে। পশ্চিমবংগত সম্প্ৰতি ১৯ হেজাৰ লোক দৈনিক ক'ভিডত আক্ৰান্ত হৈছে। ওড়িছাত দৈনিক সংক্ৰমণ ১১ হেজাৰৰ সীমাত আছে। বিগত কে'বাদিন ধৰি মেঘালয়, ত্ৰিপুৰা, মণিপুৰ, নগালেণ্ড, ছিকিম, মিজোৰামত ক'ভিড আক্ৰান্তৰ সংখ্যা উৰ্ধ্বমুখী হৈছে।

# ক'ভিডৰ চিকিৎসাত 'ৰেমডেচিভিৰ' ব্যৱহাৰত নিষেধাজ্ঞা 'হু'ৰ

## কি ক'লে চিকিৎসকে?

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২১ মে'** ঃ ক'ভিডৰ চিকিৎসা পদ্ধতিৰ তালিকাৰ পৰা অলপতে বাদ দিয়া হৈছিল 'প্লাজমা থেৰাপী'। শীঘ্ৰেই এই বাতিল তালিকাৰ অন্তৰ্ভুক্ত হ'ব পাৰে 'ৰেমডেচিভিৰ' বেজী। এই কথা প্ৰকাশ কৰিলে দিল্লীস্থ গংগাৰাম হাস্পতালৰ অধ্যক্ষ ডি এছ ৰানাই। যোৱা বছৰৰ পৰাই কৰ'নাৰ চিকিৎসাত এণ্টিভাইৰেল ড্ৰাগ 'ৰেমডেচিভিৰ'ৰ ব্যৱহাৰৰ সন্দৰ্ভত প্ৰশ্ন উত্থাপন কৰিছিল বিশ্ব স্বাস্থ্য সংস্থা (হু)ই। আকৌ এবাৰ আন্তৰ্জাতিক স্বাস্থ্য সংস্থাটোৱে মনত পেলাই দি ক'লে যে ক'ভিডৰ চিকিৎসাত ৰেমডেচিভিৰে কোনো কাৰ্যকৰী ভূমিকা গ্ৰহণ কৰাৰ প্ৰমাণ এতিয়ালৈকে লাভ কৰা হোৱা নাই। সেয়েহে ক'ভিডৰ চিকিৎসাত এইবিধ এণ্টিভাইৰেল ড্ৰাগৰ ব্যৱহাৰ বন্ধ কৰিলে ৰোগীৰ ক্ষতি হোৱাৰ কোনো শংকা নাই। কৰ'নাৰ দ্বিতীয়টো ঢৌত দেশবাসী চৰম দুৰ্দশাগ্ৰস্ত হৈছে। এনে সময়তে আক্ৰান্তৰ আত্মীয়ই কিছুদিন পূৰ্বলৈকে প্লাজমা বিচাৰি হাহাকাৰ কৰিবলগা হৈছিল। কিন্তু অৱশেষত ক'ভিডৰ চিকিৎসাত 'প্লাজমা থেৰাপী'ৰ ব্যৱহাৰ বন্ধ হ'ল। এইবাৰ 'ৰেমডেচিভিৰ' ব্যৱহাৰ বন্ধৰ পৰামৰ্শ দিলে হুৱে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে পূৰ্বে দিয়া নিৰ্দেশত স্পষ্টভাৱে কৈছিল যে ৰোগীক ৰেমডেচিভিৰ বেজী দিয়াৰ পূৰ্বে চিকিৎসকে বহু দিশ বিবেচনা কৰি চোৱা উচিত হ'ব। ক'ভিড ৰোগীৰ চিকিৎসাত বিপুলভাৱে ব্যৱহাৰ কৰা এই দৰৱ চিকিৎসা পদ্ধতিৰ পৰা কৰ্তন কৰিলে চিকিৎসকে কি পথ অৱলম্বন কৰিব বুলিও প্ৰশ্ন উত্থাপিত হৈছে।




এই প্ৰশ্নৰ উত্তৰ দি ডাঃ অৰিন্দম বিশ্বাসে কয়, 'ৰেমডেচিভিৰে কিন্তু অনেক ৰোগীক উপকাৰ কৰিছিল। আমি অনেক ৰোগীৰ ক্ষেত্ৰত এই দৰৱ ব্যৱহাৰ কৰিছিলো। সেয়েহে হঠাতে কোনো সিদ্ধান্ত লোৱাৰ পৰিৱৰ্তে এই বিষয়ত অধিক গৱেষণা কৰা উচিত হ'ব বুলি মোৰ ধাৰণা হয়। 'হু'ৱে বাৰে বাৰে নিজকে এক দুৰ্বল সংস্থা হিচাপে প্ৰমাণ কৰি আহিছে। তেওঁলোকৰ তৎপৰতাৰ অভাৱত আজি বিশ্বত এই পৰিস্থিতিৰ উদ্ভৱ হৈছে। সেয়েহে 'হু'ৰ নিৰ্দেশত ভৰসা নকৰি নিজে এই বিষয়ত গৱেষণা কৰাটো উচিত বুলি মই ভাবো।' উল্লেখ্য যে শেহতীয়াভাৱে ক'ভিড আক্ৰান্তৰ মাজত 'ব্লেক ফাংগাছ' নামৰ এবিধ ভেঁকুৰজনিত সংক্ৰমণে নতুন আতংকৰ সৃষ্টি কৰিছে। গৱেষকসকলে দাবী কৰা মতে, কৰ'না আক্ৰান্তৰ চিকিৎসাত ৰেমডেচিভিৰৰ দৰে ষ্টেৰয়ডযুক্ত দৰৱৰ অত্যধিক ব্যৱহাৰ আৰু মধুমেহ আক্ৰান্তৰ ক্ষেত্ৰত 'ব্লেক ফাংগাছ'ত সংক্ৰমিত হোৱাৰ শংকা সৰ্বাধিক হয়। 'ব্লেক ফাংগাছ'ৰ সম্ভাব্য সংক্ৰমণ প্ৰতিৰোধ কৰিবলৈকে 'ৰেমডেচিভিৰ' দৰৱ কৰ'না ৰোগীৰ চিকিৎসা পদ্ধতিৰ পৰা বাদ পৰাৰ সম্ভাৱনা প্ৰকট হ'ল।



এই শ্মশানকৰ্মীসকলেই 'অচুত' আখ্যা পাইছে স্বয়ং প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ নিজ ৰাজ্যতে। গুজৰাটৰ এখন গাঁৱত শ্মশানকৰ্মীসকলক 'এঘৰীয়া' কৰি ৰখাৰ অভিযোগ উঠিছে।

# গুজৰাটত 'এঘৰীয়া' হৈছে শ্মশানকৰ্মী

## পৰিয়ালৰ স'তে সাক্ষাৎ কৰাৰো অনুমতি পোৱা নাই

**নিউজ ব্যুৰ'**
**আহমেদাবাদ, ২১ মে'** ঃ কৰ'নাত মৃত্যু হোৱা ৰোগীৰ মৃতদেহ সৎকাৰ কৰাৰ বাবে বিভিন্ন স্থানত বিশেষ সন্মান পাইছে শ্মশানকৰ্মীসকলে। অথচ এই শ্মশানকৰ্মীসকলেই 'অচুত' আখ্যা পাইছে স্বয়ং প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীৰ নিজ ৰাজ্যতে। গুজৰাটৰ এখন গাঁৱত শ্মশানকৰ্মীসকলক 'এঘৰীয়া' কৰি ৰখাৰ অভিযোগ উঠিছে। বিগত কিছু মাহ ধৰি তেওঁলোকে নিজঘৰলৈ ওভতাতো দূৰৰে কথা, গাঁৱৰ পৰা খোৱাপানী আনিবলৈ গ'লেও তেওঁলোকক গাঁৱৰ পৰা বাহিৰ কৰি দিয়া হৈছে। এই ঘটনা সংঘটিত হৈছে গুজৰাটৰ ভায়ৰা গাঁৱত। পৰিস্থিতি এনে হৈছে যে বিগত কিছু মাহত এই শ্মশানকৰ্মীসকলে শ্মশানতে নিশা কটাইছে। তেওঁলোকে অভিযোগ কৰে যে নিজৰ পৰিয়ালৰ স'তেও সাক্ষাতত বাধা প্ৰদান কৰিছে গাঁওবাসীয়ে। ইয়াৰ বাবে তেওঁলোকে প্ৰশাসনক অভিযোগো দিছিল। তথাপি কোনো লাভ নহ'ল। ফলত ভায়েৰা গাঁৱৰ শ্মশানকৰ্মীসকলে এতিয়াও নিজৰ গাঁৱত প্ৰৱেশ কৰিব পৰা নাই। উল্লেখ্য যে গাঁওখনৰ নিবাসী কৌশিক কুমাৰে ক'ভিড পৰিস্থিতিত প্ৰায় দুমাহৰ পূৰ্বে সৎকাৰৰ কামত নিয়োজিত হৈছিল। এক সংবাদ সংস্থাৰ আগত কৌশিকে কয়, 'এই কাম কৰিছো বাবেই আমাক গাঁৱত প্ৰৱেশ কৰিবলৈ দিয়া হোৱা নাই। আনকি গাঁৱৰ পৰা পানীও ভৰাবলৈ দিয়া নাই। নিজৰ পৰিয়ালৰ স'তে আমি সাক্ষাৎ কৰিব পৰা নাই। বাধ্য হৈ শ্মশানতে থাকিবলগীয়া হৈছে।'

উল্লেখ্য যে বিগত কিছুদিন ধৰি গুজৰাটত দৈনিক প্ৰায় পাঁচ হেজাৰ লোক সংক্ৰমিত হৈছে। আনহাতে, দৈনিক বহু সংখ্যক ৰোগীৰ মৃত্যুও হৈ আছে। মৃতদেহ সৎকাৰৰ সংখ্যা বাঢ়ি থকাত বহুতেই শ্মশানৰ কামলৈ আহিবলগীয়া হৈছে। অৱশ্যে তেওঁলোকক এইদৰে 'এঘৰীয়া' কৰি ৰখাটো কাম্য নহয় বুলিয়ে মন্তব্য কৰিছে শ্মশানকৰ্মীসকলে।

সুৰদেৱী থিয়েটাৰত অভিনয় কৰি লাভ কৰিছিল জনপ্ৰিয়তা

# অভিনেতা-কুটিৰ শিল্পী চক্ৰধৰ হালৈৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ২১ মে'** ঃ বিশিষ্ট অভিনেতা, কুটিৰ শিল্পী তথা নলবাৰীৰ বিজেপি নেতা চক্ৰধৰ হালৈ (৬৮)ৰ কালি সন্ধিয়া হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। হালৈ অধুনালুপ্ত 'সুৰদেৱী' থিয়েটাৰত কে'বাখনো নাটকত অভিনয় কৰি শিল্পীসত্ত্বাৰ পৰিচয় দিছিল। কুটিৰ শিল্পীৰূপে পৰিচিত হালৈৰে 'ভাগ্যলক্ষ্মী' পিতল উদ্যোগ নামৰ এটা কুটীৰ শিল্পীৰ স্বত্বাধিকাৰীও আছিল। পৰৱৰ্তী সময়ত বিজেপিত যোগদান কৰি তেওঁ প্ৰাক্তন স্থানীয় সভাপতিৰূপে দলটোক আগবঢ়াই নিয়াত সহায় কৰিছিল। অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰে লোকজনৰ মৃত্যুত সাংসদ দিলীপ শইকীয়া, বিধায়ক জয়ন্ত মল্ল বৰুৱা, প্ৰাক্তন বিধায়ক অশোক শৰ্মাকে ধৰি বিভিন্নজনে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ দুই পুত্ৰ আৰু দুই কন্যাসহ বহু আত্মীয়ক এৰি যায়।



# অতিমাৰীৰ পৰা ৰক্ষাৰ একমাত্ৰ ভৰসা কৰ'না দেৱী

## ইতিহাসৰ পুনৰাবৃত্তিৰে তামিলনাডুত স্থাপন হ'ল মন্দিৰ

**নিউজ ব্যুৰ'**
**ক'ইম্বাট'ৰ (তামিলনাডু), ২১ মে'** ঃ কৰ'না অতিমাৰীৰ কবলৰ পৰা ৰক্ষা কৰিব পাৰিব একমাত্ৰ কৰ'না দেৱীয়েহে। সেয়ে মন্দিৰ নিৰ্মাণ কৰি কৰ'নাৰ মূৰ্তি স্থাপন কৰি ইতিমধ্যেই আৰম্ভ হৈছে দেৱীৰ পূজা-অৰ্চনা। তামিলনাডুৰ এখন গাঁৱত এই বিশ্বাসত ভৰ কৰিয়ে অতিমাৰীৰ প্ৰকোপৰ পৰা ৰক্ষা পাবলৈ এই পথ বাছি লৈছে স্থানীয় লোকসকলে।

তামিলনাডুৰ চহৰ ক'ইম্বাট'ৰৰ নিকটৱৰ্তী কামাতচিপুৰম গাঁৱত এই মন্দিৰটো নিৰ্মাণ কৰা হৈছে। ইতিমধ্যে পূজা-অৰ্চনাও আৰম্ভ হৈছে। এই পূজা একেৰাহে ৪৮ ঘণ্টালৈ চলিব। তাৰ পাছত হ'ব বিশেষ আৰাধনা। এই কথা জনাইছে মন্দিৰ কৰ্তৃপক্ষই। মন্দিৰৰ অধিষ্ঠাত্ৰী দেৱী কৰ'না দেৱীৰ মূৰ্তিটো গ্ৰেণাইট শিলেৰে তৈয়াৰ কৰা হৈছে। ডেৰ ফুট দৈৰ্ঘৰ প্ৰতিমাৰ পিন্ধনত উজ্জ্বল ৰঙা ৰঙৰ শাৰী আৰু এহাতত আছে এখন ত্ৰিশূল। দেৱীৰ পূজাৰ দায়িত্বত থকা সেৱকসকলে জনাইছে যে ক'ভিড বিধিৰ পৰিপ্ৰেক্ষিতত এতিয়া মাত্ৰ পুৰোহিতসকল আৰু মন্দিৰৰ দায়িত্বত থকা সকলৰ বাহিৰে আন লোকৰ প্ৰৱেশাধিকাৰ নাই। অৱশ্যে সকলোৱে দূৰৰ পৰাই সেৱা জনাই যাব পাৰিব। মন্দিৰৰ ভিতৰত থকাসকলৰ ক্ষেত্ৰতো সামাজিক দূৰত্ব আৰু অন্যান্য ক'ভিড বিধি অত্যন্ত কঠোৰভাৱে পালন কৰা হৈছে বুলিয়ে তেওঁলোকে দাবী কৰিছে।

অৱশ্যে এনে মন্দিৰ নতুন নহয়। ইতিহাসত ইয়াৰ নজিৰো আছে। প্ৰায় এশ বছৰৰ পূৰ্বে যেতিয়া প্লেগ মহামাৰীৰ কবলত পৰি মৃত্যুমিছিল আৰম্ভ হৈছিল, তেতিয়াও এই ক'ইম্বাট'ৰতে নিৰ্মাণ হৈছিল প্লেগ মাৰিয়াম্মান মন্দিৰ। তাত মাৰিয়াম্মান দেৱীক পূজা কৰা হৈছিল। আজিও সেই মন্দিৰত পূজা চলি আছে। ইয়াৰ উপৰি কেৰালাৰ কাড়াক্কালতো এনে এটা মন্দিৰ নিৰ্মাণ কৰা হৈছিল। উল্লেখ্য যে কৰ'নাৰ দ্বিতীয় লহৰত সমগ্ৰ দেশৰ লগতে তামিলনাডুৰ অৱস্থাও তথৈবচ। প্ৰতিদিনে বৃদ্ধি পাইছে সংক্ৰমণ আৰু মৃত্যুৰ সংখ্যা। ইয়াৰ সমান্তৰালকৈ অক্সিজেন আৰু হাস্পতালৰ খালী বিছনাৰ নাটনিয়েও ভয়ানক পৰিস্থিতিৰ উদ্ভৱ ঘটাইছে। এনে পৰিস্থিতিত সকলোকে ক'ভিড বিধি মানি চলিবলৈ আহ্বান জনোৱা হৈছে। কৰ'না দেৱীৰ মন্দিৰ কৰ্তৃপক্ষয়ো অনুৰূপ আহ্বান জনাইছে। লগতে তেওঁলোক দৃঢ়বিশ্বাসী যে কৰ'না দেৱী তুষ্ট হ'লেই কমিব সংক্ৰমণৰ ভয়াৱহতা।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com